আহ্বান

(নাহৰফুল সংখ্যা)

সম্পাদিকা

পাৰুল বৰুৱা

সাহোন সম্পাদনা সমিতি, ২০১৩

আহ্বান

(নাহৰফুল সংখ্যা)

বৃহত্তৰ ৰুক্মিণী নগৰ ত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ

স্মাৰণিকা

Parag Jyoti Gogoi
Rukmini Nagar, Wirless
Dispur, Ghy-6

৩১ চ'ত, ১ আৰু ২ ব'হাগ

দেও, সোম আৰু মঙ্গলবাৰে

১৪২০ ভাস্কৰাব্দ ১৯৩৫ শকাব্দ

(তাৰিখঃ ইং ১৪, ১৫ আৰু ১৬ এপ্ৰিল, ২০১৩ চন)

BRIHATTAR RUKMINI NAGAR SOCIO CULTURAL CENTRE
RS/KAM/240/I/706 OF 2004-2005

ৰঙালী বিহু শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই...

প্ৰতি,

....

....

বিহুৰ সেৱাৰে—

ড° ধৰ্মেশ্বৰ সোণোৱাল
সভাপতি

পাৰুল বৰুৱা
সম্পাদিকা

স্মাৰণিকা সম্পাদনা সমিতি

ত্ৰিংশতিতম্

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় উৎসৱৰ মৰ্যদা দি মঞ্চবিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন)। পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে "বিহু পতাকা উদ্বোধনী" গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুষোত্তম দাসৰ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সৱে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

সম্পাদনা সমিতি

উপদেষ্টা	ঃ	শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ
সভাপতি	ঃ	ড° ধৰ্মেশ্বৰ সোণোৱাল
সম্পাদীকা	ঃ	শ্ৰীমতী পাৰুল বৰুৱা
সঃ সম্পাদকদ্বয়	ঃ	শ্ৰীমহেন্দ্ৰ শৰ্মা শ্ৰীমতী সুবৰ্ণলতা হাজৰিকা
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী ৰাতুল দাস, বিকি বড়ো, মামনী দাস, নীলমনি ঠাকুৰ
প্ৰকাশক	ঃ	বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি
বেটুপাত	ঃ	নৱ
মুদ্ৰণ	ঃ	পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬

শ্ৰদ্ধাঞ্জলি



প্ৰয়াত ৰজনী তামুলী



প্ৰয়াত বিদ্যাধৰ গগৈ

সমাজ আৰু সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জৰিত হৈ বৃহত্তৰ ৰুক্মিণী নগৰ হাউছিং কল'নিৰ বিহুখনিক উন্নতিৰ শিখৰলৈ আগবঢ়াই নিয়াত তেখেতসকলৰ বিদেহী আত্মাৰ শান্তিৰ অৰ্থে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

প্ৰয়াত ৰাণী গাৰো

প্ৰয়াত বদন চন্দ্ৰ বড়ো

বৃহত্তৰ ৰুক্মিণী নগৰ ত্ৰিবিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ হৈ—

তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
০৫-০৪-২০১৩

শুভেচ্ছাবাণী

ত্ৰিবিংশতিতম্ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন অহা ১৪ ৰ পৰা ১৬ এপ্ৰিল তাৰিখলৈ দিছপুৰৰ হাউছিং কল'নীত উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছো।

আশা কৰোঁ, ৰঙালী বিহু উদ্‌যাপনৰ আনন্দমুখৰ পৰিৱেশে বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণৰ প্ৰক্ৰিয়াত গঢ়ি উঠা বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ সাতামপুৰুষীয়া সামাজিক-সাংস্কৃতিক সংহতি আৰু সম্প্ৰীতিৰ বান্ধোনক অধিক সুদৃঢ় কৰাত অৰিহণা যোগাব আৰু অসমক শান্তি-সংহতি-সমৃদ্ধিৰ পথত আগবঢ়াই নিয়াৰ প্ৰচেষ্টাত ব্ৰতী হ'বলৈ সকলোকে অনুপ্ৰাণিত কৰিব।

ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া 'সাহোন' নামৰ স্মৃতিগ্ৰন্থখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(তৰুণ গগৈ)

Naba Kumar Das, I.A.S.
Chief Secretary

GOVERNMENT OF ASSAM
Block-'C', 3rd Floor,
Assam Sachivalaya,
Dispur, Guwahati-781006
Tel. : 0361- 2261120 (O)
2261403 (O)
2260900 (Fax)
E-mail : cs-assam@nic.in

শুভেচ্ছা বাণী

বিহু বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ সংস্কৃতি। বিহু সংস্কৃতি অসমীয়াৰ জীৱনৰ জীৱনীশক্তি বুলি অভিহিত কৰা হয়। ই অসমীয়াৰ জাতি সত্বাক ন ন ৰূপত গঢ় দিয়ে আৰু সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰে। পাহাৰ ভৈয়াম একাকাৰ কৰা এই ৰঙালী বিহুৱে বসন্তৰ আগমনৰ লগে লগে অসম ভূমিৰ ভিন্নৰঙী সংস্কৃতিবোৰক পুনৰ সেউজ আৰু সজীৱ কৰি তোলে।

বৃহত্তৰ ৰুক্মিনীনগৰ ৰঙালী বিহু সন্মিলনীয়ে এইবেলি ত্ৰিংশতিতম ৰঙালী বিহু উৎসৱ অহা ৩১ চত, ১ আৰু ২ বহাগত তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লৈছে বুলি জানিব পাৰিছো। ৰঙালী বিহু উদযাপনৰ লগত সংগতি ৰাখি সন্মিলনৰ স্মৰণিকা 'সাহোন' খনিও প্ৰকাশ কৰিবলৈ লোৱাতো আমাৰ বাবে আনন্দৰ বতৰা। কাৰণ ইয়াৰ যোগেদি অসমভূমিৰ নিভাজ সাহিত্য-সংস্কৃতিবোৰ পুনৰ ন ৰূপত জীপালহৈ ওলাই আহিব আৰু এনেবোৰ সাহিত্য কৰ্মই আমাৰ কলা-সংস্কৃতিৰ শ্ৰীবৃদ্ধি কৰিব।

ৰঙালী বিহুৰ কাৰ্যসূচী সফল হওঁক।
'সাহোন' সৰ্বাংগসুন্দৰ হওঁক।

ৰঙালী বিহুৰ ওলেগেৰে—

(নৱ কুমাৰ দাস)

স্মৰণিকা সম্পাদীকাৰ একলম

'....বিহু আহে যেতিয়া
নাহৰ ফুলে তেতিয়া
তগৰ ফুলে তেতিয়া
পখিলা হৈ উৰিবৰ মন....।

চৌদিশে নাহৰ, তগৰ, কপৌ, কেতেকীৰ আমোল-মোল সুবাস বিলাই অসমীয়াৰ অতিকৈ হেঁপাহৰ ব'হাগ বিহু আহিছে। বসন্তৰ আগলি বতৰা লৈ কুলি-কেতেকীয়ে জাননী দিলে ব'হাগ বিহুৰ। কুলি-কেতেকীৰ মাতত পুলকিত হৈ উঠে অসমীয়াৰ মন বিহুলৈ বা আৰু কেইদিন! বসন্তৰ পৰশত প্ৰকৃতি ভৰ যৌৱনা হৈ উঠে। প্ৰকৃতিৰ বিনন্দীয়া ৰূপে মানুহৰ মন-প্ৰাণলৈ সজীৱতা নমাই আনে। অসমীয়াৰ গাত বিহুৰ দেওধ্বনি উঠে।

বিহু অসমীয়া জাতীয় জীৱনৰ আশা-আকাংক্ষা, ৰং-ৰহইচ তথা অনুভূতিৰ উৎসৱ। বিহুৱেই একমাত্ৰ উৎসৱ-যিয়ে ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোকে মতলীয়া কৰি ৰাখিব পাৰে। বিহু সমন্বয়ৰো উৎসৱ। বিহু অসমীয়া সংস্কৃতিৰ এক অমূল্য সম্পদ। আজিৰ ব'হাগ বিহু ব'হাগী উৎসৱ, ৰঙালী-বিহু সন্মিলন, ব'হাগী বিদায় আদিলৈ পৰ্য্যবসিত হৈছে। মঞ্চলৈ উঠাৰ লগে লগে বিহুৰ ধ্যান-ধাৰণালৈও কিছু পৰিবৰ্ত্তন আহিছে। সংস্কৃতি যিহেতু প্ৰবাহমান, পৰিবৰ্ত্তন অৱশ্যম্ভাৱী। কিন্তু এই পৰিবৰ্ত্তনে মূল ভেটিটোৰ স্থিৰতা ৰাখিব পাৰিছেনে নাই সেয়া আমি চাব লাগিব। আজি-কালি বিহুনামৰ সুৰত, কথাত আধুনিকতাৰ প্ৰভাৱে বিহুনামবোৰৰ ঐতিহ্য ৰক্ষা কৰিব পৰা নাই। আধুনিক জীৱন-ধাৰণৰ প্ৰভাৱত বিহুৰ স'তে থকা লোকাচাৰ সমূহো প্ৰায় নোহোৱাই হৈছে। আজি অসমীয়াৰ গৌৰৱ পাট-মুগা শিল্পলৈও সংকট নামি আহিছে। সিংখাপৰ কাপোৰ, মেজাংকৰী পাট উত্তৰ পুৰুষে যাদুঘৰত চাবলৈ যোৱাৰ দৰে যেন অসমীয়া পাট-মুগা কাপোৰৰ অৱস্থা নহয় তাৰ বাবে আমি সচেতন হোৱাৰ সময় আহিছে। কাঁহ-পিতলৰ বাচনে ঠাই পাইছে আমাৰ ড্ৰইংৰুমৰ 'শ্ব-পিচ্ছ' হিচাবে। মুঠতে আধুনিক সভ্যতাই আমাৰ পুৰণি সম্পদ আৰু জাতীয় বৈশিষ্ট্যৰ ম্লান কৰি পেলাইছে। আমি সাংস্কৃতিক চেতনাহীন হৈ পৰিছো।

বিহু বুলিলে বুলিবৰ নাই। আজিৰ বিহু মঞ্চ-ৰভাসমূহে বিস্তৃতি লাভ কৰিছে। কিন্তু বিহু সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন পৰম্পৰাসমূহৰ যাতে বিকৃতকৰণ নহয়, সেই বিষয়ত আমি নিশ্চয় সজাগ হ'ব লাগিব। বহুসময়ত লোকসমাজৰ অলক্ষিতে পৰম্পৰা ভাগে। এনেদৰে সময়ে ভঙা পৰম্পৰাসমূহ মানি লৈ দুষ্কৃতিৰ গ্ৰাসত সংস্কৃতি যাতে অপসংস্কৃতিলৈ ৰূপান্তৰ নহয়, তাৰ বাবে আমাৰ বিহু-সন্মিলনবোৰৰ কৰণীয় আছে। সংস্কৃতিক সুস্থ আৰু কলা সন্মতভাৱে মঞ্চত যাতে উপস্থাপন কৰা হয়, পৰম্পৰা যাতে বিকৃত নহয় তাৰবাবে উদ্যোক্তাসকল বলিষ্ঠ পদক্ষেপেৰে আগবাঢ়ি আহিব লাগিব। তেতিয়াহে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এই মহামিলনৰ থলী বিহুতলী মহিমামণ্ডিত ৰূপত জিলিকিব।

বিগত বছৰবোৰৰ দৰে এইবছৰো আমি বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহুৰ স্মৰণিকা 'সাহোন' প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছো। 'সাহোন'খনি প্ৰকাশৰ বাবে বিভিন্ন দিশত ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক, স্মৰণিকা সম্পদনা সমিতিৰ উপদেষ্টা, সভাপতি প্ৰমুখ্যে সকলোলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। 'সাহোন'ক শুভেচ্ছা বাণীৰে ধন্য কৰি আমাক উৎসাহিত কৰাৰ বাবে সেইসকল পৰম শ্ৰদ্ধেয় ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। প্ৰতিষ্ঠিত যিসকল লেখক-লেখিকাই 'সাহোন'ক সমৃদ্ধ কৰিলে সেইসকললৈও কৃতজ্ঞতা জনালো। বিজ্ঞাপন তথা দান-বৰঙণিৰে সহায় কৰা সকলোলৈকে কৃতজ্ঞতা জনালো।

অতি কম সময়ৰ ভিতৰতে স্মৰণিকাখনি যথা সময়ত প্ৰকাশ কৰি উলিওৱাৰ বাবে 'পেচিফিক্ লেজাৰ প্ৰিণ্টচ্'ৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সকলো কৰ্মকৰ্তালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সীমিত সময়ত প্ৰকাশ কৰি উলিওৱাৰ বাবে অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে ৰাইজৰ ওচৰত মাৰ্জনা বিচাৰিলো।

শেষত সমূহ ৰাইজলৈ ৰঙালী বিহুৰ চেনেহ, ওলগ, শ্ৰদ্ধা আৰু সেৱা জনালো।

—নৱবৰ্ষৰ শুভকামনাৰে—

পাৰুল বৰুৱা



স্মৰণিকা 'সাহোন' সম্পাদনা সমিতিৰ সভাপতিৰ একাষাৰ

জয় জয়তে,

বৃহত্তৰ ৰুক্মিণীনগৰ হাউছিং কল'নীৰ লগতে দাঁতি কাষৰিয়া তথা সমূহ গুৱাহাটীবাসীলৈ মোৰ ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা আৰু মৰম যাচিলো।

আপোনালোকে জানে যে, ব'হাগ আহে বসন্তত। ব'হাগত আমি বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপন কৰো। এই বসন্ততে প্ৰকৃতিয়ে সেউজী সাজেৰে নতুন ৰূপ লয়। প্ৰকৃতিৰ এই নৱৰূপে শ্ৰমজীৱী কৃষক সমাজক প্ৰেৰণা যোগায় আৰু প্ৰদান কৰে এক গতিশীলতা। কাৰণ এই উৎসৱ শ্ৰমজীৱীৰ অৰ্থনৈতিক স্বাৱলম্বিতাৰ মূৰ্ত প্ৰতীক। এই ৰঙালী বিহু বা ব'হাগ বিহুতে সৰুৱে ডাঙৰক সেৱা কৰা, কনিষ্ঠক আশীৰ্বাদ দিয়া, হুঁচৰিত মূৰৰ চুলি ছিঙি আশীৰ্বাদ দিয়া আদিয়ে সামাজিক শান্তি-সম্প্ৰীতি অটুত ৰখাৰ ক্ষেত্ৰত আধ্যাত্মিক অনুপ্ৰেৰণা যোগোৱাই নহয়, জাতি, ধৰ্ম, ভাষা, নিৰ্বিশেষে সকলোৱে একত্ৰিত হৈ পালন কৰা এই বিহুৱে অসমৰ জাতীয় সংহতিৰ ভেঁটি সুদৃঢ় কৰা ক্ষেত্ৰত সমন্বয়ৰ নিশ্চিতি প্ৰদান কৰি আহিছে। সেয়েহে অসমীয়া জাতিৰ সংহতি ৰক্ষা কৰি অন্য বছৰৰ দৰে এই বছৰো বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনীয়ে অহা ৩১ চ'ত, ১ আৰু ২ ব'হাগত তিনিদিনীয়া কাৰ্যসূচীৰে ত্ৰিংশতিতম্ বিহু উদ্‌যাপন কৰিবলৈ লৈছে আৰু এই বিহুৰ লগত সংগতি ৰাখি 'সাহোন' নামৰ স্মৰণিকাখনি এই বেলিও প্ৰকাশ কৰিবলৈ লৈছে। কাৰণ প্ৰকৃততে বৃহত্তৰ ৰুক্মিণী নগৰ হাউচিং কল'নীৰ অঞ্চলৰ ৰাইজে নিজৰ ভাষা, সাহিত্য, কলা-সংস্কৃতি আৰু অন্যান্য সামাজিক কাৰ্যবোৰ নতুন প্ৰজন্মৰ বাবে ধৰি ৰাখিবলৈ, চিন্তাচৰ্চা কৰিবলৈ 'সাহোন'ৰ জন্ম দিছিল। কিয়নো এনেবোৰ সংস্কৃতিয়ে ভৱিষ্যতে এটা জাতিক পৰিচয় প্ৰদান কৰিব। সেয়ে কথাতে কয় 'যি জাতিৰ ভাষা সাহিত্য নাই সেই জাতিৰ চিনাকী আৰু অস্তিত্ব নাই।' অৱশ্যে এই ক্ষেত্ৰত নতুন প্ৰজন্মই সংস্কৃতিৰ চৰ্চাত উদ্যোগ লোৱাটো নিতান্তই প্ৰয়োজন হ'ব।

সেয়ে যিসকল বিজ্ঞ লেখক-লেখিকাই অসমৰ চুক-কোণৰ পৰা তেওঁলোকৰ মূল্যৱান তথ্য সম্বলিত লেখনি অৰ্থাৎ গল্প, প্ৰবন্ধ আৰু কবিতাসমূহ সাহোনৰ পাতলৈ আগবঢ়াই আমাক প্ৰকাশ কৰি উলিয়াবলৈ সহায় কৰিলে তেওঁলোকলৈ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহুৰ সাহোন সম্পাদনা সমিতিৰ সভাপতিৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলো আৰু লগতে ৰঙালী বিহুৰ শুভেচ্ছা জনালো।

বিহু উদ্‌যাপনৰ আটাইকেইটা দিনৰ কাৰ্যসূচীৰ সফল ৰূপায়ন আৰু সৰ্বাংগ সুন্দৰ হোৱাত আপোনালোকৰ সহায় আন্তৰিকতাৰে কামনা কৰিলো, লগতে অসমীয়া নতুন বছৰটি আপোনালোক সকলোৰে সুখৰ, সুন্দৰ আৰু নিস্কণ্টকময় হওক। এই কামনাৰে—

ইতি

ড° ধৰ্মেশ্বৰ সোণোৱাল

সভাপতি

সাহোন সম্পাদনা সমিতি

ৰুক্মিণীনগৰ।

সাহোনৰ সূচীত—

(প্ৰবন্ধ)

জীৱন যৌৱনৰ জয়গান/ড° কেশৱানন্দ দেৱগোস্বামী/১৩

ব'হাগ আহিলে বুলি/অনিল বৰা/১৬

নাহৰ ফুলাৰ বতৰত/ড° পুণ্য বৰা/২০

বিহুনাচৰ ঐতিহ্য আৰু বিহু এক সমীক্ষা/ড° ধৰ্ম্মেশ্বৰ সোণোৱাল/২৩

মন নাচে ব'হাগত/প্ৰদীপ কুমাৰ গগৈ/২৭

বিহুৰ সংজ্ঞা/খুন্দেশ্বৰ হাজৰিকা/৩১

টাই-আহোমৰ কৃষিবীজ, বিবাহ প্ৰণালী, বিহুনাচ, জেং বিহুৰ এটি চমু আভাস/চাও খগেন ফুকন/৩৩

ৰঙালী বিহুত হুঁচৰি, লহৰী আৰু বিহু নাম বা গীত/মঞ্জুলা কাকতী/৩৬

ৰেঙণি ঃ ১৯৫০/ডাঃ সুৰেন পাটগিৰি/৩৯

দেউৰী লোকজীৱনত সাজ-পোছাক ঃ তাৎপৰ্য আৰু বিভিন্নতা/ষড়ানন দেউৰী/৪২

দৰঙৰ বসন্ত উৎসৱৰ অন্যনাম 'দেউল' উৎসৱ/বিজয়া বৰা/৪৫

বিহু নামত শিপিনীৰ স্থান/স্নেহময়ী বৰঠাকুৰ/৪৭

বিহু নৱ-প্ৰজন্ম আৰু আমি/উন্মনা মাধুৰী দত্ত/৪৯

বিহু সংকল্প/নীলা গোস্বামী/৫১

(গল্প)

বিভ্ৰান্তি/ৰেৱতী মোহন হাজৰিকা/৫৩

গল্প নহয়/ফুলেশ্চ্ গগৈ/৫৯

জীৱনৰ গান আৰু ডাৱৰ/সত্যধৰ মটক/৬২

দুই বন্ধু/নিলীমা শইকীয়া দাস/৬৬

(কবিতা)

পিঠিত এখন ছুৰী/ৰমেন কলিতা/৬৮

ক'ৰ বিচৰা কথাবোৰ/ডিম্বেশ্বৰ শৰ্মা/৬৮

উদ্ভাসিত চেতনা দিয়া/গোলাপ বৰুৱা/৬৯

আকাশ-মোৰ আকাশ/পাৰুল বৰুৱা/৭০

ব'হাগৰ বতৰা/তেজশ্ৰী বৰা/৭০

সুখৰ সেউজীয়া চৰাই/পৰিণীতা বৰুৱা/৭১

শান্তিৰ কপৌ/নিজৰা বৰা/৭২

বিহুৰ ইচ্ছা/নীলম বৰুৱা/৭২

জীৱনৰ গান আৰু ডাৱৰ/দীনবন্ধু বৈশ্য/৭৩

ব'হাগৰ অনুভৱ/গায়ত্ৰী গগৈ/৭৪

শৰতৰ জোনাক ৰাতি/বীনা দত্ত/৭৫

আত্মনুসন্ধান/অজন্তা বৰুৱা/৭৫

মই যে মাতৃ-ধৰিত্ৰী/নমিতা মটক/৭৬

ভাৱনা/মামনি দাস/৭৭

মোৰ আইতা/ৰঞ্জিতা বড়ো/৭৭

মোৰ কল্পনা/বিকি বড়ো/৭৮

দেৱগাঁৱৰ 'চিনাকী'/শঙ্কৰজ্যোতি ডেকা/৭৮

(ভ্ৰমণ কাহিনী)

বিশ্বাসে মিলয় হৰি/ভাৰতী ভট্টাচাৰ্য্য/৭৯

(ধৰ্মমূলক প্ৰবন্ধ)

ভগৱান শ্ৰীকৃষ্ণৰ অৱতাৰ, এটি চমু আভাস (ঐশ্বীক সমন্ধীয়)/কামেশ্বৰ হাজৰিকা/৮১

প্ৰবন্ধ

জীৱন যৌৱনৰ জয়গান

ড° কেশৱানন্দ দেৱগোস্বামী

জীৱ মাত্ৰেই বায়ু, পানী আহাৰৰ ওপৰত নিৰ্ভৰশীল। জীয়াই থকাই জীৱন; এই জীৱন ৰক্ষা কৰিবলৈ প্ৰকৃতি-প্ৰদত্ত বায়ু, পানীৰ উপৰি প্ৰয়োজনীয় আহাৰ গ্ৰহণৰ বাবে প্ৰচেষ্টা চলে— উৎপাদনৰ। মানুহেহে তাক উলিয়াব, প্ৰস্তুত কৰিব পাৰে; বাকীবোৰ প্ৰাণীৰ প্ৰণালী-পদ্ধতি বা ৰীতি নাই। সৃষ্টিৰ কঠিয়া সিঁচি জীৱনৰ গতি নিৰৱচ্ছিন্নভাৱে চলাই নিয়াৰ প্ৰচেষ্টাৰ অন্ত নাই। এনেকৈয়ে নিৰন্তৰভাৱে জীৱনৰ জয়গান প্ৰৱাহিত, প্ৰচলিত হৈ আহিছে। এখোপ আগুৱাই মানুহে জীৱনৰ অৰ্থ উলিয়াবলৈ যত্নপৰ হৈছে। তাৰো উৰ্ধত অন্তঃকৰণে (মন, বুদ্ধি, চিত্ত আৰু অহংকাৰে) অদৃশ্য অধ্যাত্ম জীৱনৰ সন্ধান, সৰণি বিচাৰিছে। সেয়া অতি সাধাৰণজনৰ বোধগম্য নহয় আৰু পৰিদৃশ্যমান কঠোৰ বাস্তৱক সাৰটি তাতে মগ্ন হৈ প্ৰাত্যহিক দুখ-দুৰ্গতিক সাময়িকভাৱে হ'লেও নেওচি, অৱলোকিত অভিজ্ঞতাকে খামুচি ধৰিবৰ বাবে দুৰন্ত আকাংক্ষা ওপজে। জীৱনৰ উপাদান— যৌৱনেৰে সমাধান।

জীৱনলৈ এবাৰেই মাথোঁ অহা সৃষ্টিৰ উদ্দাম বাসনাই আপ্লুত-আন্দোলিত কৰে— দেহ, মন, প্ৰাণ। মহাকৱি কালিদাসৰ ভাষাৰে 'বসন্ত যোধঃ সমুপাগতঃ।' সেয়া হয় অপৰূপা প্ৰকৃতিৰ চৌপাশে 'প্ৰফুল্ল চূতাংকুৰ তীক্ষ্ণ সায়কো' ৰূপ দেখি। স্বভাৱিকতে 'মেনাংসি ভেত্তুং সুৰত প্ৰসংগিণাং।' নাহৰ-আঁহতৰ নৱ পল্লৱিত ৰূপৰ ৰঙেৰে 'আঁহতে সলালে পাত' দেখি, আমাৰ উদ্ভীন্ন যৌৱনা আইদেউহঁতেও 'বৰণটি সলাই' ল'লে 'মুগা ৰিহা গাত' ৰূপেৰে উদ্‌গ্ৰীৱ হৈ আহ্বান-আদৰণি জনায় যৌৱনটোক পাবলৈ, পাই ধৰি ৰাখিবলৈ। কাৰণ কবি ৰাজশেখৰৰ ভাষাৰে 'তাৰুন্নং দিঅহাই পঞ্চদহবা পীণখ্‌ণুখত্তণং।' সৃষ্টিৰ বতৰা লৈ প্ৰকৃতিয়েও নিজৰ ভৰ-যৌৱনা পোহাৰ মেলি মন মতলীয়া কৰি, সিক্ত কৰি তোলে। মৃদু মলয়াৰ বোকোচাত চৌদিশে পৰিব্যাপ্ত হয় ৰূপৰ পোহাৰ। সপোনৰ আৱেশ সনা পৃথিৱীয়ে মাটিৰ বুকুৰ পৰা আকাশ ধিয়াই ধাৱমান বিৰিখৰ শিখৰত ছটিয়াই যায় কুহেলিকাময় ৰং আৰু ৰূপ। অশোক-পলাশ, মদাৰ, শাল্মলী শিখৰে পোহাৰ মেলে সেই ৰঙৰ অনাবিল আবিৰ। সামান্য আৰু দৃষ্টি বহিৰ্ভূত, অনাদৃত তৃণৰ পৰা আৰম্ভ কৰি অনুচ্চ তৰু-লতিকায়ো এই মেলাত আপোন পোহাৰ মেলে। সম্ভাৱনাৰ সঁফুৰা লৈ চূত মঞ্জৰীয়ে আহ্বান জনায় তাৰ মৃদু মধু স্নিগ্ধ গন্ধৰাশিৰে কোকিল কুলক। পাটৰ চেলেং গাত মেৰিয়াই পাটমাদৈয়ে পাতৰ আঁৰত লুকা-ভাকু খেলে; লগত বহু ৰঙী, দেও দি ফুৰা বিহংগৰ সুমধুৰ কলৰৱ প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰাশিৰ লগত বিলীন হোৱাৰ বাবে যেন হাত বাউলিৰে আকুল আহ্বান জনায়; সৃষ্টিৰ প্ৰতীক্ষাত সঁহাৰি দিয়ে নীল আকাশত মৃদু গুঞ্জনৰ লগে লগে সাময়িকভাৱে সৰি পৰা অনিল সন্মিলিত বৃষ্টিজলে। ডালত ছন্দায়িত গতিত নাচি উঠা বিবিধ বিহংগৰ সুৰাগ সনা ছবিয়ে অনুভূতিশীল মনত দোলা দিয়ে। কি যে এক অপূৰ্ব অৱৰ্ণনীয় ঐন্দ্ৰজলিক আৱেশ ৰচিত হয় কেউদিশে। নিসৰ্গ মাদকতাই সৌন্দৰ্য পিয়াসীক উপচাৰ যোগায়— জেতুকা বৰ্হমথুৰিৰে হাত-ওঁঠ ৰঙাই তুলিবলৈ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাষাৰে— 'কুহু কুহু ধ্বনি কোকিলৰ শুনি' আৰু অলেখ বন বিহগৰ বিৰিখৰ ডালে-পাতে গুঞ্জৰিত সুমধুৰ কুজনে, মধুলিহৰ

সৌৰভ অন্বেষণৰ পঞ্চম ৰাগে মতলীয়া কৰা মন-প্ৰাণত এক অবুজ-অজান শিহঁৰণে দোলা দিয়ে, আকুলিত কৰে সেই শোভাৰাশিয়ে এক অপ্ৰতিৰোধ্য পুলক। বিৰিখবাজিৰ আগলিত ভাঁহি উঠা অনাবিল মোহনীয় পৰিৱেশত আন্দোলিত হিয়াৰে মন উৰা মাৰে গোটেই পৃথিৱীখনকে আঁকোৱালি বুকুৰ মাজত সুমুৱাই ল'বলৈ, সেই সৌন্দৰ্য সাগৰত বিলীন হৈ যাবলৈ। মেঘ-বতাহ-বৰষুণৰ পৰশত বসুমতীৰ বুকুত গঁজালি মেলা জীৱন দায়িনী শস্যৰ ফেঁহুজালিয়ে কঢ়িয়াই আনে অপাৰ আশাৰ ৰেঙণি। স্নিগ্ধ জোনাকত কুলি-কেতেকীৰ মৌ বৰষা সুৰত যেন আকুল আহ্বান- বছৰ বিয়পি বুকুৰ উম দি ৰখাৰ অন্তত, এই অৱসৰত উন্মুক্ত হৃদয়ত স্পন্দিত ভাৱ-অনুভূতি প্ৰকাশৰ কণ্ঠেৰে, ভাষাৰে, সুৰ-সংযোজনাৰে; ছন্দেৰে, দেহৰ অংগ-প্ৰত্যংগৰ ছন্দায়িত সঞ্চালনাৰে। এই মোহনীয় পৰিৱেশতেই যেন বসুধা বুকুত সন্মোহনাদি পঞ্চবাণেৰে সজ্জিত হৈ অৱতীৰ্ণ হয় স্বয়ং অনংগ। কোনো সাৰি যাব নোৱাৰে আবালবৃদ্ধবণিতা। সৃষ্টিৰ ক্ষমতা আৰু সম্ভাৱনাযুক্তসকল অধিক তৰংগায়িত হৈ উঠে সৃষ্টিৰ পূৰ্ব প্ৰস্তুতিৰ প্ৰেমৰ বন্যাই প্লাৱিত কৰি তোলে সমধিকভাৱে সেই চামটোক। প্ৰৌঢ়-প্ৰৌঢ়াই পশ্চাদৱলোকনেৰে, হৃত সম্পদৰ সোঁৱৰণী-সফুঁৰা খুলি হাতৰ মুঠিত বয়সক ধৰি ঘূৰাই পাবলৈ উদগ্ৰ বাসনাত ব্যাকুল হৈ পৰে। সেয়েহে এই সত্য সৰ্বজন সমাদৃত; কাৰোবাৰ পাৰ ভঙা উন্মুক্ত, কাৰোবাৰ অৱদমিত, পৰিশীলিত শৃংখলিত। ফ্ৰয়েদ-সূত্ৰ উলংঘনীয় নহয়।

সংস্কাৰৰ বোল সানি শৈল্পিক ভাৱনাৰ হেঙুলীয়া নীলা ৰঙেৰে বৈ পৰি ৰূপ দিয়া হয় উদ্‌যাপনৰ আওতাত বিচিত্ৰ সম্ভাৰৰ। চহা জীৱনৰ আৱেগ-অনুভূতিসিক্ত ৰূপে জীপাল হৈ উঠা এই উছৱ-অনুষ্ঠানৰ লগত সম্পৃক্ত কৃষিজীৱী জনতাৰ স্বতঃস্ফূৰ্ত বাংময় প্ৰকাশৰ লগতে ছন্দোময় গতিয়ে বিবিধ ৰূপেৰে আত্মপ্ৰকাশ লাভ কৰে; যাৰ সৃষ্টিকৰ্তা কোনোবা অজ্ঞাত, অখ্যাত চহা কবি পুৰুষ-মহিলা, ডেকা-গাভৰু স্বভাৱ কবিসকল। যুগে-যুগে, পুৰুষে-পুৰুষে সঞ্চিত এই আপুৰুগীয়া ঐশ্বৰ্যৰাশি। সৃষ্টিৰ প্ৰেৰণাত, তাড়নাত ৰূপ লাভ কৰিলেও জাতিটোৰ শিল্পচেতনাৰ দ্যোতক হোৱাৰ লগতে ই সামৰি লৈছে জীৱন আৰু জগত সম্পৰ্কীয় অলেখ অগণন বিষয়। কি নাই— ইয়াত? ভূগোল, বুৰঞ্জী, সংস্কাৰ, জীৱন নিৰ্বাহৰ বাতৰি, সামাজিক আচাৰ-অনুষ্ঠান, ব্যৱসায়-বাণিজ্য, শিল্প কৰ্ম, বিবিধ বাদ্যযন্ত্ৰ, ৰীতি-নীতি, খ্যাদ্যাখাদ্য, প্ৰসাধন, ৰুচি-অভিৰুচি, মনৰ অৱস্থাৰ বিবিধ বাতৰি, হাঁহি-কান্দোন, প্ৰেম-বিৰহ, উৎকণ্ঠা-অৱহেলা, দুখ-বিষাদ, নৈৰাশ্য, অভিসাৰ-অভিগমন, পাপ-পুণ্য, ধৰ্মাধৰ্ম, প্ৰকৃতি জগতৰ পশু-পক্ষী, গছ-লতিকাৰ বিবিধ বৰ্ণনা আৰু বাৰেৰহণীয়া অভিজ্ঞতা উপচাৰ, জাত-পাতৰ বিচাৰ, আৰ্থিক-মানসিক সংকট-সংঘাত, দৈহিক ৰূপ-গুণৰ বিচাৰ, সৌন্দৰ্য পিয়াসীৰ আকৰ্ষণ ইত্যাদি সীমাহীন বিষয় সামৰি এই গীত-মাতবোৰ প্ৰচলিত। লোক জীৱনৰ প্ৰাণ পৰশেৰে সমুজ্জ্বল এইবোৰৰ উদাহৰণ চয়ন সম্ভৱ নহয় যদিও থোৰতে দুই চাৰিটালৈ আঙুলিয়াব পাৰি।

নিগৰ্সত অলক্ষ্যিতে, অনাদৃতৰূপে ফুলি উঠা ভেবেলি লতাৰ ফুলপাহিৰ সেই বৰ্ণনাতে কৈ অন্ত নপৰা এই উছৱৰ বতৰাৰ আৰম্ভণি। জীৱন নিৰ্বাহ প্ৰণালীৰ লগতে অন্য বাতৰিও জড়িত-সংস্কাৰৰ। আৰ্যেতৰ অষ্ট্ৰিকসকলৰ বস্তু তামোল আহি আৰ্য-মংগোলয়দ সকলৰো আদৃত হোৱাৰ 'লুইতৰ পাৰৰ' খৰি লোৱা ঠাইব্ৰহ্মপুত্ৰ দেৱতাই উটুৱাই নিনিবলৈ অনুৰোধ। তামোল দি কোনে মাতিব আৰু সেই তামোল মৰমৰ চিন, হেঁপাহৰ জনক লোকচক্ষুৰ আঁৰত দিবলৈ বিৰিণাৰ মুঢ়াতে গুজি থৈ অহাৰ বতৰা। থুৰীওৱা তামোলৰ ধাৰ জনমে জনমে সুজিব নোৱাৰি। তাৰ মাজত লং দিলে কথা আৰু গহীন। আঁহতে পাত সলোৱা দেখি গাত মুগা ৰিহা ল'লেও, বৰতত যাওঁতে গাত ৰিহা নোহোৱাৰ বাবে চোৰাতে ডকাৰ বা ওঠতে বৰলে খোৱাৰ দৰে আসে মতা আৰু তেনে ধৰণৰ কথাৰ, ভাৱ প্ৰকাশৰ ইংগিতময়তাও অতি চমৎকাৰ। বালিহাটৰ বেঙেনা, সুমথিৰা আদি তাৰ উদাহৰণ। চহা স্বভাৱ কবিয়েও চিত্ৰকল্প, উপমা-অংকাৰেৰে এইবোৰ সজাই তুলিছে। আলফুলে ধৰি ৰখা চেনেহ

মুকুতামালা যেন। অবুজ ইংগিতৰ ভাষা, চিয়াঁৰৰ ভাষাকে যদি বুজিব নোৱাৰে, তেন্তে কেনেকৈ হ'ব? মাকে নো কি খুৱাই তুলিলে? বনত হাতী হেৰুৱাৰ দৰে, ৰণত ঘোঁৰা হেৰুৱাৰ দৰে প্ৰেয়সীক হেৰুওৱা দুখত অজাম্তি মুলুকত 'তিতা' বৰবিহ খাই মৰিবৰ মন যায় প্ৰেমিকৰ। কাৰণ বিয়া পতাৰ আশাৰে বৰঘৰ সাজি যদি গৰুবন্ধা গোহালি কৰিবৰ হয়, তাতকৈ আৰু কি দুখৰ কথা থাকিব পাৰে? মৰমৰ দীঘ আৰু চেনেহৰ বাণিৰে ব'বলৈ লোৱা গামোচাৰ শালত মাকো সৰি সৰি পৰা শিপীনীগৰাকীও কম নহয়— ছিৰি পাতি মণ্ডল চোৱা গৰাকীয়ে জোনটি ভটিয়াই যোৱাত অভিসাৰ মুখীজনক সময়ৰ মূল্য বুজিবলৈ সকীয়াই দিয়ে আৰু ভদৰকলী চৰাইটোৰ কথাঙ্গ হালৰ গৰু বেচিও আশা পূৰণ কৰিব নোৱাৰিলে, জাত-পাতৰ হেঙাৰ হ'লে তাকো গণাগণ নকৰি লগৰীক পাবলৈ বিচাৰে; বিচাৰ হ'লেওনো কেই কুৰি ধন ল'ব? ধুনতীয়ে ধুন মাৰি তিনিডাল চুলিকে বান্ধি গৰাকী বিচাৰিব পাৰে, কিন্তু এপুৰীয়া সেন্দুৰৰ যোৰ ফোঁট লৈ ৰমকজমক হোৱা গৰাকী সততে সকলোৰে চকুত পৰে। ভৱিষ্যত সংসাৰৰ সুৱদি সপোনেৰে সেয়েহে ডেকাই নিজকে কৃষি কৰ্মত ৰত থাকি, গামোচা ব'বলৈ তাঁতশালো পাতি দিয়াৰ প্ৰতিশ্ৰুতি। তাতেই বিমল সন্তুষ্টি। কল্পনাৰো শেষ নাই। ফেঁচাৰ কুৰুলিত তৰুণৰ তন্দ্ৰালস দুচকুৰ মায়াজাল আঁতৰে— "পৰে পৰে মনত পৰে।" উৰণীয়া চৰায়েও যোৰ পাতি উৰা দেখি আক্ষেপ উপজে। জুই লগা চকুত আকৌ চাবলৈ বিচজৰা হেঁপাহ কৰাজনক নেদেখি জীৱন অসাৰ বোধ হয়। আৰু কত কি? মনটো তামোলটো নহয় ফালি দেখুৱাবলৈ। লুইত, দিখৌ, দিচাং, কাকডোঙা, ধনশিৰি আদি নদীবোৰে এই গীত-মাতবোৰৰ মাজতে জুমুৰি দি ধৰিছে। সমাজ জীৱনৰ, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, ধ্যান-ধাৰণা আৰু জীৱন নিৰ্বাহ প্ৰণালীৰ এশ এবুৰি বিষয় সামৰি এইবোৰ বিয়পি আছে ব্যক্তিৰ পৰা নৈৰ্ব্যক্তিকলৈ উত্তৰণ ঘটি লোকজীৱনৰ কোঁহে কোঁহে এইবোৰ পৰিব্যাপ্ত-সজীৱ-সতেজ ৰূপত। উদাহৰণৰ অন্ত পেলাব নোৱাৰি। জাতীয় জীৱনত ই মাথোঁ অনুভৱ সাপেক্ষ। সৃষ্টিৰ বন্যা বিধৌত হৃদয়-বসুধাত সমাহিত জীৱন বোধে ৰূপ পায়, যাৰ স্ফুৰণ পৰশে পৰশি যায় মহান সাত্যি কৰ্মকো। এটা মাথোঁ উদাহৰণ- তলৰ দুটি পংক্তি লক্ষ্য কৰিলেই বুজা যাব। মূল ভাগৱত পুৰাণত পাবলৈ নোহোৱা মহাপুৰুষ শংকৰদেৱৰ কেলিগোপাল নাটৰ শেষৰ আগৰ গীতটিৰ এটি পংক্তি—

"কুকুৰা আৰাবয় জানি ৰজনী শেষ
তাহাকু শপয় পুত মাথে।
আজু বৈৰিণী নিশি নিমিষেকে পুহাৱলি
হামাকু তেজয় প্ৰাণ নাথে।"

ৰাসক্ৰীড়াৰ অন্তত কৃষ্ণপ্ৰেম অনুৰক্তা গোপীসকলক ঘূৰি ঘৰলৈ যাবলৈ কোৱাত আসন্ন বিৰহকাতৰা গোপীৰ এই উক্তি। ইয়াৰ লগত অদ্ভুত সাদৃশ্য থকা বিহুনাম ফাঁকি—

"কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিমে তোক।
ৰাতি নৌ পুৱাওঁতেই কিয় ডাকে দিলি
ধনে এৰি যায় মোক।।"

এই ধন আমাৰ বুকুৰ সেই ধন; সেই আঁচলৰ ধনো এৰি দিব নোৱাৰি। আমাৰ সংস্কৃতিৰ বৰঘৰৰ আটাইতকৈ ডাঙৰ পেৰাটোৰ ই যে এক আপুৰুগীয়া ধন। ইয়াৰ ৰক্ষাকাৰী, সাঁচতীয়া এই ধন প্ৰৱৰ্তন প্ৰচলনকাৰীসকললৈ সেয়েহে আমাৰো আশীৰ্বাদ শুভেচ্ছা—

"চেনাই তই কুশলে থাক।' ■

ব'হাগ আহিলে বুলি

অনিল বৰা

আহা ! কি সুন্দৰ এই ব'হাগ
কি যে মায়াবী তাৰ লাৱণী দুখনি হাত !!

হীৰেণ ভট্টাচাৰ্য্য

ব'হাগ ! সোণোৱালী, সুন্দৰ, অপৰূপা ব'হাগ। এই ব'হাগ আগমনৰ বতৰা দিয়ে ফাগুনে। উদ্ধত অবাধ্য ফাগুন। নত্ব বিধিৰ বিধি নমনা অবাধ্য এই ফাগুণে গছৰ শুকান পাতত চিঠি লিখি খিৰিকিৰে বিলাই ব'হাগ অহাৰ বতৰা দিয়ে।

এই বতৰা পাই সকলোৱে মনত উখল-মাখল লাগে। নৈসৰ্গ সাজু হয় ব'হাগক উষ্ণ আদৰণি জনাবলৈ। ৰিমৃজিম এজাক দুজাক বৰষুণে ফুল গছত টুকৰ দি টোপনিৰ পৰা জগাই দিয়ে। সাৰ পাই উঠে বিভিন্ন প্ৰজাতিৰ বিচিত্ৰ ৰঙৰ ফুল। গোলাপ, তগৰ, খৰিকাজাই, কপৌ ভাটৌ, চম্পা, হাচনাহানা, নাহৰ, পলাশ, কৃষ্ণচূড়া, সোণাৰু, এজাৰ আৰু চাম কত ফুল ! বগা, ৰঙা, হালধীয়া, নীলা, ফুটুকা-ফুটুকী। কুলি, কেতেকী, হেটুলুকা, মাখিয়তী আদি বিভিন্ন চৰাই নতুন উছাহেৰে বৃন্দগান গাই ব'হাগক আদৰণি জনাবলৈ ওলাই আহে। কল কল শব্দৰে নৈ নিজৰাই ব'হাগৰ চৰণ পখালি আদৰিবলৈ পাহাৰৰ পৰা নামি আহে। ব'হাগক আদৰিবলৈ গছ লতা বন সেউজীয়া আৱৰণেৰে সাজি কাচি সাজু হয়। ফাগুনৰ পচোৱাই গছৰ পৰা শুকান পাতবোৰ উৰোৱাই আঁতৰাই লৈ যায়। চৰাইবোৰে ডালত পৰি গীত জুৰে। গীত শুনি ডালে ডালে কুঁহি পাত মেলে!

শুকান বতাহ জাকে
পাতবোৰ উৰুৱাই নিয়ে।

ৰাংঢালি চৰাইবোৰে গছৰ ডালত পৰি নাচে,
জুনুকাৰ জুন জুননিত
সাৰ পায় কুঁহি পাতে।

ফাগুনৰ গান ঃ হীৰেণ ভট্টাচাৰ্য্য

ব'হাগে খোপাত কপৌ ফুল গুজি লয়। ফুলবিলাকে দিয়া আতৰ ব'হাগে গাত চতিয়াই লয়। সুগন্ধী সুবাসেৰে আকাশ বতাহ আমোল-মোলায়।

সোণবৰণীয়া সোণাৰু আৰু সেন্দুৰবুলীয়া কৃষ্ণচূড়া আৰু মদাৰে আদৰণী তোৰণ সাজে।

এই তোৰণৰ মাজেৰে ব'হাগ আহে। মুখৰিত হয় আকাশ চৰাইৰ বৃন্দ গানেৰে। মিচিকি হাঁহিৰে জিলিকি উঠে সোণোৱালী ব'হাগ ঃ

'শিৰৰ সেন্দুৰেৰে সুন্দৰ
আকাশৰ মুখত জিলিক উঠিছে
সোণোৱালী ব'হাগ'

হীৰেণ ভট্টাচাৰ্য্য

তেজ ৰঙা সাজ পৰিধান কৰি শিমলু-মদাৰো ব'হাগীক স্বাগতম জনাবলৈ আগবাঢ়ি আহে। শিমলুয়ে বৰফৰ কণাৰ দৰে তুলাবোৰ সিঁচি দিয়ে দুবৰি বনৰ আস্তৰণৰ ওপৰত। তুলাবোৰ মুকুতা মণিৰ দৰে পুৱা জিলিকি উঠে। হীৰেণ ভট্টাচাৰ্য্যই গাইছে ঃ

শিমলুৰ সেই ৰঙা পাহিত
তুমি আহি মাৰিলা হাঁহি

হাঁহি নে বাঁহীৰ খলকনিত
উৰি গুচি গ'ল এজোলা তুলা
দুপৰৰ এই বননিত
তুমি বাৰু কেনেকৈ শুলা?

ব'হাগৰ নীলাকাশ। নীলাকাশৰ তলত, দিনান্তৰ ছাঁত কুলি কেতেকীয়ে সুৰদী কণ্ঠেৰে সুমধুৰ গান গাই পৰিৱেশ গীতি মুখৰ কৰি ৰাখে।

নীল তম্বুটোৰ তল ভৰি মুগ্ধ নিস্তব্ধতা, দিনান্তৰ ছাঁত,
কুলি-কেতেকীৰ চনকা মাত।

হীৰেণ ভট্টাচাৰ্য্য

নীলাকাশৰ বাতি ৰং সলনি কৰে। ডবাপিতা বৰষুণ দিয়ে। গছৰ শিপালৈকে বৰষুণৰ পানী যায়।

বৰষুণ দিয়ে। কিন্তু দিও বুলিয়েই বৰষুণ নিদিয়ে। বৰষুণ দিবলৈ আখৰা কৰে। দিও নিদিও কৰে। হোহকা পিছলা কৰে। বৰষুণ দিবলৈ আহিও ডাৱৰবোৰ কোনোবাফালে গুচি যায়। আকাশখনে পোহাৰী চুপতি মাৰে ঃ

আজি ৰাতিপুৱাৰ পৰা
আকাশখনে পোহাৰী চুপতি মাৰি আছে।
পিঠিয়ে পিঠিয়ে লাগি থকা লৰামতীয়া ডাৱৰবোৰে
বৰষুণ দিও দিও কৰি দূৰলৈ উৰি গৈছে।

হীৰেণ ভট্টাচাৰ্য্য

বৰষুণ দিয়াৰ আগতে ডাৱৰবোৰ বনৰীয়া ম'হজাকৰ দৰে ইফালে সিফালে ঘূৰি ফুৰে। বনৰীয়া ম'হজাকৰ দৰে ডাৱৰবোৰ ইফালে সিফালে ঘূৰি ফুৰা দেখি অনুমান হয় যেন এতিয়াই বৰষুণ ধাৰসাৰে নামি আহি ৰোৱনী পথাৰ ওপচাই পেলাব ঃ

ওহাৰ নমাই বনৰীয়া ম'হজাকৰ দৰে ডাৱৰবোৰে
জাকপাতি আকাশত চৰি ফুৰিছে
এতিয়াই গা-মূৰি দি যেন কলহে
কলহে পানীৰে তিয়াই দিবহি

ৰোৱনী পথাৰৰ ব'দ পিছলি পৰা বহল পিঠি

হীৰেণ ভট্টাচাৰ্য্য

অৱশেষত নামি আহে বৰষুণ। উপচি পৰে দিচাং দিখৌ দিক্রং দৈয়াং। বৰষুণ জাকত বাৰীৰ ঢাপৰ সেউতীজোপা সেউজীয়া হৈ যায়। সেউতীজোপাত কলি মেলে ঃ

বাৰীৰ ঢাপৰ সেউতীজোপা কলিয়াইছে
এজাক বৰষুণতে গোটেই গছজোপা সেউজীয়া হৈ পৰিল

বন বিৰিখৰ গান ঃ হীৰেণ ভট্টাচাৰ্য্য

ডাৱৰে ডম্বৰু বজাই বৰষুণ দিয়াৰ পাছত ঢোলত বুঢ়াচাপৰ মাৰি কোনোবা ফুলপানী ছিগাৰ ঢুলীয়াবোৰ জাকপাতি আলি মূৰলৈ ওলাই আহে। বনে বিৰিখে ডেও দি থকা হেটুলুকা, পাটসিৰা, বাঢ়েটোকা আদি ৰং-বিৰঙৰ চৰাইবোৰ ঢোলৰ চাপৰ শুনি ভুকুংকৈ উৰি থিতাতে কোনোবাখন পায়গৈ। সিহঁত উৰি ফুৰে জাকে জাকে হাবিৰ ওপৰত চতিয়াচতি কৰি।

এনেকৈয়ে ব'হাগ আহে।

ব'হাগৰ আকাশ বতাহ কুলি-কেতেকীৰ কাকলিৰে, জাত জাত বিহু নামেৰে মুখৰিত হয়। এই ব'হাগতে গান গোন্ধ হৈ উৰেঃ

বছৰৰ এটা সময়ত
গান-গোন্ধ হৈ উৰে
বতাহ খেদি যায়
আকাশ খামুচি
ধৰিব খোজে

ব'হাগ ঃ নীলমণি ফুকন

উৰি ফুৰা গান শুনি সময় উচপ খায় সাৰ পাই টোপনিৰ পৰা উচপ খাই সোধে—এইবোৰ ক'ৰ গান?

সময়ে উচপ খালে
এইবোৰ ক'ৰ গান?

প্ৰফুল্ল ভূঞা

সৰু সৰু গাঁওবোৰ পাণ চঞ্চল হৈ উঠে।

ঢোল টকা, গগনা পেঁপাৰ মাতেৰে হয় মুখৰ ঃ

সৰু সৰু গাঁওবোৰ প্ৰাণেৰে উপচি গ'ল

আৰু তাৰ সৰু সৰু প্ৰাণবোৰ

আনন্দত ফুল হ'ল ব'হাগৰ ফুল

পথাৰ মুখৰ হ'ল

বিহুনাম টকা আৰু পেঁপাৰ মাতত

প্ৰফুল্ল ভুঞা

নীলা, বগা, ৰঙা, হালধীয়া, ফুটুকা-ফুটুকি ৰঙৰ ফুলেৰে ৰমক জমক ব'হাগ যৌৱনময়ী হয়। যৌৱনময়ী ব'হাগ হয় অপৰূপা। যৌৱন মানেইতো সৌন্দৰ্য। ডি, এইচ্, লৰেঞ্চে কৈছিল। গোলাপ গছ দেখিবলৈ সুন্দৰনহয়। কিন্তু গোলাপ ফুলপাহ ফুলি ওপৰলৈ অহাৰ লগে লগেই গোলাপ ফুল গছজোপা সুন্দৰ হয়। সেইদৰে যৌৱন মুখলৈ আহিলে সকলো সুন্দৰ হয়।

অপৰূপা ব'হাগৰ সৌন্দৰ্যত সকলো মোহিত হয়, সকলোকে প্ৰাণ চঞ্চল কৰি তোলে। আনন্দ উলাহেৰে সকলোৰে মন ওপচি পৰে। ডালে ডালে উলাহত জপিয়াই ফুৰা কুলি-কেতেকীয়ে কণ্ঠত মেট ঢালি গীত জুৰে। কুলিয়ে গীত গাই সকলোকে ব'হাগ অহাৰ বতৰা দিয়ে ঃ

কুলিয়ে গীত গাই গঞাক ৰিঙিয়াই

বিহু আহিল তোৰ,

ৰুদ্ৰ বৰুৱা

বিহু আহে। বিহু নাহিলে, পাতো বুলি বিহু পাতিব নোৱাৰে। বিহু ব'হাগত আহি ব'হাগৰ শেষত গুচি যায়। অগ্নি কবি প্ৰসন্ন লাল চৌধাৰীক এবাৰ সোধা হৈছিল—ককা বিহু পাতিছে নে? তেওঁ বিহু আহে। বিহু নাহিলে বিহু পাতিব নোৱাৰি। জেঠ মাহত বিহু পাতিব নোৱাৰি। গৰমলৈ বিহু নাথাকে। বিহু গুচি যায়গৈ।

বিহু আহে চৰাইৰ মাতত, নপানীৰ সোঁতত, ফুলৰ সুবাসত। ন পানী নাহিলে, নাহৰ ফুল নুফুলিলে বিহু নাহে, বিহু যেন গাত নালাগে ঃ

ন পানী অহা নাই নাহৰ ফুল ফুলা নাই

বিহু বিহু লগা নাই গাত।

কিন্তু ন পানী বাঢ়ি, নাহৰ ফুল ফুলি, কুলি কেতেকীয়ে মাতি যেতিয়া ব'হাগ বিহুৰ অহাৰ সংবাদ দিয়ে, তেতিয়া ডেকা-গাভৰু সকলো সাজি কাচি সাজু হয়। গাভৰুহঁতে প্ৰিয়জনক আৰু আত্মীয়জনক দিবলৈ গামোচা ব'বলৈ তাঁতশালত বহে। কিন্তু তেওঁলোকৰ মন নবহে। দোৰপতি থৰক-বৰক কৰে, মাঁকো সৰি সৰি পৰে। তেওঁলোকৰ চকু আলিবাটত, কিজানি প্ৰাণৰ আপোনজন আহে। সেয়ে কোনোবাজনে এই কথা প্ৰত্যক্ষ কৰি কয় ঃ

ব'হাগী অ' তোমাৰ নাম

তুমি আমাৰ দেহাজান

ব'হানো তাঁতৰ পাতত

চকুনো আলিবাটত

মাঁকোনো সৰি সৰি

মাঁকোনো সৰি সৰি পৰে

ব'হাগৰ বিহুতে প্ৰিয়জন নাহিবনে? মন উচপিচ কৰে। সৰি সৰি পৰা মাঁকোটো বুটলি প্ৰিয়জনক দিবলৈ বিহুৱান বৈ উলিয়ায়। মৰমৰ দীঘে দি/ চেনেহৰ বাণি লৈ বৈ/ হেঁপাহৰ আচুৰে বোৱা বিহুৱানখনলৈ অপেক্ষা কৰে বুকুৰ ধন অহালৈ। বৈ বৈ থাকি নহা দেখি গগণাতে মঙ্গলখন চায় আহিব নে নাই জীৱনৰ ধন।

আহে কি নাহে ঐ মোৰ ধন চেনাই ঐ

চিৰি পাতি মঙ্গলখন চাওঁ।

আহিব নে নাহে বুলি চিন্তা কৰি থাকোতে শৰীৰ শুকাই যায়, কামত মন নবহে, মুখলৈ নিয়া ভাত উভতি যায়।

তৌলৈ চিন্তা কৰি শৰীলটো শুকালে

কামলে মনতে নাই,

ভাতৰ পাতত বহি মনতে ঐ পৰিলে

মুখৰ ভাত উভতি যায়।

প্ৰিয়জনক লগ নোপোৱালৈকে, বিহুৱানখন দিবলৈ নোপোৱালৈকে একোতে মন নবহে গাভৰুৰ। দীঘলী বজাৰৰ পৰা অনা পাভ মাছ খৰিছা টেঙা দি ৰন্ধা আঞ্জাখন খাবলৈ

ভাল। কিন্তু ভাতৰ পাতত বহি বুকুৰ ধনটোলৈ মনত পৰাৰ লগে লগে ভাতৰ পাততে কান্দে গাভৰুৱে। গাভৰুক একোকে নালাগে। কেতেকী, মালতী, পদুমৰ চকা একোকে নালাগে, লাগে মাথো হিয়াৰ ফুলনিত ফুলা ফুল পাহ।

কেতেকী নালাগে　মালতী নালাগে
নেলাগে পদুমৰ চকা
হিয়াৰে ফুলনিত　যি ফুল ফুলিলে
তাৰে ঐ এপাহি দিয়া।

অৱশেষত, নদীৰ ঘাটত গুপুতে লগ ধৰি মৰমৰ দীঘ দি, চেনেহৰে বাণি দি হিয়াৰ আচুৰে বোৱা বিহুৱানখন বুকুৰ ধনক দিয়ে। বিহুৱানখনে বুকুৰ ধনৰ কাণে কাণে যে কত কথা কয়!

কুলি-কেতেকীৰ মাতত ব'হাগ আহিলে বুলি জানি মনৰ উছাহতে ডেকাসকল ঢোল, পেঁপা, টকা, গগণাৰ মাত শুনি ডেকা-গাভৰুৰ মন সাতখন আঠখন কৰে।

টকাৰ সৰু সৰু মাত শুনি পেটৰ ভাত এৰি ডেকা-গাভৰু ঢাপলি মেলি যায় পথাৰলৈ। ম'হৰ কলীয়া শিঙৰ পেঁপাটোৰ বলীয়া সুৰে মানুহৰ মনত, বিশেষকৈ নৱ যৌৱনা ডেকা-গাভৰুৰ মনত মাদকতাৰ সৃষ্টি কৰে। প্ৰিয়াৰ চকুলৈ চাই কথা পাতিবলৈ সুযোগ নোপোৱা ডেকাসকলে পেঁপাটোৰ বলিয়া সুৰৰ মাজত বুকুৰ হুমুনিয়াহ ঢালি দি টিহিটি টিহিটিকৈ পেঁপা বজায়। সেই বলিয়া সুৰে সকলোকে উতলা কৰে। সেই মাত শুনি হাতৰ কাম সৰি পৰে।

ম'হৰ শিঙৰ পেঁপাটি　নবজাবি ককাইটি
মোৰ মন উৰুঙা কৰে;
পেঁপাৰ মাত শুনি　ৰ'বকৈ নোৱাৰি
হাতৰ বন সৰি পৰে।

ঢোল বিহুৰ অবিচ্ছেদ্য অংগ। ঢুলীয়া ঢোলত চাপৰ মৰাৰ লগে লগে নাচনীবিলাকে বঢ়া ভাত এৰি এপাক নাচিবলৈ ঢাপলি মেলে ঃ

ঢোলত চাপৰ মাৰি　ঢুলীয়া ওলালে
বহি বৈ আছিলো তাঁত;
টোপোলাৰ সেন্দুৰ　টোপোলাটেত থাকিলে
খাবলৈ নহ'ল ভাত।

নাচনীয়ে নাচি নাচি গোপনে ঢুলীয়াৰ চকুলৈ চাই চাই মনৰ মাজত আমনি দিয়া কথাবোৰ কোনেও নুশুনা ভাষাৰে প্ৰকাশ কৰে। এই দৃশ্য লগৰীয়াৰ চকুত নপৰাকৈ নাথাকে ঃ

নাচি থকা নাচনী
কিহে কৰে আমনি
কিহত পৰি পিছলে পাৰ
ঢুলীয়াৰ মুখলৈ কিয় চাৱ কাটিকৈ
ছেও জনাৰ ধৰি লৈ ভাও।

ৰুদ্ৰ বৰুৱা

প্ৰেমিক-প্ৰেমিকাই মাজ নিশাও বিহু তলিৰ পৰা গোপনে আঁতৰি গৈ নিৰ্জন ঠাইত বহি ইজনে সিজনৰ চকুলৈ চাই দেহা শাত কৰে।

তুমি চাবা আমালৈ আমি চাম তোমালৈ
দেহাটি পৰিব শাত।

ব'হাগ আহিলে সকলো আনন্দত মতলীয়া হৈ থাকে। গোটেই মাহটোয়ে আনন্দ উলাহত যায়। কিন্তু ব'হাগ বৈ নাথাকে। ব'হাগ গুচি যায়। কুলি-কেতেকী আকৌ গছৰ পাতৰ মাজত লুকাই পৰে। সকলোৰে মন তেতিয়া জয় পৰে। বিহু বিহু আৰু নালাগে গাত। নাচনীৰ মন মৰি যায়।

ব'হাগী গ'লৈগে বুলি ঐ
আকাশখন বাউল হ'ল অ'
মৰিলে নাচনীৰ মনে

ৰুদ্ৰ বৰুৱা

বছৰে বছৰে ব'হাগ আহে। সকলোৰে মন মতলীয়া হয়।

চিৰাচিৰিত প্ৰথাৰে আকৌ গুচি যায়। সকলোৰে মন বিষণ্ণ হয়।

ব'হাগ সৃষ্টিৰ জড়ায়ু।
ব'হাগ আহক সকলোৰে জীৱনলৈ। ■

নাহৰ ফুলাৰ বতৰত

ড° পুণ্য বৰা

চ'ত মাহত, নাহৰ ফুল ফুলাৰ বতৰত, ডেকা-গাভৰুৰ দেহ-প্ৰাণত, দেওধনি উঠাৰ বতৰত, কুলিৰ মাতত, ঠেকেছি যঁতৰ ভঙাৰ বতৰত বিহুটো আদৰিবলৈ তাহানি গাভৰু ছোৱালীহঁতে ৰাতি বিহু পাতিছিল। গছ তলত বিহু মাৰিছিল। বৰগছ বা কলাজামুকৰ তলৰ মুকলি পথাৰত ঢোল-পেঁপা-গগণাৰ মন ৰাইজাই কৰা ঐক্য তানত হিয়াত জাগি উঠে বিপুল উলাহ আৰু অপৰিসীম আনন্দৰ অনাবিল জোঁৱাৰ।

বিহু আনন্দিয়া বিহু বিনন্দীয়া
বিহু আমাৰ অমাতৰ মাত,
বিহুৰ বা লাগি ৰ'বকৈ নোৱাৰো
দেওধনি লাগিছে গাত।।

এপৰ দুপৰ কৰি নিশা পাৰে হ'ব
আমাৰ বিহুত আমনি নাই,
নিশা পৰে পৰে ফেঁচাই কুৰুলিয়াই
আমাৰ বিহু ভাঙোতা নাই।।

ৰাতি বিহু বা গছ-তলৰ গাভৰু বিহুৰ প্ৰধান বাদ্য আছিল বাঁহৰ সৰু সৰু টকা, গগণা আৰু হাত-চাপৰি।

টকাৰ সৰু সৰু মাতে ঐ লগৰী
টকাৰ সৰু সৰু মাত
টকাৰ মাতে শুনি ৰ'ব মই নোৱাৰো
এৰি যাঁও পেটৰে ভাত।।

বিহু নামৰ জাতৰ লগত টকা আৰু হাত-চাপৰিৰে গাভৰুৰ দেহ আৰু প্ৰাণত এক অনবদ্য মৃদু শিহৰণ তোলে।

আমাৰে নাচনী কোনে ঐ লগৰী
আমাৰে নাচনী কোন?
আমাৰে নাচনী আমাৰ সৰুভনী
যেন পূৰ্ণিমাৰ জোন।।

এটা সময় আছিল ডেকা-গাভৰুৱে মুকলি পথাৰত, গছৰ তলত ওচৰা-ওচৰিকৈ বিহু মাৰিছিল।

আজি বিহু বিহু কালি বিহু বিহু,
নাহৰ ফুল ফুলিবৰ বতৰ
বিহুৰে তলিতে ঢোলৰ মাত শুনিলো
ভাঙি থৈ আহিলো যঁতৰ।।

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাঁকো।
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।।

বিহু মাৰি থাকিবৰ মনে ঐ বহনা
বিহু মাৰি থাকিবৰ মন,
বিহু মাৰি থাকোঁতে পলুৱাই নিনিবা
ভৰিব লাগিব ধন।।

ম'হৰ শিঙৰ পেঁপাটি বজাই দিয়া চেনাইটি
তেহে শুনিবলৈ ভাল
লাহেকৈ নেবাবি খৰেকৈ নেবাবি
তেহে নাচিবলৈ ভাল।

বিহু কেৱল গছত নাহৰ ফুল ফুলাৰ বতৰেই নহয়। ডেকা-গাভৰুৰ দেহ আৰু প্ৰাণতো নাহৰ ফুল-ফুলিবৰ বতৰ। ডেকাই ঢোল-পেঁপাৰে আৰু গাভৰু নাচনীয়ে কঁকাল ভাঙি

ভাঙি হিয়া উদঙাই নাচি পৃথিৱীক শস্য-শ্যামলা হোৱাৰ সপোন বুটলে বিহু তলিত। এই বিহুৰে অন্য নাম মুকলি বিহু।

প্ৰথমে প্ৰণামো আই সৰস্বতী
দ্বিতীয় প্ৰণামো হৰি
তৃতীয় প্ৰণামো গাঁৱৰ বুঢ়া-মেথা
ধৰি যাওঁ নামৰে গুৰি।।

মুকলি বিহুত ডেকা-গাভৰুৱে যোৱা নামেৰে বিহু তলিৰ সৌষ্ঠৱতা বৃদ্ধি কৰে।

ডেকা ঃ- হায় ঐ—

থুৰিয়াই কাটিলো তামোল তিনিখনি
নুৰিয়াই বান্ধিলো পাণ
পথাৰে পথাৰে বিচাৰি ফুৰিলো
কতে দাই আছিলা ধান।
কোনে আনি দিব নৈৰ পানীটুপী
কোনে ৰান্ধি দিব ভাত
নৰিয়া পৰিলে কোনে বেথা লগাব
কোনে দিব চেনেহৰ মাত।।
হালৰে বেচিমে কলাকৈ কপিলা
গোহালিৰ বেচিম গাই
তেওঁ যদি ধনেৰে যোৱাব নোৱাৰো
বেছিম মই চেনেহৰ ভাই।।

গাভৰু ঃ- দেহি ঐ

থুৰিয়াই কটা নাই তামোল তিনিখনি
নুৰিয়াই বন্ধা নাই পাণ
পথাৰে পথাৰে বিচাৰি ফুৰা নাই
দলনিত দাইছিলো ধান।।
ময়ে আনি দিমে নৈৰ পানীটোপী
ময়ে ৰান্ধি দিমে ভাত
নৰিয়া পৰিলে চাইনো থই আহিম গৈ
ময়ে দিম চেনেহৰ মাত।।
হালৰে বেচিবা কলাকৈ কপিলা
গোহালিৰ বেচিবা গাই
চেনেহৰ ভাইকে বেচিব নালাগে
সাৰথি পাবলৈ নাই।।

আৱহমান কালৰে পৰা চলি অহা এই গছতলৰ মুকলি বিহুক ৰাজকীয় মৰ্যাদাৰ বটা-বাহনেৰে মঞ্চলৈ আদৰি আনে আহোম ৰাজ্যৰ অন্যতম খনিকৰ সাংস্কৃতিক পৃষ্ঠপোষক ৰুদ্ৰসিংহ স্বৰ্গদেৱে। ৰাজকীয় মৰ্যাদাৰে গছতলৰ মুকলি পথাৰৰ বিহুক ৰংঘৰৰ বাকৰিলৈ আনি বিহু উৎসৱক এক সাৰ্বজনীন ৰূপ প্ৰদান কৰাৰ লগে লগে বিহুৰ মঞ্চৰূপৰ পাতনি হ'ল বুলি অভিহিত কৰিব পাৰি। ৰংঘৰৰ বাকৰিত গাভৰু বিহু, ডেকা বিহু আৰু মিৰি বিহু ভাগে ভাগে অনুষ্ঠিত হোৱাৰ বতৰা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈদেৱে তেখেতৰ ৰঙ্গিলী উপন্যাসত উল্লেখ কৰিছে। 'সৎৰাম চাৰিঙ্গীয়া ফুকনক ওচৰ চপাইলৈ ৰজাই সুধিলে—'সখি আজিনো কি তামচা হ'ব? কোনটো আগ কোনটো বা পিছে হ'ব? সৎৰাম-স্বৰ্গদেও' ঈশ্বৰ প্ৰথমতে গাভৰুহঁতৰ বিহু হওক। তাৰ পাছত ডেকাহঁতৰ বিহু। তাৰ পাছত মিৰিৰ (মিচিং) বিহু।

অতি চেনেহৰে মুগাৰে মহুৰা
অতি চেনেহৰে মাকোঁ
তাতোকৈ চেনেহৰ ৰঙালী বিহুটি
নেপাতি কেনেকৈ থাকো।
ঢোলেটি বাবৰে তিনিটি আঙুলি
মাজৰে আঙুলি লৰে
আমাৰে নাচনী নাচিবলৈ ধৰিলে
পখিলা উৰাদি উৰে।
চৰাইৰ চিকুন তেলিয়া সাৰেং ঐ
মাছৰে চিকুন মালি
স্বৰ্গদেওৰ চিকুন কেকোঁৰা দোলাখন
শুৱায় গজেপুৰৰ আলি।

গছ তলৰ বিহুৱা আহি ৰংঘৰৰ বাকৰিত ঢোলৰ চাপৰত

নাচনীৰ গাত দেওধ্বনি তুলিলে। ৰংঘৰৰ বিহু তলিত নাচনী নচুৱাই বঁটা দিয়াৰ ব্যৱস্থাও কৰিছিল।

দেও দি উজালে দেও দৰিকণা
জাকি মাৰি ওলালে মোৱা,
বিহু তলিৰ নাচনী জাকি মাৰি ওলালে
বিহুৱাৰ মাজৰে পৰা।
ঢোলৰ চেৱে ধৰি বাবি ঐ ঢুলীয়া
ঢোলৰ চেৱে ধৰি বাবি
খৰেকৈ নেবাবি উদাকৈ নেবাবি
নাচনীৰ চেৱতে বাবি।

কণী যুঁজ ব'হাগ বিহুৰ এক অন্যতম অংগ। কণী হৈছে প্ৰজননৰ প্ৰতীক। কণী যুঁজৰ লগত লোকাচাৰো নিহিত হৈ আছে। ব'হাগ মাহত কণী যুঁজত অংশগ্ৰহণ নকৰা খেতিয়কে খেতি কৰিলে পথাৰত শস্য উভৈনদী নহয় বুলি লোকে বিশ্বাস কৰে। আকৌ গৰু বিহুৰ দিনা গা-পা ধুই কণী নোযোঁজালে পুৰুষৰ পুৰুষত্ব নাথাকে বুলি কোৱা হয়। সেয়েহে ব'হাগ বিহুত বুঢ়া, ডেকা সকলোৱে কণী যুঁজত অংশগ্ৰহণ কৰে।

হুঁচৰি, ব'হাগ বিহুৰ এক অপৰিহাৰ্য আনুসঙ্গিক অনুষ্ঠান। আহোম যুগৰ ৰজা ডা-ডাঙৰীয়াৰ আমোলত হুঁচৰি পদূলিমূৰৰ পৰা আহি চোতাল পালেহি। বছেৰেকৰ বিহুৰ দিনা প্ৰজাই ৰজাক ঘৰতে আশীৰ্বাদ দিবলৈ হুঁচৰি গায়। ৰজাইও ৰাইজেই ৰজা বুলি প্ৰজাক সেৱা কৰে। কালক্ৰমত হুঁচৰি সমাজৰ ঘৰে ঘৰে বিয়পি পৰিল। আহোম স্বৰ্গদেৱে বাছকবনিয়া বিহুৱা দলক ৰংঘৰৰ চোতাললৈ আমন্ত্ৰণ কৰি আনি ৰাজকীয় মৰ্যাদা প্ৰদান কৰিছিল।

গাঁৱৰ জ্যেষ্ঠজনৰ চোতালতে প্ৰথমে হুঁচৰি পৰিৱেশন কৰা পৰম্পৰা। গৃহস্থৰ মঙ্গল কামনা কৰি হৰিধ্বনিৰে হুঁচৰি আৰম্ভ কৰি গীত-নৃত্য-বাদ্যৰে গৃহস্থৰ চোতাল মুখৰিত হৈ উঠে। গৃহস্থই অৰিহণা, ফুলাম বিহুৱান আৰু গুৱা-পানেৰে বিহুৱা দলক সেৱা কৰে। বিহুৱা দলে মূৰৰ চুলি চিঙি গৃহস্থক আশীৰ্বাদ দি হুঁচৰি সামৰণি মাৰে।

গছ তলৰ বিহু, চোতালৰ বিহুৰ পৰাই যাত্ৰা আৰম্ভ হ'ল মঞ্চ বিহুৰ। গছ তলৰ পৰা মঞ্চলৈ বিহু আগমন হৈছে সময়ৰ দাবীত। বৰ্তমান ব'হাগ বিহু মানেই মঞ্চবিহু। বৰ্তমান শদিয়াৰ পৰা ধুবুৰীলৈ অসমৰ নগৰে-চহৰে, গাঁৱে ভূঞে কেৱল মঞ্চবিহুৰ উখল-মাখল। ঢোল-পেঁপা-গগণাই অসমৰ আকাশ-বতাহ এপৰ নিশালৈ মঞ্চবিহুৰে মুখৰিত কৰি ৰাখে। জেংবিহু মঞ্চ বিহুৰ নৱ-সংযোজনৰূপে অভিহিত কৰিব পাৰি। পুৰণি গছতলৰ গাভৰু বিহুৰ ই হৈছে নতুন নামকৰণ মাত্ৰ। গছ তলত বিহু মাৰোতে গাভৰুসকলে জেঙেৰে এটা বেহু তৈয়াৰ কৰি লোৱাৰ এক পৰম্পৰা আছিল। য'ত পুৰুষ বা ডেকাৰ প্ৰৱেশ নিষিদ্ধ আছিল। মঞ্চত জেঙৰ বিহু সম্ভৱ নহয় যদিও গছৰ প্ৰতীক গছৰ ডাল এটাত বিহুৱান বৰ্তমানে আৰি জেংবিহু পৰিৱেশন কৰা হয়।■

বিহুনাচৰ ঐতিহ্য আৰু বিহু এক সমীক্ষা

ড° ধৰ্মেশ্বৰ সোণোৱাল

অসম আৰ্য্য-অনাৰ্য্যসকলৰ সংস্কৃতিৰ এক বিৰাট মিলন ক্ষেত্ৰ। এই সংমিশ্ৰিত আৰ্য্য-অনাৰ্য্য জাতি-জনগোষ্ঠীৰ মিলনেহে সৃষ্টি কৰিছে বৃহৎ অসমীয়া সমাজ আৰু সংস্কৃতি। এই সংস্কৃতি হৈছে এটা জাতিৰ, গোষ্ঠীৰ জীৱন চক্ৰৰ চৰ্চাৰ, নৃত্যৰ, গীতৰ, ভাষাৰ, সাহিত্যৰ, লোকাচাৰৰ আৰু ৰং-ধেমালিৰ সমাহাৰ, যিয়ে এটা জাতিৰ সু-প্ৰতিষ্ঠিত বৈভৱক জনমানসৰ চকুৰ আগত তুলি ৰাখে আৰু এনেবোৰ, সংস্কৃতি সাহিত্য আৰু কৃষ্টিৰ ওপৰতেই নিৰ্ভৰ কৰে এটা জাতিৰ সভ্যতা।

অসমৰ বাপতি সাহোন বিহু প্ৰকৃততে হৈছে অনাৰ্য্যসকলৰ শিৱৰ নৃত্যৰত ভাৱমূৰ্তি আৰু আৰ্য্যসকললৈ অভিনৱ অৱদান, যিয়ে শেষত গৈ ভাৰতীয়সকলৰ, প্ৰাচীন উচ্চ কলা-নাট্য নাচ ৰূপে প্ৰতিস্থিত হ'ল। শিৱ যিহেতু অনাৰ্য্য দেৱতা সেয়ে দ্ৰাবিড়ীসকল যেতিয়া ভাৰতলৈ আগমন কৰিছিল তেতিয়া দ্ৰাবিড়ীসকলে শিৱক পূজ্য দেৱতা হিচাপে গ্ৰহণ কৰিছিল আৰু শেষলৈ আৰ্য্যসকলে শিৱক আৰ্য্যদেৱতাৰূপে ৰূপান্তৰ কৰি ব্ৰহ্ম-বিষ্ণুৰ লগতে শিৱক সমানে স্থান দিয়ে আৰু শেষলৈ ভাৰতৰ যতেই শিৱ মন্দিৰ স্থাপন হ'ল ত'তেই নাচৰ আৱিৰ্ভাৱ হ'ল। বড়ো-কছাৰী, সোণোৱাল আদিৰ বাথৌ আৰু শিৱ একেজনেই দেৱতা। সেয়ে অতীতৰেপৰা অসমতো শিৱ পূজা চলি আহিছে। শিৱ পূজাৰ কাৰণে সেইসময়ত অসমত নানা ঠাইত শিৱ মন্দিৰ প্ৰতিষ্ঠা হ'ল আৰু তাতে দেৱ-দাসীৰ মাৰ্গীয় নাচৰো সৃষ্টি হ'ল। প্ৰাচীন ভাৰতৰ 'পৃথি পুৰাণত' অসমৰ দেৱ-দাসী নাচ প্ৰথা প্ৰচলৰ কথা উল্লেখ আছে। কিৰাট-কছাৰীসকল শিৱ পূজ্য, এইয়া কিন্তু দানৱৰাজ নৰকাসুৰৰো পূৰ্বৰে কথা। গতিকেই অনাৰ্য্যসকলৰ যুগতেই শিৱ-মন্দিৰ প্ৰতিষ্ঠিত হোৱা নাচৰ আৱিৰ্ভাৱ আৰু প্ৰচলন হোৱাতো স্বতসিদ্ধ কথা। আৰু কালক্ৰমত সময়ৰ সোঁতৰ লগে লগে এই দেৱদাসী নাচৰ উচ্ছেদ ঘটি বিভিন্ন নাচৰ প্ৰকৃতি আৰু নাচনীৰ উৎপত্তি হয়। উল্লেখ থাকে যে সেই সময়তো মাৰ্গীয় নাচনীবোৰে সোণৰ নানা বিধ অলংকাৰ শৰীৰৰ বিভিন্ন অংগত নৃত্য ভেদে পৰিধান কৰিছিল। যেনে—থুৰীয়া, নাকফুলি, মাদুলী, গলপতা, গামখাৰু, কেৰু, জাংফাই কৰধনি, কানফুলি, বিৰি, গোটাখাৰু, বেনা, জোনবিৰি আৰু দুগদুগি ইত্যাদি। বৰ্তমানে নাচনী বা বিহুৱতী নাচনীৰ গাত এই অলংকাৰবোৰে আধুনিকতাৰ ৰূপ পাইছে আৰু অঞ্চল বা ঠাই ভেদে নাচনীৰ সাঁজ-পাৰ আৰু অন্যান্য পৰিধানৰো পৰিৱৰ্তন দেখা গৈছে।

বিহু আমাৰ লোক উৎসৱ য'ত আমি বিভিন্নধৰণে গোষ্ঠীভেদে লোক-নৃত্য, বিহু, বাগৰুম্বা আৰু হুঁচৰি মাৰো। য'ত নৃত্যত তাল, লয়, ছন্দ ইত্যাদি নিহিত হৈ থাকে। এইবোৰ অসমৰ অমূল্য নৃত্য সম্ভাৰ আৰু এই নাচবোৰত ব্যৱহাৰ কৰা বাদ্য যন্ত্ৰবোৰ বিভিন্নধৰণৰ আৰু বিতোপন। এইবোৰ বাদ্যৰ লগত সংগতি খুৱাই গাভৰুৱে গোৱা নামৰ সুৰদি লহৰ আৰু শব্দই সৰলভাৱে চিৰন্তন সত্য প্ৰকাশ কৰে। মন আৰু শৰীৰৰ বলিয়া যৌৱনক তৰাম্বিত কৰি তোলে, ডেকাৰ প্ৰেম উপজে। মুগাৰ-পাটৰ সাজত গাভৰুৰ মনোৰম শাৰীৰিক সৌন্দৰ্য্য, যৌৱনাংগ-প্ৰত্যংগৰ লালায়িত মনোহৰ ভংগী আৰু নাচত পাহুৱাল ডেকাৰ উন্মাদনা মন প্ৰকাশ হৈ পৰে। ঠিক তেনেকৈ এই বসন্ততেই ডেকাৰো শাৰীৰিক সৌন্দৰ্য্যৰ সৌষ্ঠৱ স্বাস্থ্যুই

আৰু অন্যান্য অন্তৰৰ গুণৰ আৰু ৰঙালীৰ আত্মপ্ৰকাশত গাভৰুৰেও বিমোহিত হৈ ডেকাৰ প্ৰেমত পৰে।

সেয়ে ই ধুৰূপ যে ভাৰতৰ মুকুতমণি এই অসমতেই বহুতলোক নৃত্যৰ আৰু নাচৰ জন্ম হ'ল আৰু এই নাচবোৰৰ ওপৰত ভেটি কৰিয়েই বহুত উচ্চমান বিশিষ্ট প্ৰাচীন নৃত্য বা নাচৰো জন্ম হৈছিল। বিহু নাচ খেড়াই, বাগৰুম্বা এনেদৰেই জন্ম হৈছিল। তাৰ পাছতেই তৰঙ্গৰ পিছত তৰঙ্গৰ নাচ, লয়, চন্দৰ উৰ্মিমালাৰ সৃষ্টি কৰিছিল আৰু অবিৰাম গতি চন্দৰ নাচৰ নিজৰাৰ উত্তাল সৃষ্টি হ'ল। প্ৰকৃতিৰ বসন্তই মানুহক উন্মাদনা কৰি তুলি লে। চিৰ যৌৱনা যৌৱনৰ চিৰলগৰী চিৰযৌৱন ডেকা চামৰ তেজ-প্ৰৱাহ উন্মাদিত হৈ জাগি উঠিল। লগে লগে, বসন্তত গছ-লতিকাই, ফুল-ফুলে, সুগন্ধি সুৰভি চাৰিওফালে বিয়পি পৰিল। বতাহতে পেঁপাৰ টিহিটি টিহিটি সুললিত ধ্বনি উঠিল। কণ্ঠইও শুৱলা, সুৰদি স্বৰধ্বনি কৰি আৰু যৌৱনৰ আলাপ-বিলাপৰ ৰেঙণি চাৰিউফালে নিনাদিত কৰি ৰজন-জনাই দিলে। পৃথিৱীত যৌৱনৰ সুৰভি বিয়পি পৰিল লগে লগে বসন্তইও ডেকা বিহুৱাক, কেতেকী, তগৰক খোপাত পিন্ধাই দিবলৈ দিলে কপৌফুল। লগতে কুলিৰ পঞ্চম কু-উৱে আৰু পদুমফুলৰ ওপৰত মৌ-চোহা ভোমোৰাৰ গুঞ্জন ধ্বনিয়ে অসমৰ যৌৱনক আপোন-পাহৰা কৰি তুলিলে আৰু এনে সময়তে কামদেৱ-ৰতিৰ মেলাভূমি, শিৱ-পাৰ্বতীৰ লয়লাস্য তাণ্ডৱৰ লীলাভূমি প্ৰাচীন অসমত জন্ম হ'ল বিহু, বিহুগীত, নৃত্য আৰু নাচৰ। সেয়ে কোৱা হয় পাৰ্বতী লাস্য নৃত্যৰ জন্মদাত্ৰী আৰু শিৱ নটৰাজ নৃত্যৰ আদি দেৱতা। সেয়ে এই বিহু নাচ বা লোকনৃত্য অবিস্মৰণীয় কালৰ অসমৰ থলুৱা নাচ।

অতীত অসমত তিব্বত ধৰ্মীসকলে দুটা উৎসৱ পালন কৰিছিল আৰু এই দুয়োটা উৎসৱ খেতিৰ লগত সমন্ধ আছিল। প্ৰথম উৎসৱটি বৰষাৰ খেতি আৰম্ভ কৰা আগতে নাচ-বাগ কৰি কৃষি-কৰ্মলৈ সাজু হোৱাৰ আগতে আৰু ইয়াকে বসন্ত উৎসৱ আৰু বৰ্তমানৰ ব'হাগী উৎসৱ বা ৰঙালী উৎসৱ আৰু দ্বিতীয় উৎসৱটি খেতি চপোৱাৰ শেষত তেওঁলোকে সকলোৱে মিলি সমজুৱাকৈ খোৱা-লোৱা কৰিছিল আৰু এই উৎসৱটি মাঘ মাহত পালন কৰিছিল যাক বৰ্তমানে মাঘ বিহু বা ভোগালী উৎসৱ বুলি পালন কৰা হয়। ঠিক তেনেকৈ অসমত অতীতত অষ্ট্ৰিকসকলেও এই দুটা উৎসৱ একে সময়তে আৰু একে ঋতুতে পালন কৰিছিল আৰু দুয়োটা উৎসৱেই খেতি বা কৃষিৰ লগত সমন্ধ আছিল।

অষ্ট্ৰিকসকলৰ পিছতেই আলপাইনসকল অসমলৈ আহিছিল আৰু তেওঁলোকেও অসমৰ এই দুয়োটা উৎসৱ নিজৰ কৰি সাৱতি লৈ পালন কৰিছিল। অষ্ট্ৰিকসকলে কিন্তু উৎসৱত নাচ-বাগহে কৰিছিল আৰু এই নাচ-বাগত আলপাইন সকলেহে গীত গোৱা আৰু নচা প্ৰথা প্ৰথমে প্ৰবৰ্তন কৰিছিল লগতে এই বসন্ত উৎসৱৰ লগত, গৰুৰ গা-ধোওৱা, মাহ-হালধি সনা ইত্যাদি প্ৰচলন কৰিছিল আৰু কাতি আঘোণ মাহত লখিমী সবাহ, লখিমী চপোৱা ইত্যাদি উৎসৱো পালন কৰিছিল। কালক্ৰমত তিব্বত মঙ্গোলীয়ান, অষ্ট্ৰিক আৰু আলপাইনৰ মিলনত যিবোৰ উৎসৱৰ সৃষ্টি হৈছিল সেয়ে আজি ৰঙালী, ভোগালী, কঙালী উৎসৱ বুলি জনাজাত হ'ল আৰু শেষলৈ আৰ্য্যসকলে পৰিবৰ্ত্তিত কালত ইয়াক নিজৰ বুলি আকোৱালি লৈ সৰ্বান্ত কৰণেৰে গৌৰৱবোধ কৰিলে আৰু সৰ্বশেষত মঙ্গোলীয়ানসকলৰ লগত মিলি জাতীয় উৎসৱ হিচাপে পৰিণত কৰিলে।

আজি এই ৰঙালী বিহু লুইতৰ দুয়োপাৰে কল কল, খল খল উৰ্মিমালাৰ সমন্বয়ৰ সংগীতেৰে অতীজৰ পৰা প্ৰচণ্ড তাণ্ডৱ আৰু শৃংখল লাস্য নৃত্য কৰি অনন্ত কাল বৈ সৃষ্টি কৰিছে অতীত, বৰ্তমান আৰু দুয়োপাৰ ঢৌৱাই যোৱাকৈ মনোৰম সংস্কৃতিৰ অবিৰাম, অবিস্মৰণীয় সোঁত আৰু বুৰঞ্জীয়ে ঢুকি নোপোৱা যুগৰ পৰা বৰ্তমানলৈকে অসমৰ সংস্কৃতি আৰু নৃত্য সোঁতৰ এনাজৰী আৰু সেয়াই হৈছে ব্ৰহ্মপুত্ৰ উপত্যকাৰ, অষ্ট্ৰিক, মঙ্গোলীয়ান আৰ্য্য-অনাৰ্য্য আদিৰ বিচিত্ৰ বাৰেবৰণৰ সংস্কৃতিৰ বিশাল পৰাক্ৰমী সোঁত।

বৰ্তমানে বিহুৰ বিভিন্ন ভাগ দেখা পোৱা যায়। যেনে- গাভৰু বিহু বা নাচ, ডেকাৰ বিহু বা নাচ, মহিলাৰ জেংবিহু বা নাচ আৰু হুঁচৰি গীত। বিহুৰ নাচত ভৰিৰ বোলন সীমিত। হাত, ককাল, বুকুৰ এক ভংগীমা আছে আৰু বিহুৰ গীতৰ ওপৰত লয়পূৰ্ণ নাচ আৰু ঢোলৰ বিভিন্ন চাপৰত নাচনী আৰু ডেকাই বিশেষধৰণৰ নাচ-বাগ কৰে। অতীজতে, ডেকা-গাভৰুসকলে গছৰ তলত বা নৈৰ পাৰৰ হাবিত বিহু নাচ-বাগ কৰাৰ প্ৰথা প্ৰচলিত আছিল আৰু এই বিহু গীত, নাচ ইত্যাদি সম্পূৰ্ণই শৃঙ্গাৰ প্ৰধান আছিল। এইবোৰ সাধাৰণতে গ্ৰামাঞ্চলত বিহুৱা বিহুৱতীৰ মুক্ত জীৱনৰ স্বপ্নোদিত দৰদী অনুভূতিৰ মহত্বম আত্ম প্ৰকাশ মুক্ত আকাশ, সেউজীয়া চাপৰি শ্যাম-চোমনিৰ মাজৰ বহল ঠাইত যৌৱন মতলীয়া বিহুৱা বিহুৱতীয়ে টকাৰ তালত নচা নিষ্কলুষ হিয়াশাত কৰা প্ৰণয়ৰ এক বিতোপন সংস্কৃতি।

কিংবদন্তি আৰু পুৰাণৰ মতে জানিব পৰা যায় যে কৃষ্ণ নাতি অনিৰুদ্ধৰ মহীয়সী সহধৰ্মীনি ঊষায়ো দ্বাপৰ যুগতেই সৌৰাষ্ট্ৰৰ তিৰোতাসকলক এই ধৰণৰ লয় আৰু লাস্য নাচৰ শিক্ষা দিছিল। প্ৰমাদ আছে যে স্বৰ্গদেউ শিৱ-সিংহই-জন-জীয়ৰী নাচোন পটিয়সী ফুলেশ্বৰী কুঁৱৰীক বিয়া কৰাই পাটমাদৈ কৰাৰপৰা বুজা যায় যে অসমত কলা-সংস্কৃতিৰ জ্ঞান তাৰো বহু আগতেই অনাৰ্য্যসকলৰ মাজত খুউব উচ্চ স্তৰত প্ৰতিষ্ঠিত আছিল। তাৰোপৰি কামৰূপৰ ৰজা ভগদত্তই ইন্দ্ৰপ্ৰস্থত যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত কামৰূপৰ নাচবোৰ দেখুৱাই প্ৰশংসা লাভ কৰাৰ কথাই মহাভাৰতৰ বহু যুগৰ আগৰপৰাই অসমত বহুল ক্ষেত্ৰত নাচৰ প্ৰচলনৰ কথাই প্ৰমাণ কৰে আৰু কামৰূপৰ ৰজা ভাস্কৰবৰ্মাৰ লিগিৰীও আনকি অতি নাচ প্ৰয়াসী আছিল বুলি ইতিহাসে কয়। অসমৰ ঢুলীয়া নাচ, দেৱদাসী নাচ, দেওধনী নাচ, ওজাপালি নাচ, ভোৰতাল নাচ, সত্ৰীয়া নাচ, ঝুমুৰ নাচ, চালি নাচ, মেলা নাচ, নটুৱা নাচ, বিহুৱা নাচ, বাগৰুম্বা নাচ, লোক কৃষ্টিৰ গোষ্ঠীগত নাচসমূহ আৰু বিহু নাচ ইত্যাদিৰ জন্ম ক্ষেত্ৰ অসম ভাৰতৰ ভিতৰতে নহয় পৃথিৱীৰ ভিতৰতে অন্যতম। এই অবিকল, অবিৰাম গতিৰ নাচৰ অভিযান আৰু সোঁত মনত নপৰাকালৰে পৰা অসমত বৈ আহিছে।

আহোম ৰাজত্ব কালত এই নাচ-বাগবোৰৰ প্ৰয়োজনৰ বহু পৰিমাণে বৃদ্ধি পাইছিল ৰুদ্ৰসিংহৰ দিনত বিশেষকৈ তাৰ ভিতৰত অসমৰ কৃষিমূলীয় বিহু উৎসৱ অন্যতম আছিল। ডেকা-বুঢ়া মেঠাই গাঁৱৰ ঘৰে ঘৰে বিহু গাই ঢোল, তাল, টকা, পেঁপা, গগণা, সুতুলি বজাই হুঁচৰি গোৱাৰ প্ৰথা উজনি অসমৰ গাঁওবোৰত এতিয়াও বিৰাজমান। বিহু উৎসৱৰ লগত ম'হ যুঁজ, কণী যুঁজ ইত্যাদি তেতিয়াতেই সাঙোৰ খাই আছিল। আহোম ৰাজত্বৰ কালত সৰ্বশ্ৰেষ্ঠ যুজাৰুজনক পুৰস্কৃত কৰা হৈছিল। বিহুত নতুন ফুলাম সৰুৱে ডাঙৰক দিয়া আৰু মান্যজনক সেৱা কৰা নিয়ম সৰ্বজন বিদিত আছিল, কিন্তু বৰ্তমানে এই বিহুৰ প্ৰথা, ৰীতি-নীতি, বিহুৰ নাচ, গীত সাজপাৰ ইত্যাদিৰ পাৰিপাৰ্শ্বিকতাৰ অৱস্থাৰ কাৰণে সাল-সলনি ঘটিছে।

যেনে অতীতৰ পুৰণি বিহু গীতবোৰ এনেধৰণৰ আছিল

ডেকা—১) শুৱাই কি নুশুৱাই সোণৰ পোৱালমণি
বণিয়াই বণিয়াই চাওঁ
শুৱাই কি নুশুৱাই মোৰে ধন চেনাই ঐ
পিন্ধাই আগে গুৰি চাওঁ।

গাভৰু—২) পিৰিতি প্ৰাণৰ ধন ভাবিচোৱা চেনাই ধন
পিৰিতি আন্ধাৰৰ চাকি
তুমি যে নিদিলে দিওঁতা নাই মোক
ভোকৰ ভাত পিয়াহৰ পানী।

ডেকা—৩) কলৈযাম কি কৰিম কতে সোমাই মৰিম
ক'লৈ গ'লে পাহৰিম তোক
মিচিমি আহিব ববিহ আনিব
তাকে খাই পাহৰিম তোক

গাভৰু—৪) নেলাগে খাবলৈ মিচিমিৰ ববিহ

নিদিও মই মৰিবলৈ তোক
কপালত যদিহে বিধাতাই লিখিছে
সদায়ে পাবি যে মোক

ডেকা—৫) ছ-অনা সোণৰে আঙুঠি গঢ়ালো
পিন্ধাম মই বিহুতে বুলি
তোমাৰ মাৰ বাপেৰে মোলৈ নিদিয়ে
দুখীয়া মাউৰা বুলি।

গাভৰু—৬) কেলৈ লাগিছে সোণৰকৈ আঙুঠি
খাগৰি কাটোতে ভগা
হাতত গোটা খাৰু কাণতে কাণফুলি
আৰু আছে শুৱনি ৰিহা।

ডেকা—৭) ৰিণিকি ৰিণিকি দেখো গাঁও এখনি
বল চেনাই তালৈকে যাওঁ
কান্ধতে ঢোলটি মুখতে পেঁপাটি
বিহু মাৰিবলৈ যাওঁ।

কিন্তু বৰ্তমানৰ বিহু গীতবোৰ এনে ধৰণৰ—

১) অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকোঁ
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।

২) লুইতৰ বালি বগী ঢকে ঢকী
কাছই কণী পাৰে লেখি।

৩) ঘৰতো নবহে মন সমনীয়া
পৰতো নবহে মন
কমোৰা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিছে মন। ইত্যাদি

অৱশ্যে পুৰণি আৰু সাধাৰণ বিহু নামৰ মাজত পাৰ্থক্য আছে। যেনে—হুঁচৰি বিহুত গোৱা নামবোৰত প্ৰণামমূলক, প্ৰশান্তিমূলক, আবেদনমূলক ইত্যাদি তাৎপৰ্য্যৰ মানদণ্ড থাকে আৰু সাধাৰণ বিহু নামবোৰত খুলুচা বিহু নাম, জেংবিহুৰ নাম, মালিতা, বনৰীয়া নাম ইত্যাদি য'ত ডেকা-গাভৰুৰে সমাজৰ পৰম্পৰা নামানি দুৰন্ত আৰু উদাত্ত মনে ইজনে সিজনক কাষতে পোৱাৰ দুৰ্বাৰ বাসনাৰ মৰ্মাৰ্থ থাকে। এনে নামবোৰত অশ্লীলতা থাকিলেও বহুসময়ত শালীনতাৰ আৱৰণেৰে ঢাকি ৰখা হৈছিল। কাৰণ সেইযুগতেই এগৰাকী সাধাৰণ ব্যক্তি বা নাৰীৰো ৰাজনৈতিক জ্ঞান কম নাছিল। খেতিপথাৰৰ আজৰি সময়ত বৈ কাটি উলিয়াইছিল কপাহী পাট-মুগাৰ ৰিহা-মেখেলা, চেলেং, খনীয়া আদি। মুগা কাপোৰত মেজাংকৰীৰে গুণা কৰিছিল, কিংখাপৰ ৰিহা মেখেলা বৈছিল, চেলেং চাদৰত বুটা বাছিছিল, দহি বাটিছিল। বিহুৰ বতৰত গাভৰুৱে নিজৰ মনৰ আপোনজনৰ বাবে গামোচা, বিহুৱান আৰু গোমচেঙৰ চোলা বৈ উলিয়াইছিল। সেয়ে বসন্তই কোবোৱা প্ৰকৃতিৰ সজীৱ পৰিৱেশত অনুপ্ৰাণিতহৈ যৌনধৰ্মী নাচ নাচিবলৈ, গীত গাবলৈ ডেকা গাভৰুসকলক সমাজেও অনুমতি দিছিল। কাৰণ এইয়া মাত্ৰ প্ৰচলিত সংস্কৃতিৰ পৰম্পৰাৰ নিৰ্ভেজাল উৰ্বৰা অনুভূতিৰ প্ৰতিফলনহে মাত্ৰ আছিল।

তাহানিৰ এই উদাত্ত কণ্ঠৰ বিহু, প্ৰেমৰ বিহুগীতবোৰ অতি মন পৰশা আছিল। এইয়া বিহুৱা বিহুৱতীৰ মুক্ত জীৱনৰ স্বপ্ৰনোদিত সুক্ষ্ম অনুভূতিৰ প্ৰেম-প্ৰণয়ৰ সুক্ষ্ম লীলা, সৰল সহজভাৱে হিয়াৰ কোনত পুঁহি ৰখা মনৰ সুক্ষ্ম বিকাশ। মুক্ত আকাশৰ তলত গাঁৱৰ একোণত নদীৰ পাৰত, মুকলি পথাৰত যৌৱন মতলীয়া ডেকা-গাভৰুৱে ভাগে ভাগে গাত, মনত, হৃদয়ত, নাচৰ তৰংগ আৰু হিল্লোল সৃষ্টি কৰা, প্ৰাণৰ স্পন্দনৰ কম্পন শৰীৰ ভাজে ভাজে কপাই তোলা এক অমৰ সংস্কৃতায়নৰ বিকাশ। ইয়াত নিহিত হৈ আছে অসমীয়াৰ বিহুৰ গীত, নাচৰ জীৱন্ত শৃঙ্গাৰ আৰু ললিত লাস্য ভংগীমাৰ অপূৰ্ব নিদৰ্শন। ■

মন নাচে ব'হাগত

প্ৰদীপ কুমাৰ গগৈ

শীত যোৱাৰ পিছতেই বসন্তৰ আগমন হয়। গছ-বিৰিখৰ পাত বিলাক সৰিবলৈ আৰম্ভ হয়,—সৰিপৰে, ক্ৰমান্বয়ে নতুন কুঁহিপাত ওলাবলৈ আৰম্ভ হয়। অৰ্থাৎ ক'ব পাৰি পুৰণা সাজজোৰ এৰি নতুন এজোৰ সাজ পৰিধান কৰে। ইয়ো এক প্ৰকৃতিৰ নিয়ম। এই বসন্ত কালতে গছ-গছনিৰে ফুল-ফুলি গুটি ধৰিবলৈ আৰম্ভ কৰে। আমে মলিয়াবলৈ ধৰে, কঁঠালে মুচি ধৰে, নাহৰ, তগৰ, খৰিকাযাঁই, কপৌ, কেতেকী আদি কৰি বিভিন্ন গছ-বিৰিখৰ ফুল-ফুলাৰ আৰম্ভ হয়। মদাৰ জোপাই ৰঙাফুলৰ থোপা বান্ধি ৰমক-জমক হয়। কিন্তু মদাৰ গছৰ ফুল হেনো মানুহে ক'তোৱেই নলগায় বা ব্যৱহাৰ নকৰে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই এই মদাৰ ফুলকলৈ এটা গানকে লিখি, সুৰ কৰি আমাক শুনাই গৈছে। যে 'মদাৰৰ ফুল হেনো পূজাতো নেলাগে, মদাৰৰ ফুল হেনো কামে-কাজে নেলাগে, লাগে পিছে ব'হাগতে ৰং সানিবলৈ......ইত্যাদি। এই ফুল ব'হাগ মাহত ৰং বোলাবলৈহে হয়। ইফালেদি কুলি চৰাইজনীয়ে দোক-মোকালিতে কু-উ, কু-উ কৰি ওচৰৰ আম গছজোপাত পৰি চিঞৰি চিঞৰি থাকিলে মনটো কিবা ভাল লাগি যায়। চ'ত মাহ সোমোৱাৰ লগে লগে ঢোলৰ মাতটো শুনিলে মনটো ৰাঁই-জাঁই কৰে আৰু পেঁপাৰ মাতটো শুনিলে এপাক নাচিবৰ কাৰ মন নাযায়?

কিন্তু আমাৰ ল'ৰালি কালৰ কথা বিলাক এতিয়া মনত পৰে; প্ৰায় ১৯৫৫-৫৬ চনমানৰ কথা, তেতিয়া আমি তৃতীয় কি চতুৰ্থ শ্ৰেণী মানৰ ছাত্ৰ। ব'হাগ বিহু ওচৰ চাপি অহাৰ লগে লগে আমাৰো বিহু হুঁচৰি গোৱাৰ হেঁপাহ জাগি উঠিছিল। গাঁৱৰ বয়োজেষ্ঠসকলে গাঁৱত ঘৰে ঘৰে 'হুঁচৰি' গাইছিল কিন্তু আমাক (সৰু ল'ৰাবিলাকক) তেখেতসকলৰ লগত 'হুঁচৰি' গাই বিহু মৰা মানা কৰিছিল কাৰণ আমি তেতিয়া সৰু সৰু ল'ৰা। কিন্তু আমি লগৰীয়া বিলাকৰ লগত লগলাগি বিহু মৰাৰ ইচ্ছালৈ ওচৰতে থকা চাহ বাগানৰ কুলি-লাইনৰ পৰা ঢোল-তাল কেৰেয়ালৈ (ভাৰা কৰি) আনি গাঁৱত ঘৰে ঘৰে হুঁচৰি গোৱাৰ নিয়ম কৰিছিল। সেইবিলাক কথা আজিও মনত পৰে। আমাৰ লগৰ ল'ৰাবিলাকে কোনেও ভাল কৈ ঢোল চুবলৈকে নিদিছিল—কাৰণ আমি হেনো ঢোল চুলে বেয়া হ'ব—অৰ্থাৎ ঢোলৰ 'সৰ' পৰিব ইত্যাদি, গতিকে ঢোল বজোৱা বা চুৱাতো নিশেধ। সেয়েহে আমি কুলি লাইনৰ পৰা ২০/৩০ টকাকৈ ঢোল দুটামান কেইদিন মানৰ কাৰণে কেৰায়াট (ভাৰালৈ) আনিছিলো।

কিন্তু ঢোল বজোৱাটো বৰ সহজ নহয়। ইয়াৰো এক কাহিনী আছে। আমাৰ গাঁৱত ঢোলৰ ওজা দুজন মান আছিল। তেওঁলোকে প্ৰায়ে ঢোল বজাই 'অভ্যাস' কৰি থাকে, কাৰণ আমাৰ উজনিৰ গাঁও বিলাকত বিয়া হ'লে ঢোলৰ ওজাই (ৰাতি) বিয়াবিলাকত দৰাঘৰ আৰু কন্যা ঘৰৰ ফালৰ ওজাৰ লগত 'হাত কৰা' প্ৰতিযোগিতাৰ নিয়ম আছিল আৰু এতিয়াও আছে এই প্ৰতিযোগিতাত যিজনে জিকে তেওঁক তামোল-পাণৰ শৰাই আৰু লগত নগদ ধন দি সন্মান যচা হৈছিল। ই এক গৌৰৱৰ বিষয়।

এই ওজা সকলে যেতিয়া ঢোলৰ 'আখৰা' কৰে আমিও সেই ঢোলৰ চেও বিলাক শুনি থাকো আৰু কেতিয়াও

চাবলৈ নাযাওঁ আৰু মনতে আয়ত্ব কৰি ঘৰৰ টেবুল চকিত বজোৱাৰ অভ্যাস কৰো। এনেকৈয়ে ঢোল বজোৱাৰ অভ্যাস গঢ়ি উঠিছিল। আৰু সেইদৰে ঢোল বজোৱাৰ অভ্যাস হয়। এক কথাত ক'বলৈ গ'লে আমাৰ কোনো ঢোলৰ গুৰু নাছিল। ঢোল বজোৱাৰ অভ্যাস হয় এনেকৈয়ে। বিহুত হুঁচৰি গোৱা আৰম্ভ হয়, লগৰ সমনীয়া বিলাকে কোনোৱে ঢোল, কোনোবাই তাল, কোনোবাই পেঁপা, কোনোবাই নাম দিয়া আৰু কিছুমানে নাচনি হিচাপে তেওঁলোকৰ প্ৰতিভা প্ৰকাশ কৰিছিল।

সেই সময়ত আমি হুঁচৰি গাওতে, নাম আৰু পদবিলাক গোৱা হৈছিল এনে ধৰণৰে—

১) 'হাতত কাড় এফাই
ল' হেৰ' দদাই,
মাৰ অ', মাৰ অ' বালি চৰাই।
.......।

২) কৃষ্ণাই মুৰৰে
বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল অ', গুবিন্দাই ৰাম.....।

আৰু

৩) 'ৰাধাই বোলে কৃষ্ণাই
মোকে পাৰ কৰা,
এহি যমুনাৰে জলঐ গুবিন্দাই ৰাম
..........।

হুঁচৰি জোৱাৰ নাম/পদ দিয়া শেষ হ'লে যোজনাৰে বিহু জোৰা আৰম্ভ কৰা হয়—এটি যোজনা—

'অতিকৈ চেনেহৰ মূগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাটি কেনেকৈ থাকো।'

আৰু গোৱা মনত পৰে—

'দেউতাৰ বৰঘৰ দেখোতে ভয়ঙ্কৰ
শৰণ খেৰ মেলি চায়,
ন শ গাঁথনি মুগাৰে মহুৰা
সৰিয়হ পিছলি যায়।'

যেতিয়া ঘৰৰ গৃহস্থজন, ঘৰৰ ভিতৰৰ পৰা ঘৰৰ চালি (বাৰাণ্ডা)ৰ তললৈ ওলাই আহে, তেতিয়া গোৱা হৈছিল—

'দেউতা ওলালে বাটচ'ৰাৰ মুখলৈ
দুলিয়াই পাতিলে দোলা
কানত জিলিকিলে নৰা জাংফাই
গাত গোমচেঙৰ চোলা।' —ইত্যাদি

এনেবিলাক যোজনা দি বিহুজোৰা আৰম্ভ কৰা হয়, আৰু বিহু নামবিলাকো এনে ধৰণৰে গোৱা হৈছিল—

'ৰৈ ৰৈ ৰাতি
মইনামতি
তোমালোকৰ ঘৰলৈ,
ৰৈ ৰৈ, ৰাতি
মইনামতি
সদায় যাব পাৰো মই,
ৰৈ ৰৈ ৰাতি
মইনামতি
তুমি দিয়া মৰমৰ
তুমি দিয়া মৰমৰ মাত।'

মৰমৰ মাত যাৰ দি মাতিলে বা কথা-বতৰা হ'লে নিশ্চয় তেওঁলোক ছোৱালীজনীৰ ঘৰলৈ সদায়েই যাব পাৰিব। এই বিহু নাম ফাঁকিত তাকেই বুজাইছে।

আৰু গোৱা মনত পৰে—

'হাতলৈ কি চাবা, নয়া নদী নয়া কুল
হাতীৰে ঐ শুঁৰে যেন, নয়া নদী নয়া কুল,
ভৰিলৈনো কি চাবা গোটেহে, নয়া নদী নয়া কুল,
তোৰে মোৰে একে কুল
ব'হাগতে পাতি যাওঁ
ব'হাগতে পাতি যাওঁ বিয়া।'

এনেকৈয়ে বিহুৰ জোৰত নাম ফাঁকি গোৱাৰ পিছত

ঢোলৰ এটা দীঘলীয়া নাচনিৰ চেওঁ ও বজোৱা হয় আৰু তাৰ পিছতেই এটা পেঁপাৰ চেও বজোৱা হয়। কিন্তু পেঁপা বজোৱাৰ আগতে এফাঁকি যোজনা গোৱা হয়—এই যোজনাফাঁকি পেঁপুৱাক উদ্দেশী গোৱা হৈছিল

'পেঁপাটি পেঁপাটি   ৰঙেদৈ পেঁপাটি
কলিদৈ ম'হৰে শিং
পেঁপাৰ চেওবোৰ   ভালেকৈ বজাবি
ফুলাম কৈ বিহুৱান দিম।'

পেঁপা বজোৱ শেষ হোৱাৰ লগে লগে ঢোলৰ দীঘলীয়া মতা নাচৰ চেও বজোৱা হৈছিল—এই ঢোলৰ চেও প্ৰায় একেৰাহে ২০/১০ মিনিট মান বজোৱা হয়। গতিকে ইয়াক দীঘলীয়া চেও বুলি কয়। এই দীঘলীয়া ঢোলৰ চেওত নাচনি প্ৰায় ভাগৰি পৰে। কিছুমান নাচনি বৈ যায় আৰু কিছুমান নাচনি ভাগৰি পৰিলেও ঢোলৰ চেও শেষ নোহোৱালৈকে নাচে। কোনে কিমান সময় নাচিব পাৰে এইটো এটা অ'ঘোষিত নাচনিৰ প্ৰতিযোগিতাই বুলি ক'ব পাৰি।

ঢোলৰ কেবাটাও চেও/চাপৰ আছে আৰু এই চেওকেইটা প্ৰায়ে হুঁচৰি বিহুত বজোৱা হয়। যেনে—বুঢ়াচেও, কছাৰি চেওঁ, দীঘলীয়া চেও, খৰা চেও—ইত্যাদি আৰু কিছুমান চেও/চাপৰ আছে সেইবিলাক সময় সাপেক্ষেহে বজোৱা হয়।

আমাৰ সেই সময়ত হুঁচৰি গালে এটা ডাঙৰ চখ আছিল—মানুহৰ ঘৰৰ চোতালখন বিহুনাচোতে কিমান খান্দিব পাৰি—অৰ্থাৎ ব'হাগ বিহুৰ সময়ত প্ৰায়েই, ৰাতি ডাঙৰ বৰষুণ আনেই, কেতিয়াবা কেতিয়াবা শিল-ধুমুহাও আহে। হুঁচৰি গোৱাৰ সময়ত কেনেবাকে যদি ডাঙৰ বৰষুণ হয় তাৰ পিছত চোতালত হুঁচৰি গালে বোকাময় হয়, তেতিয়া নাচনিয়ে নাচোতে নাচোতে চোতালখন বখলা বখলকৈ খন্দা পৰে। ইয়ো এক আমাৰ কাৰণে আমোদ দায়ক আছিল। সেইবিলাক কথা আমাৰ এতিয়া মনত পৰে।

স্কুল-কলেজত পঢ়ি থকাৰ সময়ত কিবা 'উৎসৱ' আদি হ'লে বিহুদল গঠন কৰি বিহুনচা মনত পৰে।

তাৰ পিছত কলেজীয়া জীৱনৰ শেষ হোৱাত ১৯৭০ চনত চাকৰি সূত্ৰে তেতিয়া অসমৰ ৰাজধানী শ্বিলঙলৈ যাওঁ আৰু তাতে কেইবছৰমান থকা হয়। (আমাৰ অসমৰ ৰাজধানী গুৱাহাটীৰ দিশপুৰলৈ ৰূপান্তৰিত হোৱালৈকে) শ্বিলঙত থকা সময় ছোৱাত অসমীয়া চাকৰিয়ালসকলে একগোট হৈ বিহু, সবাহ-ভাওনা আদি কৰি সকলো উৎসৱেই পতা হৈছিল। শ্বিলঙৰ দুঠাইত নাম ঘৰ আৰু হৰি মন্দিৰ আছিল, এঠাইত হ'ল বিষ্ণুপুৰ আৰু আন ঠাইত হ'ল ধান খেতিত। আমাৰ নাম ঘৰ হ'ল ধানখেতিত। তাতে বিহুৰ সময়ত বিহু হুঁচৰি আৰু কেতিয়াবা ভাওনা পতা হৈছিল। সেই সময়ত আমাৰ নাম-ঘৰ আৰু হৰি মন্দিৰ কমিতিৰ সভাপতি আছিল প্ৰয়াত ধৰ্মানন্দ দাস, অৱসৰ প্ৰাপ্ত মুখ্য সচিব, অসম দেশ।

আমাৰ হুঁচৰি গোৱা হৈছিল 'কাৰ্য্যালয়' ছুটিৰ পিছতহে, প্ৰায়ে ৫টা মান বজাৰ পৰা ৮টা মান বজালৈকে হুঁচৰি গাইছিলো। নিমন্ত্ৰিত মানুহৰ ঘৰত আৰু মন্ত্ৰী, এম.এল.এ আদি কৰি ৰাজ্যপালৰ ঘৰলৈকে হুঁচৰি গাইছিলো। আমি শ্বিলংত থকা সময়ত তেতিয়াৰ ৰাজ্যপাল আছিল বি.কে.নেহৰু. আমাৰ এটা কথা সদায়ে মনত থাকিব—আমাৰ বিহু জোৰাই হুঁচৰি গাবলৈ আৰম্ভ কৰা সময়ত ভিতৰৰ পৰা ৰাজ্যপালৰ পৰিবাৰে সম্পূৰ্ণ অসমীয়াৰ মুগা-সাজ জোৰ পিন্ধি আমাৰ বিহু জোৰাৰ লগত সঙ্গী হৈছিল। গতিকে আমি ক'ব পাৰো যে বাহিৰৰ মানুহেও বিহুৰ প্ৰতি কিমান আগ্ৰহ আৰু বিহু কিমান ভাল পায় তাৰেই প্ৰমাণ।

গুৱাহাটীলৈ ৰাজধানী অহাৰ পাছত আমাৰ বিহু দল 'অৰুণোদয় বিহুৱা দল'ত ওতঃপ্ৰোতভাৱে জৰিত হৈ পৰো। অসমৰ বহু ঠাইত বিহু গোৱাৰ উপৰি অসমৰ বাহিৰতো বিহু পৰিবেশন কৰিছিল। বৰ্তমান আমি লগৰ বহুকেইজনক অকালতে হেৰুৱালো তেখেতসকল হ'ল প্ৰয়াত প্ৰভাত বৰদলৈ, মহেশ্বৰ বৰুৱা, গোপি গগৈ আদি কৰি কেবাজনো বিহু প্ৰেমী বিহুৱাক। ইয়াৰোপৰি আমি আৰু এজন মহান বিহুৱাক হেৰুৱালো যিজন নেকি গুৱাহাটীত মঞ্চ 'হুঁচৰি বিহু' বাটকটিয়া

বুলি ক'লেও ভুল কৰা নহ'ব, তেখেত হ'ল 'জনতা শিল্পী' দলৰ 'দিলীপ গগৈ'। তেখেত এজন প্ৰকৃত বিহুৱা আছিল তেখেতৰ বিহু বুলি ক'লে অলপো ভাগৰ নালাগিছিল। দিনত যিজন দিলীপ, ৰাতি১/২বজাতও সেই একে দিলীপ। কিন্তু নিয়তিৰ নিয়ম অনুযায়ী তেখেত আমাৰ মাজৰ পৰা গুচি গ'ল।

চ'ত মাহ সোমোৱাৰ পৰাই প্ৰকৃতিৰ বা লাগি মানুহৰ মনবিলাক, গছ-গছনি আদি কৰি চৰাই-চিৰিকতিলৈকে ফাগুনৰ পচোৱা আৰু বসন্তৰ বা লাগি মন নাচি উঠে আপোনা আপুনি। চৰাই-চিৰিকটি বিলাকে বাঁহ সাজি পোৱালী উলিয়াবলৈ আৰম্ভ কৰে। কুলি চৰাইবিলাক পৰ্বত পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহে এই বসন্ততে। ঢোলৰ চাপৰ শুনাপালে, পেঁপাৰ মাত শুনা পালে গা-মন ৰাঁই জাঁই কৰে। বুঢ়ি আইতা গৰাকীৰো গা-নাচি উঠে। স্বতঃস্ফুত ভাৱেই গা-মন নাচি উঠে এই ব'হাগতে। ইয়াক কোনেও ধৰি ৰাখিব নোৱাৰে। ই এক প্ৰকৃতিৰেই দান বিহু কালজয়ী আৰু অমৰ হওঁক। ■

মহৎ লোকৰ বাণী

- শিক্ষা হৈছে সুখ-দুখ বিচাৰ কৰিব পৰা ক্ষমতা। —প্লেটো—
- ৰাতি যিমানেই কঠিন হ'ব, প্ৰভাত সিমানেই উজ্জ্বল হ'ব। — জে. পি. আগৰৱালা—
- যেতিয়া সম্পত্তি হেৰায়, একো নেহেৰায়, যেতিয়া স্বাস্থ্য হেৰায়, কিবা অলপ হেৰায়, কিন্তু যেতিয়া চৰিত্ৰ হেৰায়, সকলোখিনিয়েই হেৰায়। —লক্ষ্মীনাথ বেজবৰুৱা—
- আমি নিজৰ বাবে যি কঁৰো, সেয়া আমাৰ মৃত্যুৰ লগতে শেষ হৈ যাব,
  আমি আনৰ বাবে যদি কিবা কৰোঁ,
  সেইতো পৃথিৱীয়ে মনত ৰাখিব আৰু সি
  অমৰ হৈ থাকিব —মহাত্মা গান্ধী—
- আমি যেতিয়া কাৰোবাক সহায় কৰোঁ, আমি কেতিয়াও সেইটো মনত ৰখা উচিত নহয়। কিন্তু যেতিয়া আমি নিজে আনৰ পৰা সহায় লওঁ, আমি সেইটো কেতিয়াও পাহৰি যোৱা উচিত নহয়।
- অসৎ বন্ধু গোটোৱাতকৈ বন্ধুহীন আৰু নিঃসংগ হৈ থকাটোৱেই বেছি ভাল।

—সংগ্ৰহ পদ্মপানী—

বিহুৰ সংজ্ঞা

খুনেশ্বৰ হাজৰিকা

বিহু শব্দৰ উৎপত্তি সম্পৰ্কে অনেক আলোচনা-বিলোচনা হৈ গৈছে। বিহু শব্দৰ সংজ্ঞা অনেকে অনেক ভাবে দিছে। আজিলৈকে ইয়াৰ এটি নিৰ্দিষ্ট সংজ্ঞা উদ্ভাৱন হোৱা নাই। শেহতীয়াকৈ প্ৰাগজ্যোতিষীয় সভ্যতা শীৰ্ষক এলানি প্ৰবন্ধৰ লেখাত ভবেন বৰুৱাই বিষুবন শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি হৈছে বুলি কৰা সন্দৰ্ভত বিহুৰ সজ্ঞাৰ বেচি ওচৰ চপা যেন লাগে। অসমৰ বৈষ্ণৱ সত্ৰসমূহত পালন কৰা ঋতু পৰিৱৰ্তন উৎসৱ বিষুবনৰ অপভ্ৰংশ ৰূপেই বিহু হোৱাটো সম্ভৱ। উত্তৰ পূৰ্বাঞ্চলৰ কেইবাটাও জনগোষ্ঠীয়ে বিহু, বিষু, বিচু, বিজু আৰু বুচু আদি নামেৰে বিহু উৎসৱ পালন কৰে। উজনি অসমৰ কিছুমান সম্প্ৰদায়ৰ লোকে 'স' বৰ্ণমালা কেইটা 'হ' হিচাপে উচ্চাৰণ কৰা দেখা যায়। সেইদৰে আন কিছুমান জনগোষ্ঠীয় লোকৰ মুখত বিষু শব্দটো অপভ্ৰংশিত ৰূপত উচ্চাৰণ হোৱাটো অসম্ভৱ নহয়। সেয়ে দেউৰী সম্প্ৰদায়ৰ মুখত বিচু, ডিমাচা কছাৰী সম্প্ৰদায়ৰ মুখত বিজু উচ্চাৰণ হোৱাটো অসম্ভৱ নহয়। উজনি অসমৰ সোণোৱাল কছাৰী সম্প্ৰদায়ৰ লোসকলে বিহুক বিষু বুলি কয়। তেওঁলোক আটায়ে আউনিআটী সত্ৰৰ শিষ্য। গতিকে তেওঁলোকে এই সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰাৰ পাছত বিষু শব্দটো গ্ৰহণ কৰে বুলি ভাবিবৰ থল আছে। তেওঁলোকে চ'ত মাহৰ প্ৰথম সপ্তাহত অনুষ্ঠিত কৰা বাথৌ পূজাৰ পৰাই তেওঁলোকৰ লোকগীত হাইদাং হুঁচৰি গীত গাই বিহু নমায়। চ'ত মাহত গোৱা বাবে ইয়াক চ'ত বিহুও বোলে। মাহ অনুযায়ী বিহু কেইটাৰ নাম কৰা বহাগ বিষু মাঘ বিষু আৰু কাতি বিষু হিচাবে কৰাটোও সত্ৰৰ প্ৰভাব বুলি ক'ব পাৰি। তেওঁলোকৰ চ'ত বিহুকেই চ'তৰ সংক্ৰান্তিৰ আৰু প্ৰথম বহাগত বহাগ বিহু বা নতুন বছৰ পালন উৎসৱ হিচাবে পালন হয় বুলি ভাবিবৰ থল নোহোৱা নহয়। বিহু তিনিটাক সোণোৱাল, বড়ো, ডিমাছা আৰু কাৰ্বিসকলে দোমাহী বা দমাহীও বোলে। ইয়াৰ যথাযথ কাৰণ নোহোৱা নহয়। বিহু কেইটা আৰম্ভ হয় সংক্ৰান্তিৰ দিনা আৰু অন্ত পৰে পৰৱৰ্তী মাহত। গতিকে দুমহীয়াকৈ পালন কৰা হেতুকে দোমাহী বা দমাহী বোলা হয়। আদিতে দোমাহী বা দমাহীয়েই আছিল। কালক্ৰমত বিহুলৈ ৰূপান্তৰিত হ'ব পাৰে।

অতি শেহতীয়াকৈ ড° নগেন শইকীয়াই পঞ্চদশ বছৰৰ পঞ্চম সংখ্যা গৰীয়সীত প্ৰকাশ পোৱা তেখেতৰ অসমীয়া জাতিৰ ইতিহাস নামৰ প্ৰবন্ধত চৰ্হিসকলৰ এনে এটা উৎসৱ পয়লুহুৰ পৰাই বিহু শব্দৰ উৎপত্তি হোৱা বুলি মন্তব্য কৰিছে। আমি হ'লে বিষু শব্দৰ পৰাই বিহু হোৱাটো বেচি সম্ভৱ বুলি ভাবো। তেখেতৰ যুক্তি হ'ল পয়লুহু উৎসৱটো এটা ৰং ৰহইচৰ উৎসৱ। বিহুটোও এটা ৰং ৰহইচৰ উৎসৱ। গতিকে পয়লুহুৰ পৰা বিহু হোৱাটো সম্ভৱ। কিন্তু বিহু কেইটা কেবল ৰং ৰহইচৰ উৎসৱেই নহয়। বহাগ বিহু আৰু মাঘ বিহুক ৰং ৰহইচৰ উৎসৱ বুলি ক'ব পৰা গ'লেও কাতি বিহুক ক'ব নোৱাৰি। বৰঞ্চ কঙালি বুলি কোৱাটো বেচি সমীচিন। আটাইকেইটা বিহুৱেই কৃষিভিত্তিক আৰু ধৰ্মীয় আচাৰ নীতি জড়িত। আগতে কোৱা হৈছে সোণোৱালসকলে বাথৌ পূজা কৰি বিহু নমায়। এই পূজাত তেওঁলোকে পশু বলিও দিয়ে। আৰাধ্য দেৱতাক পূজা এভাগ আগবঢ়াই জগতৰ সকলো সৃষ্টি অৰ্থাৎ জলচৰ, উভয়চৰ,

উদ্ভিদ আৰু মানব জাতিৰ মংগল কামনা কৰে। লগতে জলদেৱী বৰদৈচিলাক 'ওঁম নমো বৰদৈচিলা' বুলি প্ৰণাম জনাই প্ৰচুৰ ফচল উৎপাদন আৰু ভাল বতৰ কামনা কৰে। আনহাতে বাথৌ পূজা চ'ত বিহু আৰু ব'হাগ বিহুত গোৱা হাইদাং হুচৰি গীতসমূহ কৃষি সম্বন্ধীয়। হাইদাং শব্দৰ হা মানে মাটি বা জমী বা কৃষিক বুজায়, উৰুকাৰ দিনা সন্ধিয়া এচামে গোসাইঘৰত নাম প্ৰসংগ কৰে আৰু এচামে উপৰি পুৰুষক ঘৰুৱা মদকে আৰম্ভ কৰি খাদ্য বস্তু আগবঢ়ায় যাক মৰাক দিয়া বুলি কয়। তেওঁলোকৰ এই প্ৰথাও ধৰ্মীয় আচাৰ। ত্ৰিপুৰাৰ কক্ বৰকসকলেও উৰুকাৰ দিনা পূজা এভাগ কৰি হাৰাবিচু উৎসৱ পালন কৰাৰ দৰে। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীয়ে চ'ত আৰু বহাগ মাহৰ অসমৰ বিহুৰ সৈতে ৰজিতা খোৱাকৈ পালন কৰা উৎসৱসমূহ বিভিন্ন নামৰ মূলতে কৃষি উৎসৱ।

আহোমসকলে তেওঁলোকৰ শাসন কালত ৰাজধানী ৰংঘৰ বাকৰিত অনুষ্ঠিত কৰা বিহুক আনুষ্ঠানিক আৰু ৰাজহুৱা ৰূপ দিলে। এই উৎসৱৰ বাবে ৰাজ্যতো বিহু সদৃশ উৎসৱ অনুষ্ঠিত কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল বুলি ভাবিব থল আছে। ইয়াৰ ফলত তেওঁলোকে বিচু, বুচু, বিজু আদি ৰূপত বিহুক আদৰি ললে।

আৰ্য্য কেলেণ্ডাৰ অনুসৰি বহাগ মাহ বছৰৰ প্ৰথম মাহ হিচাবে লৈ বছৰ গণনা পদ্ধতিও উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহে অনুসৰণ কৰা বুলিও ভাবি পাৰি। সেয়ে নিজা নিজা বছৰ পালন পদ্ধতি থকা স্বত্বেও তেওঁলোকে বহাগত বছৰ আৰম্ভণি বা নতুন বছৰৰ পালন উৎসৱ এটা বহাগত পালন কৰে। ত্ৰিপুৰীসকলে ত্ৰিং নামৰ বৰ্ষ গণনা পদ্ধতি থকা স্বত্বেও বহাগত গৰইয়া উৎসৱ পালন কৰে, ডিমাচা কছাৰী আৰু কাৰ্বিসকলে ফেব্ৰুৱাৰী মাহত নতুন বছৰ উৎসৱ পালন কৰে যদিও বুচু জিমা বা দোমাহী উৎসৱ বহাগত পাতে। আনহাতে মাঘ বিহু এটা ফচল চপোৱা উৎসৱ। কাতি বিহুত পথাৰৰ ধাননিত বন্তি জলোৱাৰ উদ্দেশ্যে কীট-পতংগ খেদা। এই বিহুত আকাশবন্তি জলোৱা প্ৰথাৰ অন্তৰালতো ধৰ্মীয় আচাৰ নীতি জড়িত থকাৰ সম্ভাৱনা আছে, গতিকে বিহু কেইটিক কেৱল ৰং ৰহইচৰ উৎসৱ বুলি কৰা ধাৰণাটো দুৰ্বল।

আনহাতে আগতে কোৱা হৈছে সোণোৱালসকলে চ'ত মাহতে বাথৌ পূজাৰ হাইদাং হুচৰি গীত গাই বিহু নমায়। তেওঁলোকৰ এই বাথৌ পূজা অনুষ্ঠিত কৰা প্ৰথা অতি প্ৰাচীন। অসমলৈ আহোমসকল অহাৰো আগৰ। শদিয়াৰ হালালী ৰাজ্যত ৰাজত্ব কৰা কালৰেই। বৰ্তমান ডাঙৰী অঞ্চলৰ বৰ পথাৰত থকা বাথৌ থানখন আদিতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শদিয়াত আছিল। কালক্ৰমত ইয়াক স্থানান্তৰিত কৰি বৰ্তমানৰ স্থানত স্থাপন কৰা হয় বুলি প্ৰবাদ আছে। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ পূজাও সোণোৱালসকলেই কৰিছিল বুলি ৰজনী কান্ত হাজৰিকাই সোণোৱাল কছাৰীৰ গুপ্ত ইতিহাস নামৰ পুথিত উল্লেখ কৰিছে। সি যি কি নহওক সোণোৱালসকলে হালালী ৰাজ্যত ৰাজত্ব কৰা সময়তে বাথৌ পূজা কৰি যে বিহু হুচৰী গাইছিল ই প্ৰমাণসিদ্ধ। তেওঁলোকৰ হাইদাং হুচৰী গীতদসমূহত তেওঁলোকৰ হালালী ৰাজ্যত থকা কালৰ সমাজৰ ছবি এখন ডাঙি ধৰিছে। সেয়ে হাইদাং গীতৰ এফাকিত গায়, "হালালীৰ কথা মনতে পৰিলে দুনাই মন কোমলীয় হয়" বুলি। যিহেতু তেওঁলোকৰ বাথৌ পূজা অতি প্ৰাচীন এই পূজাত গোৱা হাইদাং বহুচৰীও অতি প্ৰাচীন। বিহু হুচৰী গোৱা অতি প্ৰাচীন সম্প্ৰদায় সোণোৱালসকলেই হ'ব লাগিব। সেয়ে বিহুৰ উদ্ভাৱন তেওঁলোকৰেই হ'ব লাগিব। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে কাক পথাৰতে .... বিহুৰ উৎপত্তি বুলি কৈ গৈছে। কাকপথাৰৰ সমীপতেই বৰপথাৰ বাথৌ মন্দিৰ অৱস্থিত। গতিকে বৰ পথাৰতে প্ৰথম বিহুৰ উৎপত্তি হোৱাৰ সম্ভৱনা নুই কৰিব নোৱাৰি। তেওঁলোকৰ বিযুৰেই বিহু হোৱাটোও সম্ভৱ। ■

টাই-আহোমৰ কৃষিবীজ, বিবাহ প্ৰণালী, বিহুনাচ, জেং বিহুৰ এটি চমু আভাস

চাও খগেন ফুকন

বিশ্বৰ চাৰিটা প্ৰাচীন সভ্যতাৰ এটা হোৱাংহো আৰু ইয়ংচিকিয়াং নদীৰ মাজৰ সাৰুৱা মাটিত গঢ়লৈ উঠা চঙকোৱা ৰাজ্যৰ সভ্যতাই প্ৰাচীন টুৰানীয়ান সভ্যতা। এই চঙকোৱা বা মধ্য ৰাজ্যই (বৰ্তমান চীন) টাই-আহোমসকলৰ পূৰ্বপুৰুষৰ বাসভূমি আছিল। খ্ৰীঃ পূঃ ২৮৫২ চনত চঙকোৱা ৰাজ্যৰ প্ৰথমজন ৰজা ফুচি আছিল। তেওঁৰ পাছত দ্বিতীয়জন ৰজা ছেননুঙ, তৃতীয়জন হোৱাঙটি, চতুৰ্থজন য়াওৰ, পঞ্চমজন সম্ৰাট ছুনে চঙকোৱা ৰাজ্যৰ পৰা ইউন্নানলৈ ৰাজধানী স্থানান্তৰ কৰে। ইয়াৰ পৰাই খুনলুঙ আৰু খুনলাইৰ নেতৃত্বত এটা ঠালে আহিব্ৰহ্মদেশৰ মুংৰি মুংৰামত ৰাজ্য স্থাপন কৰে। দুই ককাই-ভাই খুনলুঙ খুনলাইৰ মাজত মতান্তৰ ঘটাত খুনলুঙে সেই ৰাজ্য ভায়েক খুনলাইক গতাই তাৰ পৰা আঁতৰি আহিব্ৰহ্মদেশৰ উত্তৰ অঞ্চলত মুংকং নামেৰে ৰাজ্য স্থাপন কৰে। সেই খুনলুঙৰ বংশোদ্ভৱ খুত্যাংখঙৰ পুত্ৰ চুকাফা।

চুকাফাই দক্ষিণ-পূব এছিয়াৰ হেজাৰ বছৰীয়া সভ্যতা, সংস্কৃতি আৰু পৰম্পৰা কঢ়িয়াই আনি ১৫৫০ শকৰ আঘোণ মাহত পাটকাই পাৰহৈ সৌমাৰত প্ৰবেশ কৰে।

কৃষিবীজ ঃ

চুকাফাই সৌমাৰত প্ৰৱেশ কৰি ইয়াৰ প্ৰাকৃতিক পৰিৱেশ দেখি অভিভূত হৈ পৰিছিল কাৰণ টাই-আহোমসকলৰ পানী, পথাৰ আৰু উৰ্বৰা মাটিৰ প্ৰতি আকৰ্ষণ অধিক। এনেক্ষেত্ৰত তেওঁলোকে সফল হ'ব পৰাকৈ কৃষিবীজ পৰ্যন্ত লগত আনিছিল। তাৰে কিছুমান হ'ল— চীনা লাই, কজলা বৰলাই, আহোম শালি, চকোৱা বৰা, বৰাধান, মালভোগ ধান, সৰিয়হ, কঁপাহ, মুগা, এৰি-পলুৰ সঁচ আদি। মুগা খেতি টাই-আহোমসকলৰ একচেতিয়া খেতি। উজনি অসমৰ টাই- আহোম অধ্যুসিত অঞ্চলৰ বাহিৰে অন্য ঠাইত এই খেতি দেখা পোৱা নাযায়। পাট সূতাৰ ক্ষেত্ৰত আমি আগুৱাই যাব লাগিব খ্ৰীঃ পূঃ ২৬৯৭লৈ। তেতিয়া চঙকোৱা ৰাজ্যৰ শাসক হিচাপে তৃতীয় আৰু সম্ৰাট হিচাপে প্ৰথমজন আছিল হোৱাঙটি। তেওঁৰে ৰাণী চিলিঙে নুনীগছৰ পাত খোৱা পলুৰ খোলাৰ পৰা পাটসূতা আৰু তাঁত বোৱাৰ আৱিষ্কাৰ কৰে।

বিবাহ পদ্ধতি ঃ

খ্ৰীষ্টপূৰ্ব ২৮৫২ ত টাই-আহোমসকলৰ চঙকোৱা ৰাজ্যৰ প্ৰথমজন ৰজা ফুচিৰ বিষয়ে ওপৰত উল্লেখ কৰি অহা হৈছে। তেওঁৰ শাসনকালত এখন সুসংবৰ্ধক সমাজ গঠন কৰিছিল। আদি মানৱৰ প্ৰবৃতি এৰি বনৰীয়া গৰু, ম'হ ঘৰচীয়া কৰি খেতি কৰাৰ ব্যৱস্থা কৰিলে আৰু বনৰীয়া পশু-পক্ষী মাৰি তাৰ ছাল আৰু পাখী, উপযুক্ত গছৰ বাকলি পিন্ধি লজ্জা নিবাৰণৰ ব্যৱস্থা কৰিছিল। বিয়া-বাৰুৰ ক্ষেত্ৰত দৰা-কন্যাৰ দুয়োঘৰৰ মতৰ সাপেক্ষে বিবাহ হ'ব পাৰিছিল। দৰাঘৰৰ পৰা কন্যালৈ জোৰণ হিচাবে দুখন হৰিণা পহুৰ ছাল দিয়াৰ নিয়ম কৰিছিল। পৰৱৰ্তীকালত চকলং কৰা ন- পুৰুষৰ চাউল খোৱা, গাঁৱৰ বৃদ্ধজনে দৰা-কইনাৰ বৈবাহিক জীৱন কেনেদৰে চলিব লাগে সেই বিষয়ে বুজনি দিয়াৰ কথা আহিল।

বিহুনাচ আৰু জেংবিহু ঃ

ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ভ্ৰমণ কাহিনী 'চেৰি ফুলৰ দেশ জাপান আৰু বিস্ময়কৰ চীন'ৰ ৯১,৯২ আৰু ৯৩ পৃষ্ঠাত

আমাৰ বিহুনাচ আৰু জেংবিহুৰ বিষয়ে লিখিছে। আশী দশকৰ আৰম্ভণিতে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে দক্ষিণ চীনৰ ইউন্নানৰ কুনমিং অঞ্চলত হোৱা আন্তৰ্জাতিক সাংস্কৃতিক সভাত তেখেতৰ গৱেষণাৰ বিষয়ে পাঠ কৰে আৰু সন্ধিয়ালৈ উক্ত সভাৰ সাংস্কৃতিক অনুষ্ঠানলৈ গৈ অনুষ্ঠানত যি দেখিলে তাক উল্লেখ কৰিছে এনেকৈ— 'মঞ্চলৈ লৰি আহিল প্ৰাণোচ্ছল ডেকা-গাভৰুৰ জাক। বসন্তকালৰ জোনাকৰাতি। কান্ধত ঢোল লৈ ছজনমান ডেকা, মূৰত ঠিক আমাৰ গামোচাৰ গৰে এবিধ কাপোৰ মৰা, পিন্ধনত ঢিলা পায়জামা, গাত এফলীয়াকৈ বুটাম থকা চোলা। বাঁহী, পেঁপা, ঢোলৰ মাতেৰে ৰজনজনাই গ'ল। ছোৱালীবোৰে গগণা বজালে।' ঢোলৰ চাপৰৰ সাদৃশ্য, পিন্ধন-উৰণৰ সাদৃশ্য, নৃত্যৰ হুবহু সাদৃশ্য, ভালপোৱা ছোৱালীজনীক পলুৱাই নিয়া সাদৃশ্যই মোক সত্য আৱিস্কাৰৰ অভাৱনীয় আনন্দ দিছিল। এই বিহুনৃত্য-গীত 'টাই' মানুহখিনিৰ লগতেই অসমলৈ আহিছিল।'

বিহুনাচত ঢোল, ম'হৰ শিঙৰ পেঁপা আৰু গগণাৰ অবিহনে বিহুনাচৰ কথা ভাবিব নোৱাৰি। সেয়ে এইকেইবিধমান বাদ্যৰ বিষয়ে এটি চমু আভাস ৰখা হ'ল। ১৯৮৮ চনৰ ১১ এপ্ৰিলৰ অসমবাণীৰ ৰঙালী বিহু সংখ্যাত শ্ৰীতীৰ্থ ফুকনদেৱৰ 'বিহু উদ্ভাৱক কোন' নামৰ প্ৰৱন্ধটিত ঢোলৰ বিষয়ে লিখিছিল এনেকৈ 'খুনলুঙে স্থাপন কৰা ৰাজ্যখন মুংকং। এই ৰাজ্য এসময়ত টাই সংস্কৃতিৰ আয়ুকেন্দ্ৰ আছিল বুলি জনা যায়। টাই ভাষাত মুং মানে দেশ আৰু কং মানে ঢোল। সেই ৰাজ্যত ঢোলৰ ইমান চৰ্চা আছিল যে ৰাজ্যখনৰ নামেই হৈছিল ঢোলৰ দেশ।" অসমত চাৰিবিধ ঢোল আছে, সেইয়া— ঢোল, জয় ঢোল, ঢেপা ঢোল আৰু পাতি ঢোল। আমাৰ বিহুত বজোৱা ঢোলটো পাতি ঢোল। মন কৰিবলগীয়া কথাটো হ'ল যে বিহুত বজোৱা ঢোলৰ নিৰ্মাণশৈলী, ইয়াৰ উপাদান, বাদনৰ নীতি আৰু কৌশল, বাদনৰ চেও, লহৰি আৰু ইয়াৰ ব্যৱহাৰ আন কেইবিধ ঢোলৰ লগত বেলেগ।

চুকাফা স্বৰ্গদেউৰ ৰাজসভাত সোধন নামৰ এজন ঢুলীয়া ওজাৰ ঢোল বাদন পৰিৱেশন কৰা সোধন ওজাৰ মালিতাত পোৱা যায়। আজিও আমাৰ ঢুলীয়া ওজাসকলে সোধন ওজাক গুৰু হিচাপে মানি অহাৰ কথা জনা যায়। সোধন ওজাৰ মালিতা এনে আছিল—

'কলিযুগে ইন্দ্ৰবংশী ৰজা নামি যায়,
সোনধন ওজাই ঢোল বাই আনিলে নমাই।'
স্বৰ্গৰ পৰা নামি স্বৰ্গদেই
কৰিলা ৰাজত্ব যাৰ নাহি সম কেউ'

বিহুৰ পেঁপা, টকা, গগণাৰ ক্ষেত্ৰত লীলা গগৈদেৱে তেখেতৰ 'অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতি' নামৰ পুথিখনিত উল্লেখ কৰিছে— 'পেঁপা, টকা, গগণা এই কেইপদ মংগোলীয় সংস্কৃতিৰ অৱদান। এই তিনিওবিধ বাদ্য আজিকালিও দক্ষিণ চীন, শ্যাম আৰু উত্তৰ ব্ৰহ্মৰ টাইসকলে 'পয় চাম নাম' (বহাগ বিহু) উৎসৱৰ সময়ত বজায়।'

১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱে লোকবাদ্যৰ গৱেষক অষ্ট্ৰিয়াৰ ড° ট্ৰেচাৰক মোক লগ লগাই দিছিল। তেখেতৰ লগত অসমৰ লোকবাদ্যৰ বিষয়ে আলোচনাত বহিছিলো। তেখেতে এটা কথা কৈছিল যে তেওঁ বিভিন্ন দেশত লোকবাদ্যৰ ওপৰত গৱেষণাৰ কাৰণে ঘূৰি অসম পালেহি। অসমৰ বিহুৰ পেঁপাৰ ইমান উত্তেজনাপূৰ্ণ মাত আৰু গগণাৰ মধুৰ মাত এতিয়ালৈকে শুনা নাই।

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে জেংবিহুৰ বিষয়ে চীনদেশত যি দেখিছিল লিখিছে এনেকৈ— 'মঞ্চৰ মাজত বাঁহৰ বৰ সুন্দৰ এটা জোপোহা। তাৰ মাজত লুকাই আছিল শুদ্ধ বগা সাজ পিন্ধা এক অপৰূপা নাৰী। দেখা গ'ল মঞ্চলৈ সোমাই আহিছে সাতগৰাকী নে আঠগৰাকী সমান বয়সৰ গাভৰু। হাত দীঘল ক'লা ব্লাউজ আৰু ৰঙা দীঘল স্কাৰ্ট পিন্ধা গাভৰুৱে তেওঁবিলাকৰ প্ৰত্যেকৰে হাতৰ কেঁএগ্ৰ আঙুলিত বন্ধা আছিল আমাৰ বিহুনাচনীয়ে লোৱাৰ দৰে নানাৰঙী ৰুমাল। আগলৈ হালি, নিতম্ব পাছলৈ দি, হাত মেলি আমাৰ একেবাৰে বিহুনাচৰ

দৰে তেওঁবিলাকে মাজে মাজে এক শাৰীত, মাজে মাজে দুভাগ হৈ আমাৰ বিহুনাচৰ দৰে নাচিছিল। ইয়াতো ঢোল, পেঁপা বজোৱা কোনো বাদক নাছিল। গীত, গগণা আৰু হাত চাপৰিয়েই আছিল নৃত্যৰ সংগীত আৰু তাল। এই 'জেংবিহু' লৈয়েই কত মতভেদ আমাৰ মাজত হৈছে। ভালকৈ নেদেখিলে আচলতে কোনো অধ্যয়নেই সম্পূৰ্ণ নহয়। আমাৰ জেংবিহুত যে গছৰ ডালত বগা কাপোৰ এখন থয় সেয়া শুভ্ৰবসনা দেৱীৰেই প্ৰতীক হ'ব লাগিব।'

জেংবিহুক লৈ ভিন্নজনৰ মত তলত উল্লেখ কৰা হ'ল—

১৯৮১ চনৰ ১৭ মে'ৰ অগ্ৰদূত কাকতত শ্ৰীৰবীন বৰুৱাৰ 'উজনিৰ জেংবিহুত কি দেখিলো' প্ৰবন্ধটিত তেখেতে লিখিছে— 'আজিকালি নগৰীয়া বিহুতলীত জেংবিহু নাম দি চলোৱা নাচটি প্ৰকৃততে গছতলৰ বিহুহে।' ১৯৮১ চনৰ ২০ মে'ৰ অগ্ৰদূত কাকতত প্ৰকাশ পোৱা শ্ৰীঅতুল মজুমদাৰৰ 'জেংবিহুৰ এটি অভিমত' নামৰ প্ৰবন্ধটি তেখেতে বিহুতলীত জেংবিহু দেখিলে গছৰ তলৰ বিহু বা গাভৰু বিহুৰ লগত সাদৃশ্য দেখা পাইছিলে। ১৯৮১ চনৰ ২ জুন অগ্ৰদূত কাকতত প্ৰকাশ পোৱা প্ৰদীপ চলিহাৰ 'জেংবিহুৰ এটি মতামত' নামৰ প্ৰবন্ধটিত তেখেতে উল্লেখ কৰিছে 'এজোপা ডাঙৰ গছৰ অভাৱত শুকান জেং থিয় কৰি দিয়া বা কিবা আঁৰবেৰ বা আবুৰৰ প্ৰয়োজনত শুকান জেঙত নতুন ডাল-পাত দিয়া হয়।' ১৯৮১ চনৰ ১২ জুলাইৰ অগ্ৰদূত কাকতত প্ৰকাশ পোৱা ড° মহেশ্বৰ নেওগদেৱৰ 'জেংবিহু পৃথিৱীৰ প্ৰজননৰ প্ৰতীক' নামৰ প্ৰবন্ধটিত তেখেতে লিখিছে— শুকান জেঙত সেউজীয়া ডাল-পাত লগোৱা প্ৰকাৰন্তে উল্লেখ কৰিছিল। 'সৌমাৰ' নামৰ এটি সংকলনৰ পৰা ক্ষেত্ৰধৰ বৰগোহাঁইৰ কথা এষাৰ তুলি দিছে এনেকৈ— 'শুকান ডালৰ কাৰণে জেংবিহু হোৱা নাই আৰু আচল নাম হৈছে পই নং জেং।' আকৌ ২০০০ চনৰ ১১ এপ্ৰিলত 'সময়' নামৰ কাকতত প্ৰকাশ পোৱা অনুপম চক্ৰৱৰ্তীৰ 'গাভৰু বিহুৰ সন্ধানত সোণাৰিত এদিন' নামৰ প্ৰবন্ধটিত এজন বয়োবৃদ্ধ শ্যামে আমাক ক'লে— 'আহোমসকলে অসমত ৰাজ্য পাতি এই দেশৰ থলুৱা ভাষা, গীত, নৃত্যৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। আহোমে সেই সময়ত গাভৰুহঁতৰ বিহু দেখি টাই ভাষাত তাক জেং নাঙ' বুলিছিল। চক্ৰৱৰ্তীদেৱে প্ৰকাৰন্তে এইটো বুজাবলৈ চেষ্টা কৰিছে যেন লাগে যে আহোমসকলে বিহুটো ইয়াতহে সামৰি ল'লে। লগত অনা নহয়।

জেংবিহুৰ ওপৰত স্বনামধন্য ব্যক্তিসকলে ওপৰত উল্লেখিত বিশ্লষণবোৰৰ কথা জানি ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে মত প্ৰকাশ কৰিছিল এনেকৈ— 'প্ৰতিটো বস্তুৰে নাম হয় বিশিষ্ট চৰিত্ৰৰ দ্বাৰা। পৃথিৱীৰ ঠাইৰ নাম, সংস্কৃতিক বস্তু প্ৰতিটো নামৰে নিজা ইতিহাস আৰু অৰ্থ থাকে। জেংবিহুৰো ইতিহাস আছে আৰু নামটোৰ অৰ্থ আছে। তদুপৰি আছে ইয়াৰ নিজা চৰিত্ৰ তথা বৈশিষ্ট্য।' ■

ৰঙালী বিহুত হুঁচৰি, লহৰী আৰু বিহু নাম বা গীত

মঞ্জুলা কাকতী

বসন্ত কালত ব'হাগ মাহ। ৰঙালী বিহুৰ বতৰ। ঢোল-তাল, পেঁপা গগনা, টকা আদি বাদ্যৰ লগত বিহু নামৰ জাতে গৌটেই বৰ অসমৰ বতাহ ৰজন-জনাই উঠে। তাতে ঘৰৰ চোতালে চোতালে পৰম্পৰাগতভাৱে চলি আহিছে। এই হুচৰি বা বিহু গাই, ডেকা, বুঢ়া সকলো পুৰুষে মিলি, জয় ৰাম বোলা, জয় হৰি বোলা বুলি গৃহস্থৰ চোতালত থিয় হৈয়ে ঢোলত ৰগৰ মাৰে। এই হুঁচৰি কি?

চ'ত মাহৰ শেষৰ দিনাৰ পৰা ব'হাগ মাহৰ শেষলৈকে গৃহস্থৰ ঘৰে ঘৰে (বিশেষকৈ গাঁৱত) গৈ চোতালত বিহু মৰাৰ আগতে হুঁচৰি গাই। হুঁচৰি নাম বা গীতবোৰ এনেধৰণৰ—

হুঁচৰি এ চ'ত
আমি বিহু মাৰো য'ত
হৰি ঐ দুবৰি নগজে ত'ত

ইয়াৰ উপৰি ভগৱন্ত কৃষ্ণক বৰ্ণনা কৰিও হুঁচৰিৰ নামবোৰ গায়—

কৃষ্ণায় মুৰবে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম

হুঁচৰিৰ নাম সমূহ ধৰ্মীয় ভাৱসম্পন্ন আৰু সাত্বিক ভাৱৰ। এই নামৰ শেষৰফালে ৰামহে কৰুণা ময়, হৰি হে কৰুণা ময় আদি ধৰ্মীয় নামসমূহ বিহুৱা সকলে গায়। ইয়াৰ উপৰি পগলা শিৱ-পাৰ্বতীৰ গীত, ফুলকোঁৱৰ, মনিকোঁৱৰ আদিৰ মালিতাও হুচৰিত ব্যৱহাৰ কৰা দেখা যায়। নামৰ মাজে মাজে ঢোলৰ বিভিন্ন চেঁওত পুৰুষসকলে নাচে। হুঁচৰি নামৰ এটি বৈশিষ্ট্য যে এই নামত কোনো অশ্লীলতা বা যৌন গোন্ধ নাথাকে। হুঁচৰি গাৱলৈ বয়োজ্যেষ্ঠৰ অনুমতিৰ প্ৰয়োজন নহয়। হুঁচৰি গোৱাৰ শেষত হুঁচৰি গোৱা ৰাইজক গৃহস্থই শৰাইত বস্ত্ৰ, তামোল-পান, দক্ষিণা আদি দি সেৱা জনাই, বছৰটোৰ কুশল কামনাৰে। ৰাইজেও গৃহস্থক বছৰটোত গৃহস্থৰ ল'ৰা-ছোৱালী, বোৱাৰী সকলোৰে কুশলে থকাৰ উপৰি ধনে ধানে গৰুৱে গায়ে যাতে উপচি থাকিবলৈ ভগৱন্তক প্ৰাৰ্থনা কৰি ভক্তি ভাৱে এজাউৰি আশীৰ্বাদ দিয়ে এনে ধৰণে নামেৰেই।

এটা বাতিত নহৰু
এটা বাতিত পনৰু,
এটা বাতিত খুতৰা শাক,
মুৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছো,
গৃহস্থ কুশলে থাক।।

হুচৰিৰ পিছতে ডেকাসকলে হাতত ধৰাধৰিকৈ লহৰীৰ নাম গায় আৰু নাচে। লহৰী নামসমূহ খৰকৈ গায়।

এই নাম এনেধৰণৰ—

'হাতৰে চাপৰি আহক টানেকৰি,
ভৰিৰ গিৰিপনি লঐ লগৰীয়া।

লহৰী গীত নামৰ লগত বজোৱা ঢোলৰ চেওবোৰ বা বিহুনামৰ যোজনীত বিহুৰ বৰ্ণনা, দেউতা স্বৰ্গদেউৰ নামগুণ বৰ্ণনাৰে বিহু পকি উঠে। ঢোলত হাত বুলাই ঢুলীয়াই যেতিয়া নাচনীৰ চেও মাৰে তেতিয়া গাভৰুহে নালাগে ৰান্ধনী ঘৰ সোমাই থকা বুঢ়ী সকলৰো দেহা সাতখন আঠখন। প্ৰকৃতিৰ

বিনন্দীয়া ৰূপত বসন্ত কালৰ ব'হাগ বিহুটিয়ে মানুহক জীয়াই থকাৰ মুৰ্চনা দিয়ে। এই ৰঙালী বা ব'হাগ বিহুটোৰ কথা কৈ থাকিলেও শেষ নহয়।

চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।

হুঁচৰি গীতসমূহত ভক্তি ৰস যেনেকৈ প্ৰবল ঠিক বিহু নাম বা বিহু গীতবোৰত কিন্তু ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয় আদি ভাৱবোৰ হৈ পৰে গাঢ়। বেছি সংবেদনশীল। হুঁচৰিত তিৰোতাৰ স্থান নাই। কিন্তু বিহু নাচ বা নাম গোৱাত তিৰোতা তথা গাভৰুৰ সমান স্থান। আগতে গাঁৱত গাভৰুসকলে পথাৰত ডেকা-ল'ৰাই নেদেখাকৈ বিহু মাৰিছিল। আতৰৰ পৰাই তেওঁলোকে বিহু নামৰেই প্ৰিয়জনক প্ৰেম নিবেদন কৰিছিল। যেনে

চৰাই হালধীয়া, পাখী বিনন্দীয়া
অৰণ্যৰ ভিতৰৰ টোপ।।
দিনটোৰ ভিতৰত চেনাইক নেদেখিলে,
পেটটো নালাগে ভোক।

ৰঙালী বিহু বা ব'হাগ বিহুটিৰ আৰু এটা বিশেষত্ব এই যে এই বিহুতে গৰুৰ বিহু দিনা বস্ত্ৰ দান কৰিলে বৈকুণ্ঠত ঠাই পাই বুলি লোক বিশ্বাস। অসমৰ জীয়াৰি, বোৱাৰীসকলে প্ৰিয়জন, স্বামী পুত্ৰ আদিলৈ বিহুৱানখনি (গামোছা) শালত বয়। কুলি কেতেকীৰ মাতে যেন তেওঁলোকক বিহুৱান ব'বলৈ সোঁৱৰাই দিয়ে। গাভৰুসকলে প্ৰিয়জনৰ বাবে বিহুৱানখন আছুতিয়াকৈ টিপতে লুকুৱাই ৰাখে। তাকো বিহুনামত আছে—

ৰাতি দুপৰলৈ কাতি সূতালাহী
ধনলৈ বিহুৱান বলো
ৰঙাকৈ আছুঁৰে বান্ধি পানে কটা
টিপতে লুকুৱাই থ'লো।

ঠিক তেনেকৈ চেনেহীৰ বাবে গছ বগাই কপৌ ফুল আনি খোপাত পিন্ধাবলৈ কৰা হাবিয়াসো বিহু নামত গোৱা হৈছে—

পাহাৰ বগাই বগাই
কপৌ ফুল আনিলো।
ঐ চেনেহী খোপাতে
খোপাতে পিন্ধামে বুলি।

প্ৰেমিকা বা লাহৰীক লৈ মনৰ ভাব প্ৰকাশ কৰা বহুতো বিহু নাম আছে।

১) কিনো মোহনী আছে ঐ লাহৰী,
তোমাৰ চকুজুৰিৰ মাজত।
সেই মোহনী দিবানে লাহৰী
খুজিব নোৱাৰো লাজত।

প্ৰেম পিৰীতিৰ নামৰ উপৰিও বিহুত বজোৱা ঢোল-পেঁপা, টকা কেনেকৈ বজালে নাচনীয়ে নাচিবলৈ ভাল পাব তাৰ ওপৰতো নাম গাইছে—

১) পেঁপাৰ চেও ধৰি কবি ঐ পেঁপাৱা
পেঁপাৰ চেও ধৰি বাবি।
খৰকৈ নেবাবি উকাকৈ নেবাবি।
নাচনীৰ চেওতে বাবি।।

২) টকাৰ সৰু সৰু মাতে সমনীয়া
টকাৰ সৰু সৰু মাত।
টকাৰ মাতে শুনি ৰবকে নোৱাৰো
এৰি যাওঁ পেটৰে ভাত।

আকৌ বিহুৰ ঢোলটোও কোন জেগাৰ মুচিয়াই ভালকৈ চায় তাকো নামত উল্লেখ আছে। ঢোলৰ নাম উৰুলি ঢোলৰ নাম কুৰুলি—

ঢোলটো বিন্ধিলে ঘূনে

মৰাণৰ মুচিয়া ঘৰত নাইকীয়া
ঢোল চাই দিবনো কোনে।

এইখিনিৰ উপৰি বিহু নাম তথা গীতসমূহত সমাজত বা দেশত ঘটা যিকোনো ঘটনা বা পৰিস্থিতিৰ ওপৰত বস্তুৰ কথাবাৰীও নাম কৰি গোৱা যায়। বিহু নামত প্ৰেম, বিৰহ আদি সকলো ভাৱৰ সংমিশ্ৰন হোৱা হেতুকে হুঁচৰিৰ শেষত বিহু মাৰিবলৈ বিহু নামৰেই অনুমতি বিচাৰে আৰু গাওঁতে দায় দোষ ক্ষমিবলৈকো কয়। সেয়েহে গায়—

ছাগে চেলাবৰে ডবুৰা কটাৰী
মহে ছেলাবৰে মিত,
সমাজৰ ৰাইজসকল
দায় দোষ এৰিবা ঐ
গাই যাও বিহুৰে গীত। ■

কৌতুক

১। বুঢ়া ঃ ডাক্তৰ, মোৰ ল'ৰাটোৱে অনবৰত দাঁত কামুৰি থাকে। আপুনি এটা উপায় দিয়ক।

ডাক্তৰ ঃ হ'ব, মই তাৰ দাঁতবোৰ উঘালি পেলাম।

২। যদুৱে পৰীক্ষা দি উভতি অহাৰ লগে লগে মাকে সুধিলে— যদু পৰীক্ষা কেনে হ'ল?

যদু ঃ বেয়া হৈছে মা।

মাক ঃ কিয় বেয়া হ'ল।

যদু ঃ নক'বা মা! মোৰ আগত বহা ল'ৰাজনৰ হাতৰ আখৰ একেবাৰে সৰু, কি যে লিখে ধৰিবই নোৱাৰি।

৩। মাক (দুখত) ঃ ৰাজু আমাৰ ভাগ্য খালত পৰিলে?

ৰাজু ঃ কোনটো খালত মা। দেখুৱাই দিয়ানা। বৰশী বাই তুলি আনো।

ৰেঙণি ঃ ১৯৫০

ডাঃ সুৰেন পাটগিৰি

১৯৫০ চনৰ আগে পিছে মই স্কুলীয়া ছাত্ৰ আছিলো। কুঁজাকায়ে কান্ধত উঠাই মোক স্কুললৈ লৈ গৈছিল; কাৰণ ৰেল লাইন পাৰ হ'লেহে স্কুল ঘৰ পাইছিলো। সেই সময়ত মোৰ অসুখ-বিসুখ প্ৰায়ে হৈছিল। ডাক্তৰ বুলিবলৈ সোণা জেঠাইহে আছিল। তেওঁৰ কোনো ডাক্তৰী ডিগ্ৰী নাছিল। কলিকতাৰ পৰা অনা হোমিওপেথিক ঔষধৰ বাকচটো আৰু 'মেটেৰিয়া মেডিকা'খনেই আছিল চিকিৎসাৰ মূখ্য অস্ত্ৰ আৰু দাৱাইখানা। মোৰ আজিও মনত আছে, তেওঁ ঔষধৰ বাকচত নক্সা ভূমিকা, পলচেটিলা আৰ্নিকা আদি বিভিন্ন শক্তিৰ সৰু সৰু চিচা কিছুমান! আমাৰ কাৰোবাৰ অসুখ হ'লে, তেওঁ তাৰপৰাই ঔষধ দিছিল। আমি সৰহখিনিয়ে তেওঁৰ ঔষধ খায়েই অসুখ ভাল পাইছিলো। তেওঁ ওচৰ-পাজৰৰ মানুহকো বিনামূল্যেই ঔষধ দিছিল। পিছলৈ ৰাতিপুৱা আৰু গধূলি বাটঘৰত বহি নিতৌ একুৰি-ডেৰকুৰি ৰোগীক তেওঁ হোমিওপেথিক ঔষধ দিছিল।

মোৰ দেউতায়ো এনে এটা বাকচ কলিকতাৰ পৰা আনিছিল। সেইটো পিছলৈ মোকে দি দিছিল। লাহে লাহে সেইটোৰপৰা মই ঔষধ দিব পৰা হৈছিলো।

(২)

ডাঙৰ মামা বৰ প্ৰতাপী লাট মণ্ডল আছিল। তেৰোঁ হোমিওপেথিক চিকিৎসা কৰিছিল। মোৰ সৰু ভাই-ভন্টীহঁতৰ জন্মৰ সময়ত তেওঁ মোৰ মাক হোমিওপেথিক ঔষধ দি প্ৰসৱ কৰাইছিল। মোৰো জন্ম তেওঁৰ ঔষধতে তেওঁলোকৰ হাটখোলাৰ ঘৰত হৈছিল।

সেইযে বিষ হোৱাৰ পৰা জন্ম হোৱালৈকে সময়বোৰ বৰ উৎকণ্ঠাৰে ভৰি আছিল। সকলোৰে মুখত ভয় আৰু সংশয়ৰ চাব। দৌৰাদৌৰি। মামাৰ ভীষণ চিন্তা। মাজে মাজে মেটেৰিয়া মেডিকাখন মেলি লৈ দেউতাৰ লগত গুৰগুৰি হুকা টানি বিষদ আলোচনা। এই আলোচনাৰ মুখ্য অতিথি আছিল 'দধী বাবু' (দধী জেঠা)। তেওঁ পিএম বাকচিৰ পঞ্জিকাখনলৈ গ্ৰহ-নক্ষত্ৰ আদি চাই দিছিল; সজ প্ৰসৱৰ 'যুতিকা' পঞ্জিকাৰ পৰা নকল কৰি লিখি প্ৰসূতি ঘৰৰ মুখত আঁহি দিছিল। প্ৰসূতি ঘৰত মোহনৰ মাক ধাই হিচাপে আহিছিল। ডাঙৰ মামীৰ বাহিৰে তালৈ কাকো যাব নিদিছিল।

মাজে সময়ে শুভ্ৰ দাড়ি কোঁচা পিহিপিহি সোণা জেঠায়ো এই আলোচনাত অংশ লৈছিল। তেওঁ বিশেষ উপদেশ আৰু পৰামৰ্শ বা দিহা আদি দিছিল। তেওঁৰ পৰামৰ্শ শিলৰ ৰেখাৰ দৰে শেষ খাটাং।

মই আৰু মোৰ লগৰ ভাই-ককাইহঁত বিচনাত শুই বা দুৱৰ পৰা জুমি চাই তেওঁলোকৰ উৎকণ্ঠাৰ উমান লৈছিলো। আমাৰ মাজতো সংশয় আৰু উৎকণ্ঠা বিৰাজ কৰিছিল। এদিন এৰাতিৰ পিছত বীৰেণ, নীৰেণ, হীৰেণ, পূৰ্ণ বা স্বৰ্ণৰ জন্ম হৈছিল। তাৰ পিছত কিযে স্ফুৰ্টি!

মোৰ মাৰ প্ৰসৱহে এওঁলোকৰ চিকিৎসা বিষয় আছিল, তেনে নহয়; তেওঁলোকে মিলিজুলি সেই সময়ত ওচৰে-পাজৰে থকা ধনী-দুখীয়া, সম্বন্ধীয়-বিনা সম্বন্ধীয় সকলোজনকে বিনা মাচুলে চিকিৎসা কৰিছিল। তেওঁলোকৰ এই আত্মীয়তা সম্ভৱতঃ চতো, তুবি.., দতো, আতাহঁতৰ পৰা পাইছিল। বিপু

আতা ভাল হোমিওপেথিক ডাক্তৰ আছিল। এওঁলোকে মান ভগনীয়াৰ পিছত হোৱা 'মৰড' আৰু ভৱানীপুৰ, তাপা, নহাচি, গলীয়া আদিক ৰক্ষকৰিছিল।

(৩)

দুৰ্গা পূজা অসুৰ নিধনৰ চিহ্ন। আসুৰিকতা কোনোৱে ভাল নেপায়। সকলোৱে শান্তি বিচাৰে। আমাৰ চহৰত মানে সৰুপেটাত দুৰ্গা পূজা পতাৰ আৰম্ভ কৰিছিল যাদৱ-মাধৱ সাহাৰ সৌজন্যত। সম্ভৱতঃ ১৯২৮ বা ৩০ চনত সৰুপেটাত এই দুৰ্গা পূজা আৰম্ভ হৈছিল। লাহে লাহে দুৰ্গা পূজা, লক্ষ্মী পূজা আৰু কালী পূজা সেইসময়ৰ মানুহখিনিৰ মাজত সোমাই পৰিল। নাট্য মন্দিৰ, পূজাঘৰ, দৌল আদি তৈয়াৰ হৈ উঠিছিল।

সেইসময়ত কিন্তু কোনো শৈল্য চিকিৎসাৰ সুবিধা নাছিল। ঢাকা বা পিছলৈ ডিব্ৰুগড়ৰ পৰা এল. এম. পি. পাচ কৰি অহা ডাক্তৰসকলে এলোপেথী চিকিৎসা এই অঞ্চলৰ গাঁৱে ভূঞে আৰম্ভ কৰিছিল।

পঞ্চাশ দশকৰ বহু আগৰে পৰা সম্ভৱত ব্ৰিটিচ সাম্ৰাজ্যৰ শেষৰফালে সৰুপেটাত এখন লোকেল বোৰ্ডৰ ডাক্তৰখানা আছিল। পঞ্চাশ দশকত তাত ডাঃ জগন্নাথ দাসদেৱ চিকিৎসক আছিল। তেওঁ এজন দৰদী আৰু বিজ্ঞ চিকিৎসক আছিল। ঘৰত আহি ৰোগী চালে তেওঁ মাত্ৰ পাঁচ টকা মানহে মাচুল লৈছিল। ফোঁহৰা, থেতেলা খোৱা আদিত সৰু সুৰা অস্ত্ৰোপচাৰ কৰিছিল। ডাঃ কন্দৰ্প চৌধুৰী (খুৰা) সম্ভৱতঃ সেই অঞ্চলত প্ৰথম সহজতে পাব পৰা ডাক্তৰ আছিল। তেওঁ এজন ভাল শৈল্য চিকিৎসক আছিল। বিচাৰিলে তেওঁৰ ঘৰত ঔষধ পাতিও পোৱা গৈছিল। সাধাৰণতে ডাক্তৰৰ লগতে সকলো ধৰণৰ ঔষধ থাকে। তেৱেঁ ৰোগীক দিয়ে। তেতিয়া কোনো ফাৰ্মাচী নাছিল।

(৪)

ফাৰ্মাচী পাতি আৰু মাইক্ৰোস্কোপত তেজ, শৌচ আৰু প্ৰস্ৰাৱ চাই স্বাধীনতাৰ আগে আগে গুৱাহাটীত ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু নলবাৰীত ডাঃ গিৰিজা চৌধুৰীদেৱে চিকিৎসা কৰিছিল। তেওঁলোক এম বি ডিগ্ৰীধাৰী ডাক্তৰ আছিল। তেতিয়া আজিৰ দৰে ৰঘুমলা গজা দি কোনো ক্লিনিকেল লেবৰেটৰী নাছিল। ডাঃ ভুবনেশ্বৰ বৰুৱাদেৱে উলুবাৰী চাৰিআলিত ঘৰতে ৰাখি বেমাৰী চিকিৎসা কৰিছিল। তেনেকৈ ডাঃ তিলোত্তমা বয় চৌধুৰীদেৱীয়ে (তেওঁ কলিকতাৰ পৰা D.G.O. পাচ কৰিছিল) পান বজাৰৰ বৰপেটীয়া পাৰা স্ত্ৰী ৰোগৰ চিকিৎসা কৰিছিল। জিলা সদৰৰ চিভিল হস্পিতালৰ বাহিৰে অন্য ক'তো বিচনাৰ সুবিধা নাছিল। Indoor Service লাহে লাহে গা কৰি আজি কালিৰ দৰে য'তে ত'তে নাৰ্চিং হোম পতাদি তেতিয়াৰ দিনত নাছিল।

সৰুপেটা অঞ্চলত 'এলোকেশী ফাৰ্মাচী'য়েই সম্ভৱ প্ৰথম ফাৰ্মাচী। বঙালী ভদ্ৰলোক এজনে এইখন চলাইছিল। তেওঁক সকলোৱে দেৱেন ডাক্তৰ বুলিয়ে জানিছিল। তেওঁ ১৯৫০-৫২ চনত পূৰ্ববঙ্গৰ পৰা আহি অসম পাইছিল। তেওঁ তাত কোনোবা ডাক্তৰৰ তলত কাম কৰিছিল। তেওঁৰ 'এলোকেশী' ফাৰ্মাচীক আমি ল'ৰাহঁতে 'আলু-কচু' ফাৰ্মাচী বুলি কৈছিলো। তেৱোঁ কটা-চিঙা কৰিছিল।

(৫)

ইমানখিনি সুবিধা লাহে লাহে গঢ়ি উঠাৰ স্বত্বেও 'আসুৰিক চিকিৎসা'ৰ প্ৰাদুৰ্ভাব তেতিয়াও পূৰ্ণোদ্যমে চলি আছিল। দুৰ্গাপূজা পাতিও আসুৰিকতাক বাদ দিয়া নাছিল। পুৰণি প্ৰণালী জানো পটকৈ নাইকীয়া হয়?

সৰুপেটাৰ ওচৰৰ চামতাৰ 'বৰ্মন বেজ জেঠা' সম্ভৱত প্ৰখ্যাত আৰু প্ৰধান আছিল। তেওঁ মোৰ কেবাটাও 'ইন্দ্ৰা' কাটি ভাল কৰিছিল। পাট নাদক ইন্দ্ৰা বোলে, Deep sited adcess ক সম্ভৱত 'ইন্দ্ৰা' বুলি কৈছিল। মোৰ পিঠিত কেবাটাও দাগ আছে। তাৰে এটা পাচপোৰ্টত Identification mark হিচাপে দিছিলো। তেওঁ বহু মন্ত্ৰ জানিছিল; মন্ত্ৰ শব্দ কৰি 'নিদান' বা পুথিৰ পৰা পঢ়িছিল। তেল-পানী জাৰি দিছিল। বিহলঙণী আদি ব্যৱহাৰ কৰিছিল। এখন গুৱা 'চাউলী'ত (চালনি) এটা চৰতিয়াৰে সিধাসহ বিহলঙণী, জলকীয়া, সৰিয়হ আদি মাহঁতে আগবঢ়াই দিয়া দেখিছিলো।

তেওঁৰ পিছতে, মোৰ মনত থকা মতে, প্ৰখ্যাত আছিল—টিহুৰ নানাটাৰীৰ 'বেজবৰুৱা'। তেওঁ মাহেকে পষেকত এবাৰ হ'লেও আমাৰ ঘৰলৈ আহিছিল। তেওঁ তাহানিৰ বিজ্ঞ শৈল্য চিকিৎসক বা 'বেজ'। সম্ভৱত আহোমৰ শাসন কালত তেওঁলোকে বেজবৰুৱা বাব পাইছিল। তেওঁ বিহ-ফোঁহোৰত গৰম ঘি লগাই বনৰীয়া লতাৰ শিৰা সুমুৱাই দিছিল আৰু গধুলিলৈকে ফোঁহৰা ফাটি পুঁজ ওলাইছিল।

মোৰ দেউতাক এবাৰ বোলে 'গেদ্‌ৰা' সাপে দংশন কৰিছিল। তেওঁৰ এখন ভৰিত সৰুতে পৰিও মায়েলাইটিজ হৈছিল; সৰু চাইজৰ জোতা পিন্ধিব লাগে। সেইখন ভৰিত ভীষণ বিষ। জগন্নাথ ডাক্তৰে বিষৰ ইনজেক্‌চন দিছিল। ভাল নেপালে। কন্দৰ্প ডাক্তৰে সম্ভৱতঃ পেনিচিলিন বেজি দিছিল। বেজ বৰ্মন জেঠায়ো জৰা-ফুকা কৰিছিল। মুঠেই ভাল নেপালে। শেহত টিহুৰ পৰা 'বেজবৰুৱা'ক আনিছিল। তেওঁ 'কৰ্কলা মাচুৰ দ্বাৰে'ৰে (দাঁতেৰে) ফুটাই তেজ-পানী উলিয়াই দিলত দেউতাই অলপ ভাল পাইছিল। বেজবৰুৱা এৰাতি থাকি দেউতাক ঔষধ পাতি দি টিহুলৈ গুচি গ'ল। তাৰ পিছত চেপ্টিক হৈ গোটেই ভৰি ফুলি উঠিল। কন্দৰ্প খুৰাই (ডাঃ) পুনৰ সম্ভৱত এণ্টিবায়টিক বেজি দিলত অলপ আৰাম পাইছিল। তেওঁ দেউতাৰ ভৰিৰ পতাত জমা হোৱা abcess টো সাতদিনমান পাছত ফালি দিলে। কিন্তু দেউতাই ভাল হ'লে অলপো নেপালে।

এদিন 'উইধাগুৰি' ফালৰ পৰা এজন ওজা আহি আমাৰ ঘৰত ওলাইছিল। তেওঁ তুলা ৰাশিৰ মানুহ এজনক 'হাতজাৰি' দিছিল; হাতখন সাপৰ দৰে গৈ দেউতাৰ সোঁ ভৰিৰ পানী গাঁঠিত ধৰিছিল। তেওঁ মোক এখন কাঁহৰ থাল আনিবলৈ দিছিল। থালখন 'জাৰি' দেউতাৰ পিঠিত লগাই দিছিল। থালখন পিঠিত লাগি ধৰিছিল। কিছুসময়ৰ পিছত থালখন ৰঙচুৱা হৈ পৰিছিল। সেইটো বোলে সাপৰ বিহৰ কাৰণে হৈছিল। এটা সময়ত থালখন খহি পৰিল। থালখন বনকৰা মানুহ এজনক পুৰিবলৈ দিছিল। বৰ আচৰিত কথা, দেউতা সম্পূৰ্ণৰূপে ভাল পাই গ'ল। অলপ অলপকৈ খোজ কাঢ়িব পৰা হ'ল। লাহে লাহে আগৰ দৰে হৈ পৰিল। সিদিনাখনৰ গোটেই ঘটনাটো আৰু দেউতাৰ আৰোগ্য আজিও মোৰ কাৰণে সাঁথৰ হৈয়ে থাকিল।

(৬)

আমাৰ ঘৰৰ সন্মুখত, আমাৰ বংশৰ পুৰোহিত দেৱৰ 'জগন্নাথ ঔষধালয়' আছিল। সেইখন আয়ুবেৰ্দিক দাঁতব্যশালা। বহু ৰাতিলৈ খুন্দনাত খুন্দি পুৰোহিত 'আতা'ই মকৰ্ধ্বজ আৰু অন্যান্য বটিকা তৈয়াৰ কৰিছিল। তেওঁ মাজে সময়ে মোদকৰ বড়ী কিনি চকলেটৰ দৰে খাইছিল। তেওঁলোকৰ অন্য এখন ঔষধালয় ভৰলুমুখতো আছিল। পিছে আজিকালি সৰুপেটা বা ভৰলুমুখৰ আয়ুৰ্বেদিক দাঁতব্যশালা দুখন বাছি থকা নাই। সময়ে সেইবোৰ মহতিয়াই গুৰি কৰি গৈছে।

এতিয়া Clinical laboratary হ'ল, বিশেষজ্ঞ ডাক্তৰ হ'ল, ফাৰ্মাচী হ'ল, নাৰ্চিংহোমৰ জন্ম হ'ল। লগে লগে সমাজে হেৰাই পেলালে বিহু আতা, সোনা জেঠা, ডাঙৰ মামা, দেউতা, দধী জেঠা, বেজ জেঠা, বেজবৰুৱা বা প্ৰজন্মলোৱা নতুন পদ্ধতিৰ চিকিৎসক ডাঃ জগন্নাথ দাস বা ডাঃ কন্দৰ্প চৌধুৰীসকলৰ একাগ্ৰতা, মানবীয়বোধ আৰু সহানুভূতিশীলতা। মোৰ আজিও মনত আছে—কাৰোবাৰ বেমাৰ-আজাৰ হ'লে, আকস্মিক দুৰ্ঘটনা ঘটিলে, দেউতা, জেঠা, খুড়াহঁতে জাঙুৰ খাই 'আবুৰ' দি সহায় কৰিছিল।

তেতিয়া এওঁলোকে বেমাৰ-আজাৰ, দুৰ্ঘটনা বা মৃত্যুত সহায় কৰাটো মানবীয় কৰ্তব্য বুলি ভাবিছিল। আজিকালি পিছে বেমাৰ আজাৰৰ চিকিৎসা বাণিজ্যিক মূল্যাঙ্কনত ল'লে। অৰ্থনৈতিক ফাইদা নহ'লে আজিৰ আমাৰ দেউতা বা ককাসকলে চিকিৎসা বিজ্ঞান 'উইধাগুৰি'ৰ ওজাৰ দৰে প্ৰাণময় হৈআছে। মেদিনী চৌধুৰী দেৱৰ এনেকুৱা স্বীকাৰোক্তি 'আসাম ট্ৰিবুন'ত মোৰ পঢ়া মনত আছে।

আজি আমি একবিংশ শতিকাত ভৰি দি Health for all বুলি মূল্যাঙ্কন কৰাৰ প্ৰয়াসেৰে অন্ততঃ আৰু এটা শতক Health for wealth বুলি নাভাবো আহক আৰু তেনেকৈয়ে পঙ্গু অৰ্থনীতিয়ে পীড়ন কৰা অসমৰ স্বাস্থ্য বিজ্ঞান স্বাস্থ্যবান আৰু সুস্থ কৰি তোলো আহক। ■

দেউৰী লোকজীৱনত সাজ-পোছাক ঃ তাৎপৰ্য আৰু বিভিন্নতা

ষড়ানন দেউৰী

দেউৰী লোকসমাজৰ লোক-সংস্কৃতিৰ পথাৰখন অতি চহকী আৰু বিশাল। পলসৰে ভৰা এই সাৰুৱা লোক-সংস্কৃতিৰ পথাৰখনত গজালিৰ দৰে পৰিপূৰ্ণ মাত-কথা, আচাৰ-ব্যৱহাৰ, আদৰ-কায়দা, খোৱা-বোৱা, সাজ-পোছাক, গীত-মাত আদিৰ জৰিয়তে দেউৰী লোক-সংস্কৃতিৰ স্বকীয়তা আৰু বিশালতা উপলব্ধি কৰিব পাৰি। এই চমু নিবন্ধত দেউৰী লোক-কৃষ্টিৰ অন্যতম উপাদান সাজ-পোছাকৰ তাৎপৰ্য আৰু বিভিন্নতাৰ বিষয়ে আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ল।

দেউৰী লোক-সমাজৰ সাজ-পোছাকৰ তাৎপৰ্য আৰু বিভিন্নতাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে সমগ্ৰ মানৱ জাতিৰ সাজ-পোছাকৰ আৱশ্যকতা ক'ত কেতিয়া হ'ল? কিহৰ বাবে মানুহে লোক-আবৰণ পৰিধান কৰিবলৈ ল'লে, লজ্জা নিবাৰণৰ বাবে নে জাৰ-জহৰ পৰা পৰিত্ৰান পাবৰ বাবে? নে সৌন্দৰ্যবোধৰ বাবে? মুখ্যভাৱে সাজ-পাৰ পৰিধান কৰিবলৈ লয় বুলি যুক্তিযুক্ততা আছে। সকলো কাৰ্যৰে কাৰণ (কাৰ্য-কাৰণ বিধি অনুসৰি) একোটা বা তাতোধিক থকাৰ নিছিনাকৈ সাজ-পোছাক পৰিধানৰ ক্ষেত্ৰতো কাৰণ নিশ্চয় আছে আৰু যিবোৰ কাৰণ যুক্তিৰ আধাৰত বিশ্লেষণ কৰিব পৰা যায়। সমগ্ৰ মানৱ জাতিৰ অংশীদাৰস্বৰূপ দেউৰী জনগোষ্ঠীও তাহানিৰ অঘৰী তথা জংঘলী জীৱন কালছোৱাৰ জীৱন-ধাৰণ শৈলীৰ ৰূপান্তৰে সভ্য, ৰুচীবোধৰ উন্মেষ ঘটাই কালৰ গতিত বৰ্তমান সমাজত একোটা স্বকীয় জনগোষ্ঠী হিচাবে প্ৰতিষ্ঠা লাভ কৰিবলৈ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰিছে। এনে এক সন্ধিক্ষনত দেউৰী লোক জীৱনৰ পৰম্পৰাগত সাজ-পোছাকৰ ৰক্ষণা-বেক্ষণৰ বেলিকা যি প্ৰত্যাহ্বান আহি পৰিছে সেইবোৰ বিজ্ঞানসন্মত বিশ্লেষণৰে উপযুক্ত কাৰ্যব্যৱস্থা গ্ৰহণ নকৰিলে অচিৰেই জনগোষ্ঠীটোৱে এক অবাঞ্ছিত ফল ভোগ কৰিবলৈ বাধ্যত পৰিব। সেইবাবেই দেউৰী লোক-জীৱনৰ সাজ-পোছাকৰ তাৎপৰ্য আৰু ইয়াৰ বিভিন্নতা আদিত এক উমৈহতীয়া সিদ্ধান্ত সম্পৰ্কত আলোচনাৰ গুৰুত্বতা উপলব্ধি কৰা যায়।

দেউৰী লোক-জীৱনত সাজ-পোছাক বহল ভিত্তিত লিংগভেদে দুভাগত বিভক্ত কৰিব পাৰি। পুৰুষৰ ক্ষেত্ৰত 'ইঁকু' (চুৰিয়া), 'চলা'/'জিমা' (চোলা) আৰু 'বচে' (গামোছা) এই তিনিবিধ সাজ প্ৰধানকৈ পৰিধান কৰা পৰিলক্ষিত হয়। অন্যহাতে মহিলাৰ বেলিকা সাজ-পোছাক বয়স অনুপাতে তিনি/চাৰিটা স্তৰত পৃথককৈ ব্যৱহাৰ কৰা দেখা যায়। উদাহৰণস্বৰূপে—(১) কৈশোৰ কালছোৱাত কঁকালৰপৰা আঁঠুৰ ওপৰলৈকে বৈ পৰা 'ইঁগু' (মেখেলা) আৰু গাত 'জিমা' (চোলা) পৰিধান কৰে; (২) যৌৱনপ্ৰাপ্ত গাভৰুৱে কঁকালৰ পৰা ভৰিৰ কলাফুললৈ বৈ পৰা 'ইঁগু' (মেখেলা), গাত 'জিমা' (চোলা), বুকুৰ ওপৰত 'বাইগা' আৰু মূৰত 'গাতিগি' লয়। (৩) গাভৰু চামৰ মাজৰ পৰা বাচকবণীয়া জ্যেষ্ঠ চামে আকৌ বুকুৰ ওপৰলৈকে 'ইঁগু', গাত 'জিমা', মূৰত 'গাতিগি' আৰু 'ইঁগু'ৰ ওপৰত কঁকালৰপৰা আঁঠুলৈকে বৈ পৰা 'জকা চিবা' সাজ পৰিধান কৰে। (৪) সেইদৰে বোৱাৰী শ্ৰেণীৰ পৰা বুঢ়ীলৈকে মূৰত 'গাতিগি', বুকুৰ ওপৰৰপৰা ভৰিৰ কলাফুললৈ বৈ পৰা 'ইঁগু', গাত 'জিমা' আৰু 'ইঁগু'ৰ ওপৰত কঁকালৰপৰা

আঁঠুলৈকে বৈ পৰা 'জকা চিবা' পৰিধান কৰা দস্তুৰ। অৱশ্যে উপৰুক্ত ৩নং স্তৰৰ জ্যেষ্ঠ গাভৰুজাকৰ সাজ পৰিধানৰ ক্ষেত্ৰত শিথিলতা আহি বৰ্তমানে উক্ত চাম/স্তৰৰ গাভৰুৱে ২নং স্তৰৰ ব্যৱহৃত সাজ-পোছাক বহল ভিত্তিত পৰিধান কৰা দেখা যায়। এইখিনিতে উল্লেখনীয় যে, দেউৰী লোক জীৱনত এনে প্ৰণালীবদ্ধ সাজ-পোছাক পৰিধানৰ ব্যৱস্থাটো অতি প্ৰশংসনীয় বুলি অনুধাৱন কৰা যায়। এইকাৰণেই যে উক্ত ব্যৱস্থাৱলীত কিছু কিছু বিজ্ঞানসন্মত যুক্তি যুক্ততা সাঙুৰ খাই আছে। বিশেষকৈ মহিলাৰ ক্ষেত্ৰত বয়সৰ স্তৰভেদে সাজ-পোছাকৰ প্ৰকাৰ আৰু পৰিধানৰ নিৰ্দিষ্টতাই জনগোষ্ঠীটোৰ স্বকীয়তাত বহন চৰোৱাৰ উপৰি শাৰীৰিক, মানসিক, সৌন্দৰ্যতাবোধ, শালিনতাবোধ আৰু স্বাস্থ্যসন্মত ৰূপত পুৰামাত্ৰেই প্ৰয়োজ্য বুলিবৰ থল আছে। উদাহৰণস্বৰূপে—সাজ পৰিধানৰ জৰিয়তে পৰিহিতা গৰাকীৰ লিংগ নিৰ্ণয়কে আদি কৰি বয়সৰ স্তৰ থূলমূলকৈ ঠাৱৰ কৰাত সহায়ক হোৱাৰ চলেৰে সমাজ ব্যৱস্থা নিয়াৰিকৈ চলোৱাত নিশ্চয়কৈ অৰিহনা যোগায়। সেইদৰে মূৰত পাগুৰী বা 'গাতিগি' লোৱাৰ পৰিপ্ৰেক্ষিতত কামৰ সময়ত চুলিয়ে অযথা আমনি দিয়াৰপৰা মুক্ত কৰাৰ উপৰি খাদ্যাদিত অবাঞ্চিতভাৱে মিলি যোৱাৰ পৰা ইয়াক বাধা দিয়ে। তেনেকৈয়ে গাভৰু আৰু বোৱাৰীয়ে ব্যৱহাৰ কৰা 'বাইগা' আৰু 'জকাচিবা' সাজ বিশেষে যৌনগন্থি পৰিৱেশক অকপটে বিনষ্ট কৰে বোলা যায়। ইত্যাদি....।

যিহেতু সৌন্দৰ্যবোধৰ বাবেও মানুহে সাজ-পোছাক পৰিধান কৰে তেনেস্থলত সাজ-পোছাকৰ বিভিন্নতা বিশেষকৈ ৰঙৰ ক্ষেত্ৰত বিভিন্নতাই ব্যক্তি/ঠাই/অঞ্চল বিশেষে আত্মপ্ৰকাশ কৰাটো একো আচৰিত কথা নহয়। কাৰণ 'ধানটোৱে প্ৰতি কণটো; মানুহটোৱে প্ৰতি মনটো।' নিজস্ব সাজ-পোছাককে বিভিন্নতাৰে ব্যৱহাৰ কৰাৰ প্ৰৱনতাৰ উপৰি পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱো কোনো গুণে কমকৈ লোক-জীৱনৰ লোক-সংস্কৃতিত নপৰাকৈ নিলগাই ৰখাব পৰা নাই। প্ৰাচীন কালৰ পৰাই লোক গোষ্ঠীসমূহে প্ৰকৃতিৰ পৰিৱেশৰ লগত নিজকে খাপ খোৱাই জীৱন-ধাৰণ অতিবাহিত কৰি বৰ্তমানেও ঠাণ্ডাৰ কালছোৱাত গৰম, ডাঠ সাজ-পোছাক আৰু গৰমৰ কালছোৱাত পাতল সাজ-পোছাক ব্যৱহাৰ কৰি আহিছে। আকৌ বিভিন্ন কাৰ্য অনুযায়ী সুবিধামতে সাজ-পোছাকৰ বিভিন্নতা আত্ম প্ৰকাশ কৰাটো অনিস্বীকাৰ্য বিষয়। ব্যক্তিগত বিষয়ত হস্তক্ষেপ নকৰি ৰাহুৱা স্বাৰ্থজনিত কাৰ্যক্ৰমণিকা, উৎসৱ-পাৰ্বন আদিত অৱশ্যে এক উমৈহতীয়া ব্যৱস্থাৰে এক সু-নিৰ্দিষ্ট ৰং ডিজাইনৰ ব্যৱহাৰে নিশ্চয়কৈ এক সুকীয়া মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

বিভিন্নতা মানৱ জাতিৰ বাবে সমসাময়িক ছত্ৰ-ছাঁয়াৰ দৰে যদিও 'অনৈক্যৰ মাজত ঐক্য'ৰ যি মধুৰতা তাৰ আপাহতে এই বিভিন্নতাৰ মাজতে সাজ-পোছাক সম্পৰ্কত এটি উমৈহতীয়া সিদ্ধান্ত নিষ্কাযনৰ কথা উনুকিয়াব পাৰি। জনগোষ্ঠীগত বৃহৎ তথা ভৱিষ্যতৰ স্বাৰ্থতেই কৃষ্টি-সংস্কৃতিৰ পৰম্পৰাগত লৌকিক আচাৰ সমূহত সুনিৰ্দিষ্টকৈ সজাই পৰাই লিখিত/বাস্তৱ ৰূপলৈ আনি বাধ্য-বাধকতাৰ .....লৈ অনাৰ সময় সমাগত। কেৱল এনে পদ্ধতি সৰ্বত্ৰ স্বীকৃত ব্যক্তিবিশেষৰ গোট বা জাতীয় অনুষ্ঠানৰ দ্বাৰা নিয়োজিত বিশেষজ্ঞ দলে পৰ্যায়গত সিদ্ধান্ত হ'ব লাগিব। নহ'লে হিতে বিপৰীত দিশে গতি কৰিব। বৰ্তমান অৱস্থাত দেউৰী জনগোষ্ঠীৰ বেলিকা ক্ষেত্ৰভিত্তিক অধ্যয়নে তাকে উনুকিয়ায়। বিভিন্ন ঠাই/অঞ্চল/গাঁও আদিত নিজাববীয়াকৈ ৰং ডিজাইনৰ সমাহাৰেৰে দলীয় 'বিচু জাঁমা' (বিহু-নৃত্য)ত সাজ-পোছাক প্ৰয়োগ কৰিছে আৰু কিছুমান অনুষ্ঠান প্ৰতিষ্ঠানেও নিজাববীয়াকৈ তেনে ব্যৱস্থা কৰাত এক বিজতড়ীয়া (!)ৰ সৃষ্টি হৈ বিভিন্নতাৰ দিশে গতি কৰাত সহায় কৰিছে। এইক্ষেত্ৰত কোনো জাতীয় অনুষ্ঠানে আগভাগ লৈ কাৰ্যব্যৱস্থা লোৱাৰ উমান পোৱা নাযায়। সেয়েহে এই সম্পৰ্কত কোনোবা এটি জাতীয় অনুষ্ঠান আগবাঢ়ি আহি বহল ভিত্তিত এটা 'কৰ্মশালা' অচিৰেই পতাৰ পোষকতা কৰা যায়।

এতিয়া প্ৰশ্ন হ'ল—সাজ-পোছাক সম্পৰ্কত কৰ্মশালা অনুষ্ঠিত কৰিবলৈ হ'লে কেনেধৰণৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব?

বা কি কৰ্মসূচীৰে কৰ্মশালাৰ ভিত্তি গঢ়ি তুলিব তাত বা কেনেধৰণৰ ব্যক্তি বিশেষ বা সংস্থা সমিতি মঞ্চ গোটসমূহক অগ্ৰাধিকাৰ দিব? উক্ত কৰ্মশালাত কিহৰ ওপৰত প্ৰাধান্য দিব, আদি বহুধৰণৰ প্ৰশ্ন উদয় হ'ব পাৰে। কিন্তু আমাৰ মনোভাৱেৰে জনগোষ্ঠীৰ যিকোনো জাতীয় সংগঠন কিম্বা সৰ্বত্ৰ স্বীকৃত প্ৰাপ্ত অনুষ্ঠান প্ৰতিষ্ঠানে বা কেইগৰাকীমান উদ্যোগী ব্যক্তিৰ প্ৰচেষ্টাতো এনে কৰ্মশালা আয়োজন কৰিব পাৰি। কথা হ'ল— কৰ্মশালাখনিত কেনেধৰণৰ ব্যক্তি বা অনুষ্ঠান প্ৰতিষ্ঠানৰ নিয়োজিত কৰিব সেয়াহে প্ৰয়োজনীয় বা লক্ষ্যনীয় বিষয়। উদ্দেশ্য মহৎ বা জাতীয় স্বাৰ্থ বিজড়িত হ'লে কোনে আয়োজন কৰিছে তালৈ লক্ষ্য নাৰাখি কেনেদৰে নিজকে নিয়োজিত কৰি উমৈহতীয়া সিদ্ধান্তত উপনীত হোৱাত অৰিহণা যোগাই অংশীদাৰ ভুক্ত হ'ব পাৰি তাৰে সকলোৰে কাম্য হোৱা উচিত। সৰ্বত্ৰ শ্ৰেণীৰ পৰা স্বীকৃত ব্যক্তি/বিশেষজ্ঞ/নেতৃস্থানীয় লোকৰ দ্বাৰা নিষ্কাষিত উমৈহতীয়া সিদ্ধান্ত নিশ্চয় সৰ্বত্ৰই মানি লোৱাত বাধাৰ সৃষ্টি নহ'ব।

এইখিনিতে উল্লেখনীয় যে, দেউৰী লোকজীৱনৰ সাজ-পোচাক সম্পৰ্কত বিশেষকৈ ৰং, ডিজাইন বা আকাৰ-প্ৰকাৰৰ ক্ষেত্ৰত উমৈহতীয়া সিদ্ধান্ত ল'বলৈ যাওঁতে পৰ্যায়গত পদ্ধতি অৱলম্বন কৰা বাঞ্ছনীয়। তাৰে প্ৰথম পৰ্যায় হিচাপে প্ৰদৰ্শনীমূলক দলগত বিহুদলৰ বাবে ডেকা-গাভৰুৰ সাজ-পোছাক কেনে হোৱা উচিত তাৰ উমৈহতীয়া সিদ্ধান্তৰ বাবে কৰ্মশালা অনুষ্ঠিত কৰা উচিত। কাৰণ বৰ্তমান পেক্ষাপটত দলগত বিহুৰ বিশেষকৈ প্ৰদৰ্শনৰ (যেনে—দূৰদৰ্শনৰ অনুষ্ঠান, মঞ্চ বিহু অনুষ্ঠান, বিভিন্ন ঠাইত দলীয় বিহু প্ৰদৰ্শন) বাবে আৱশ্যকীয় সাজ-পোছাকৰ জৰুৰী চাহিদা আছে। লোকজীৱনৰ পৰম্পৰাগত ৰূপত প্ৰচলিত ৰাতি বিহু মৰা, মৰংঘৰত বিহু, দেওশালৰ বিহু আদিত কিছুমান বিশেষ ৰঙৰ সাজ-পোছাকৰ ব্যধ্যবাধকতা থকালৈ চাই উক্তদলীয় বিহুৰ সাজ-পোছাকৰ ওপৰত প্ৰথম পৰ্যায়ৰ কৰ্মশালাৰ আওতালৈ নানি লোকজীৱনৰ চাৰিবেৰৰ বাহিৰত প্ৰদৰ্শিত কৰিবলগা বিহু দলৰ সাজ-পোছাকৰ ৰং ডিজাইনৰ বিষয়ে বিষদ আলোচনা কৰি বাস্তৱ ক্ষেত্ৰত কাৰ্যব্যৱস্থা লোৱা দৰকাৰ। মুঠৰ ওপৰত পৰিবৰ্তিত যুগ সন্ধিক্ষনত স্বকীয় ঐতিহ্য বজাই ৰাখি অৰ্থাৎ মূল লক্ষণ(Basic Feature)সমূহ সংৰক্ষিত কৰি আধুনীকতাৰ ৰহন সনা সাজ-পোছাকহে অধিক সমাদৰ লাভ কৰিব বুলি সৰ্বত্ৰই বিবেচিত হৈছে। এই ছেগতে পৰিবৰ্তনমুখী দৃষ্টিভংগী লৈ লক্ষ্য ৰাখি ৰক্ষণশীল মনোভাৱ পৰিহাৰ কৰিবলৈকো এক সামাজিক চেতনা জাগ্ৰত হোৱাটো প্ৰসাৰৰ আশা পালি ৰ'লো।

(বিঃদ্ৰঃ নিৱন্ধটি এই লেখকৰে এখন চেমিনাৰত আলোচিত 'দেউৰী সাজ-পোছাকৰ তাৎপৰ্য ও বিভিন্নতা আৰু ইয়াৰ উমৈহতীয়া সিদ্ধান্তগ্ৰহণ'ৰ সংক্ষিপ্ত ও পৰিমাৰ্জিত লিখিত ৰূপ)। ■

দৰঙৰ বসন্ত উৎসৱৰ অন্যনাম 'দেউল' উৎসৱ

বিজয়া বৰা

মাঘৰ শেষত শুকান ধুলিয়ৰি পৃথিৱীখনলৈ ফাগুনে শিমলু পলাশ মদাৰৰ ৰঙা ফুলৰ পাপৰি সিঁচি সঁচাকৈয়ে সেউজ কোমল কুঁহিপাতৰ আঁৰে আঁৰে কুলিজনীয়ে সুৰীয়া সুৰে আনে বসন্তৰ আগলি বতৰা। লগে লগে ঢোলে দগৰে, পেঁপা গগণাৰে অসমৰ সকলোজনে আদৰে ন ব'হাগক। এই ব'হাগমানেই বসন্ত আৰু এই বসন্ততে প্ৰতিজন অসমীয়া পুৰুষ নাৰীৰ বুকুত উথলি উঠে যৌৱনদীপ্ত আনন্দৰ জোৱাৰ, আনন্দত মতলীয়া হয়। ব'হাগৰ প্ৰতিটো দিনতে উদ্‌যাপিত হয় বিভিন্ন ৰঙৰ উৎসৱ এনেদৰে দৰঙ জিলাৰ প্ৰায়বোৰ অঞ্চলতে উদ্‌যাপিত হয় 'দেউল' উৎসৱসমূহ। এই উৎসৱসমূহ প্ৰকৃততে দৰঙৰ এক পৰম্পৰাগত লোক উৎসৱ। 'দেউল' নাম হ'লেও এই উৎসৱৰ লগত ফাকুৱাৰ কোনো সম্পৰ্ক নাই যেন লাগে। কিন্তু কামৰূপৰ 'ভঠেলি' উৎসৱৰ লগত এই দেউল উৎসৱৰ কিছু সাদৃশ্য মূলতঃ বিষ্ণুৰ পূজাহে। এই উৎসৱ হেনো একাদশ শতিকাতে দৰঙ ৰাজ্যৰ ভূএগ়াবংশধৰ ৰজা ধৰ্মদেৱে ব'হাগমাহত ছিপাঝাৰৰ সমীপৱৰ্তী বৰদৌলগুৰিত প্ৰথমে বৰদেউলৰ ভেটি তৈয়াৰ কৰি ওপৰত চন্দ্ৰতাপ তৰি সেই ভেটিত বিষ্ণুৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰি দেশ আৰু প্ৰজাৰ মঙ্গল কামনা কৰি পূজা অৰ্চনা কৰে। এই পূজাত সকলো ৰাইজে জাতিভেদৰ বিচাৰ এৰি একেলগে অংশগ্ৰহণ কৰি আনন্দ উপভোগ কৰে আৰু কালক্ৰমত এই পূজা এক উৎসৱলৈ পৰিৱৰ্তিত হয়। এই উৎসৱেই লাহে লাহে বসন্তকালৰ 'দউল' উৎসৱ নামে পৰিচিত হয় আৰু দৰঙৰ সকলো অঞ্চলতে এই 'দেউল' উৎসৱ তেতিয়াৰ পৰা পালন কৰি আহিছে।

'দেউল' স্থাপন কৰাৰ পৰা পূজা আৰম্ভ কৰালৈকে এক পৰম্পৰা ৰীতি আছে। যেনে—প্ৰথমে দেউলথানত ওখ দেউল তাবিজ বন্ধা হয়। দেউলৰ ভেটিটো তলৰ পৰা ক্ৰমে ওপৰলৈ ঘূৰণীয়াকৈ সাতটা ঠাক কৰি সজোৱা হয়। এই সাতটা ঠাকে সাতখন পৃথিৱীক বুজায়। এই ভেটিৰ ওপৰত এখন অতি সুন্দৰ কাৰুকাৰ্যৰ খোদিত এখন সিংহাসনত বিষ্ণুমূৰ্তি স্থাপন কৰি পুৰোহিতে নিজৰ মূৰৰ ওপৰত লৈ ভেটিটোৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰি স্থাপন কৰে। এই বিগ্ৰহৰ দুয়োফালে 'মগৰ' খোদিত কাঠৰ দাণ্ডি স্থাপন কৰা হয়। এই 'মগৰ' খোদিত ভাস্কৰ্যই সপ্ত সাগৰক বুজায়। বিশেষভাৱে মন কৰিবলগীয়া কথা হ'ল দেউতল দেউলত বিষ্ণুৰ পূজা সদায় পূৰ্বৰ পৰিবৰ্তে উত্তৰমুৱাকৈহে পূজা কৰা হয়। কাৰণ প্ৰচলিত বিশ্বাস অনুসৰি প্ৰলয় জলত ভগৱান বিষ্ণুৱে অনন্ত শয্যাত উত্তৰমুৱাকৈ শুই আছিল। সেয়ে সেই পৰম্পৰা আজিও প্ৰচলিত।

দৰঙৰ এই 'দেউল' উৎসৱক ৰঙালী বিহুতকৈয়ো অধিক গুৰুত্ব ও মনোনিবেশ কৰা দেখা যায়। দৰঙৰ বিভিন্ন কলা-কৃষ্টিসমূহ যেনে—ছেও চাপৰিৰ নাম, থিয় নাম, বিবাহৰ ওজাপালি, খুকনাগ্নি ওজাপালি, বৰঢুলীয়া, চেপা ঢুলীয়া, খুলীয়া, ভাৰৰীয়া, বিহুনৃত্য, হুঁচৰি আদি এই উৎসৱৰ উদ্‌যাপনৰ মেলাত মুকলিকৈ প্ৰদৰ্শন কৰা হয়। ইয়াৰোপৰি এই উৎসৱক এক সাৰ্বজনীন উৎসৱ বুলিও অভিহিত কৰিব পৰা যায়। কাৰণ এই উৎসৱত হিন্দু মুছলমান, বিভিন্ন জন-জাতিৰ লোককে ধৰি সকলোৱে আন্তৰিকতাৰে সমানে অংশগ্ৰহণ কৰি আনন্দ

উপভোগ কৰে।

'দেউল' উৎসৱৰ লগত সংগতি ৰাখি একোখন বিশেষ মেলাৰ আয়োজন কৰা হয়। য'ত অসমৰ থলুৱা কাঁহ-পিতলৰ সামগ্ৰী নিজ হাতে তৈয়াৰ কৰা অসমীয়া সাজ-পোছাক আৰু বাঁহ-বেতৰ বিভিন্ন সঁজুলিৰ লগতে ব'হাগ মাহত ব্যৱহৃত কিছুমান ফলমূল আদি ব্যৱসায়ীসকলে অসমৰ বিভিন্ন ঠাইৰ পৰা বিক্ৰী কৰিবলৈ আহে। মুঠতে এই সকলো থলুৱা সামগ্ৰী ও কলাকৃষ্টিৰ প্ৰদৰ্শনীৰে বৰ সুন্দৰ উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে এই দৰঙৰ 'দেউল' উৎসৱ সমূহত। বসন্ত কালত দৰঙৰ সমগ্ৰ অঞ্চলবাসীৰ সামাজিক সংহতি ৰক্ষাৰ যে এক উল্লেখনীয় পৰম্পৰা ও আদৰ্শনীয় অনুষ্ঠান তাক কোনোকালেই নুই কৰিব পৰা নাযায়। শেষত সমূহ দৰঙবাসী ৰাইজৰ 'দেউল' উৎসৱৰ জৰিয়তে যি মিলাপ্ৰীতিৰ নিদৰ্শন অসমীয়া সমাজত দাঙি ধৰিছে, সেয়া যেন চিৰযুগমীয়া হওক আৰু সকলো অসমবাসীয়ে এই নিদৰ্শন আঁকোৱালি লওক এই কামনা ৰ'ল। ■

সাঁথৰ

- এজনী বুঢ়িৰ, এখন পিঠা,
  তাক, খাবলৈ বৰ মিঠা।
- মোমাইৰ ঘৰলৈ গ'লো
  ঘূৰোতে ঘূৰোতে নাঙঠ হ'লো।
- ৰজাৰ কাপোৰ মেলিব পাৰি,
  চাপৰ নোৱাৰি
- ওপৰে ছাতি, তলত গুটি
  তাকে খায় আহিন-কাতি।
- তিনি কোণীয়াৰ মূৰত খাল,
  ডিঙিত ধৰি টানিবলৈ ভাল।
- কি চাই আছ মোক, ধৰি থম তোক
  চাবহি মোক নিবহি তোক।

(বিঃদ্ৰঃ এই সাঁথৰৰ উত্তৰ পৃষ্ঠা ৪৮ত চাওক)

বিহু নামত শিপিনীৰ স্থান

স্নেহময়ী বৰঠাকুৰ



ঋতুৰাজ বসন্তৰ আগমনত বসন্তৰ বা লাগি প্ৰকৃতি হয় চঞ্চল। আম, কঁঠালে মলিয়ায়। গছে নতুন পাত সলাই সেউজী হয়। কুলি-কেতিকী চৰাই গছত বহি বিহুৰ আগজাননী দিয়ে কেতেকী, কাঞ্চন, কপৌ, সেউতী আৰু তগৰে প্ৰকৃতি ৰাজ্যত সুবাস বিলায়। অতিকৈ চেনেহৰ ব'হাগৰ বিহুটি আদৰিবলৈ সকলো আপোন-পাহৰা হৈ পৰে। ডেকা-গাভৰুৰ মনলৈ আহে প্ৰেম-প্ৰীতি। বিহুতলী মুখৰিত হয় বিহুগীতত, ঢোল-পেঁপাৰ মাতত। নতুন বছৰৰ আৰম্ভনিত সকলোৰে গা ৰাইজাই কৰে। ৰাংঢালী ৰচকী ৰঙালী বিহুৰ আৰম্ভণিত এই বিহু নাপাতি নোৱাৰি। মন কমুৱা তুলাৰ দৰে উৰা মাৰে। বিহুগীতত তাৰে আভাস পোৱা যায়। ঢোল-পেঁপাৰ মাতত ডেকা-গাভৰুৰ প্ৰাণ চঞ্চল হয়, মন বিঙা বিঙা লাগে আৰু সেই বিহু নামকে সোঁৱৰি, 'ঘৰতো নবহে মন সমনীয়া, পথাৰতো নবহে মন। কমুৱা তুলাবোৰ যেনেকৈ উৰিছে তেনেকৈ উৰিবৰ মন।'

আদিম মানুহৰ মতে ডেকা-গাভৰুৰ নাচোনৰ ছন্দত পৃথিৱী গৰ্ভ সম্ভৱা হয় সেয়ে নৃত্য গীতেৰে ধৰিত্ৰীক শস্য সম্ভৱা কৰি তুলিবলৈকে বিহুনাচ বিহু গীতৰ উৎপত্তি। এই সময়তে প্ৰকৃতিৰ ৰূপ চৰে। বনগীত, বিহুগীতে সেই দেখি কুৰুলীয়াই উঠে। আঁহতে পাত সলোৱাৰ দৰে যৌৱনৰ সোণকাঠিৰ পৰশত সপোনৰ ফুলবছা বিহুৱানখন জীয়ৰি বোৱাৰীৰ চেনেহৰ মাকোঁ মাৰি হেঁপাহৰ বিহুৱান ব'বলৈ খৰধৰ কৰে। এই বিহুৰ গীত-মাতৰ লগতে প্ৰধান হ'ল বিহুৰ বিহুৱানখন। তাৰোপৰি বিহুৰ গীত মাতৰ লগতে প্ৰধান হ'ল শিপিনীৰ মাকোঁৰ পৰশত সজীৱ হৈ থকা ভমকা ফুলীয়া গামোছা যুতিয়ে শিপিনীৰ তাঁতশালখনে অসমীয়া জাতিৰ লগত বহুখিনি গধুৰ দায়িত্ব বহন কৰি আহিছে। বৰ ঘৰৰ মুধত জীয়ৰি-বোৱাৰীহঁতে বাবৰি ফুলৰ পান কটা দি বিহুৱান চোলা বয়। শিপিনীৰ মাকোঁৰ খিট-খিটনিত বিহুগীতৰ গুণগুণনি শুনিবলৈ পোৱা যায়। বিহু গীতত গোৱা হয়—

'সৰু হৈ আছিলো গৰু ৰখিছিলো
ডাঙৰহৈ লগালো তাঁত
ওলোতাই ওভোতাই মাকোঁ মাৰিছিলো
মোৰ ধনে লগালে মাত।।'

অসমীয়াৰ তাঁতশালখন অসমৰ কাৰণে আপুৰুগীয়া সম্পদ হৈ থাকিব। সেয়েহে শিপিনীৰ বিহু নামত বিহুগীতত বিশেষ স্থান প্ৰকাশ পাইছে। বিহুনাম বিহুগীতত মৰম-চেনেহ আছে পিৰিতি আছে।

বিহুৰ দিনা হুঁচৰীয়ে দেউতাৰ পদুলি উদুলী মুদুলী লগাই

গায়—

'আশী সূতাৰ চেলেংখনি বৈ দিয়া
সৰু ভনী বিহু মাৰিবলৈ যাওঁ।

চেনায়ে যোৱা বেলি বিহুতে ৰঙিলীক হাঁচতি খুজিছিল এই বেলি বিহুত হাঁচতি নিদিয়া দেখি হুঁচৰি গাবলৈ অহা চেনায়ে পিৰিতি কৰি মনৰ দুখ প্ৰকাশ কৰিছে।

'যোৱা বেলি বিহুতে হাঁচতি খুজিলো
এই বেলি কাটিছা পাঁজি
নালাগে নালাগে তোমাৰে হাঁচতি
ছোৱালী আনি লম কাজি।'

গাঁৱৰ তিৰুতাই পুৰুষৰ লগত সকলো ফালৰ পৰা একে লগে ঘৰৰ সকলো কাম-বন, খেতিত ৰোৱনী-দাৱনী কাম মিলা-প্ৰীতিৰে কৰিছিল। সেয়েহে বিহুনামত প্ৰকাশ পাইছে—

'তুমি কৰি যাবা ৰোৱনী-দাৱনী
মইনো বায়ে যাম হাল
তুমি বৈ যাবা বিহুৰে বিহুৱান
মইনো পাতি দিম শাল।'

বিহু অহাৰ লগে লগে শিপিনীৰ মন ইচাত-বিচাত কৰে। পলকট টোলোঠা ঘূৰে। বিহুৰ আগতে তাঁত শেষ নহ'লে বিহু চেৰা হ'ব।

'চিৰা ভাজি দিয়া খাঁও মোৰ লাহৰি
পিঠা-ভাজি দিয়া খাঁও
ৰাতিৰ ভিতৰত বিহুৱান বৈ দিয়া
বিহু মাৰিবলৈ যাওঁ।'

প্ৰবাদ আছে যে—

'শুনিবৰ লেতেৰা এলাগীৰ মাত
দেখিবৰ লেতেৰা বিহু চেৰা তাঁত।'

আগৰ দিনৰ ছোৱালীয়ে তাঁত ব'ব নাজানিলে বৰ লাজৰ কথা আছিল। থুপুৰী ছোৱালী কোনো ল'ৰাই বিয়া কৰাবলৈ আগ নাবাঢ়িছিল সেয়েহে হুঁচৰীয়ে শৰাইত গামোছা-চেলেং নেদেখি বিহুগীতত গাবলৈ লয়—

'......গামোছা লাগিব, চেলেং চাদৰ লাগিব
লাগিব বাকছৰ ধন....।'

আমাৰ অতি মৰমৰ বিহুৱান, গামোচা চেলেংখন অসমীয়া নাৰীয়ে নতুন দিশৰ সূচনা কৰি থৈ গৈছে। সেয়ে অসমীয়াৰ গামোচাই বৰ্তমানে বিহু জিনিবলৈ সক্ষম হৈছে।

ডেকা-গাভৰুৰ মনৰ ভাব প্ৰকাশ কৰি ভৰি থকা উপমাৰে....

'তোমাকে নাপালে একোকে নালাগে
জুই জ্বলাই মৰিমে গাত,
তাঁতৰে শালতে দেখিবৰে পৰা
পেটলৈ নাযায় ভাত।' ■

পৃষ্ঠা ৪৬ৰ সাঁথৰৰ উত্তৰ ঃ ১) মৌচাক, ২) চেৰেকি, ৩) আলিবাট, ৪) কচু, ৫) জাকৈ, ৬) চেপা।

বিহু নৱ-প্ৰজন্ম আৰু আমি

উন্মনা মাধুৰী দত্ত

কুলিচৰাই! আচৰিত লাগে, এই কুলিচৰায়ে ঠিক সময়মতেই আমাক বসন্তৰ আগমনৰ কথা সোঁৱৰাই দিয়েহি। চ'ত মাহ সোমোৱাৰ পাছতেই এই কুলিচৰাইৰ মনোমোহা 'কুউ' মাত শুনিবলৈ পোৱা যায়। প্ৰকৃতিৰ নিয়মৰ অকনো সলনি নহয়। সেইদৰে কুলিচৰায়েও বসন্তৰ আগমনৰ কথা আমাক জনাবলৈ পাহৰি নাযায়।

সঁচাকৈ আকৌ এবাৰ বসন্তৰ আগমন। এতি অনিন্দ্য সুন্দৰ ৰূপধাৰণেৰে ব'হাগ আমাৰ মাজলৈ পুণৰ আহিল। এই মাহ আমাৰ বাবে এটি নতুন বছৰৰ আৰম্ভনি। প্ৰকৃতিৰ নতুন নতুন সম্ভাৰেৰে ভৰপূৰ গছে গছে নতুন কুঁহিপাত, নানান ৰঙৰ ফুলেৰে ঋতুৰাজ বসন্ত আমাৰ মাজত সমাগত মন মতলীয়া কৰা বসন্তৰ আগমনে সকলোকে আপ্লুত কৰি তোলে।

ব'হাগ মানে কপৌফুলৰ বতৰ। কপৌফুল এই মাহতেই ফুলা দেখা যায়। এই কপৌফুলৰ অবিহনে বিহু আধৰুৱা। অতি মনোমোহা এই কপৌফুল অতি মনোমোহা এই কুলি-কেতেকীৰ মিঠা মাত।

চ'ত মাহৰ শেষৰ ফালৰপৰাই ঘৰে ঘৰে ব'হাগক আদৰিবৰ বাবে আয়োজন কৰে। নানান ধৰণৰ পিঠাপনা, চিৰা, সান্দহগুৰি বনোৱাত সকলো ব্যস্ত হৈ পৰে।

বিহুক আদৰিবলৈ সকলোৱেই সাজু। কিন্তু এই সময়ত আমাৰ অসমৰ সৰহসংখ্যক ল'ৰা-ছোৱালীয়েই হয়তো উচ্চ শিক্ষাৰ বাবে বা চাকৰিৰ সূত্ৰে মোম্বাই, দিল্লী, বাংগালুৰু বা পুনেত আছেগৈ। সেইবাবেই তেওঁলোকে বিহুত আগভাগ ল'ব নোৱাৰে। বাহিৰৰ বহুকেইখন বিশ্ববিদ্যালয়তেই এই সময়তেই পৰীক্ষাবোৰ অনুষ্ঠিত কৰা দেখা যায়। গতিকে তেওঁলোক আহোঁ বুলিও আহিব নোৱাৰাৰ সময়। বিহু বুলি বন্ধ অসমতহে থাকে। গতিকে তেওঁলোকে মন থাকিলেও অহাটো হৈ নুঠে। তেনেদৰে থাকোতে থাকোত আমাৰ নৱ-প্ৰজন্মই বিহুৰ কথা হয়তো পাহৰি যাব। কোনটো কি বিহু কেনেকুৱা ৰীতি-নীতিৰ মাজেৰে এই বিহু পতা হয় এইবিলাক সিহঁতৰ অজ্ঞাত হৈ ৰ'ব। এই নতুন প্ৰজন্মই কোনে কিমান চিনি পাব কোনখন পিঠাৰ কি নাম। পিঠাগুৰি বনোৱা ঢেঁকীশাল কোনে কিমান দেখি পাইছে? এই কংক্ৰিটৰ মহানগৰীত ঢেঁকীশালো প্ৰায় নোহোৱাৰ দৰেই আৰু তাঁতশাল? এই তাঁতশালৰো অৱস্থা প্ৰায় একেই। নগৰীয়া জীৱনত ঢেঁকীশাল বা তাঁতশাল অচিনাকী বস্তুৰদৰেই হৈ পৰিছে।

ইংৰাজী মাধ্যমত শিক্ষাগ্রহণ কৰা প্রায়ভাগ ল'ৰা-ছোৱালীক দেখা গৈছে যে এই বিহু বা বিহুৰ পিঠাপনা বা ভাষাৰ প্রতি অনিহা। বহুতো ল'ৰা-ছোৱালীয়ে অসমীয়াত কথা পাতিবলৈ লাজ পায় বা কিছুমানে অসমীয়া ভালকৈ ক'বও নজনা হৈছেগৈ। বহু ছোৱালীক কি পিন্ধিবা বুলি যদি সোধা হয়, কয় যে 'মেখেলা পিন্ধিম'। অশুদ্ধ এটা উত্তৰ, অসমৰ বাহিৰত চাকৰি বা বিদ্যাগ্রহণ কৰিবলৈ যোৱাৰ বাবেই নেকি বাৰু শুদ্ধ অসমীয়া জ্ঞানৰ অভাৱ?

এই যুগত বিহু মঞ্চলৈ আহিল, গছৰ তলত বিহু মাৰিবলৈ অসমীয়া ডেকাগাভৰুৰ অভাৱ। নগৰত ঢোলৰ মাত শুনিবলৈ নাইকিয়াই হৈছে। বিহুনাচ বা হুঁচৰি চাবলৈ বিহু সন্মিলনলৈ যাব লাগিব। গছৰ তলত মৰা বিহু বা ঘৰে ঘৰে সকলো ডেকা-গাভৰু মিলি হুঁচৰি গাবলৈ মানুহৰ অভাৱ। এইবিলাক যুগৰ পৰিবৰ্তনৰ ফলতে হোৱা বুলি ক'ব লাগিব।

বৰ্তমানযুগত আধুনিকীকৰণৰ প্রভাৱ স্পষ্ট। যুগৰ পৰিবৰ্তন হ'বই। এই পৰিবৰ্তন সকলোৱেই বিচাৰে। আমিও এই পৰিবৰ্তনশীল যুগৰ লগত আগবাঢ়িবই লাগিব। তাহানিৰ দিন সঁচাই অতি মধুৰ আছিল। সেই কথা কোনেও নুই কৰিব নোৱাৰে। তথাপি বৰ্তমান যুগত নতুন চিন্তাত চৰ্চাৰে আৰু পৰিকল্পনাৰে পুৰণি দিনক জগাই ৰাখিব লাগিব। নহ'লে নৱ-প্রজন্মই এসময়ত আমাক দোষীবৰ বাবে থল থাকি যাব পাৰে। নৱ-প্রজন্ময়ো যাতে অসমীয়া বাপতি সাহোন বিহুৰ উমান ল'ব পাৰে তাৰ বাবে আমি সজাগ হ'ব লাগিব।

বৰ্তমান যি হাৰত গছ-গছনিৰ সংখ্যা কমি আহিছে, বসন্ত প্রকৃতিৰ এই মনোমোহা ৰূপ আমি কিমান দিন প্রত্যক্ষ কৰি থাকিব পৰো তাৰ ঠিক নাই। ৰাস্তা পদূলি বহলোৱাৰ নামত গছ-গছনি কাটি খান্তাং কৰিছে। পাহাৰ কাটি-সমতল ভূমিত পৰিণত কৰিছে। সুন্দৰ প্রকৃতিৰে পৰিপূৰ্ণ আই অসমীয়াৰ লগতে আমাৰ অতিকৈ আপোন বিহুটি আমি জীয়াই ৰাখিবই লাগিব। সম্পূৰ্ণ নীতি-নিয়মৰ মাজেদি বিহু পালন কৰি আমাৰ নৱ-প্রজন্মক উৎসাহিত কৰি তুলিব লাগিব।

যুগৰ যিমানেই পৰিবৰ্তন নহওঁক কিয় প্রকৃতিৰ নিয়মৰ কিন্তু অকনো লৰচৰ নহয়। আমাৰ বিহুটিত যেন অকনো সলনি নহয় তাৰ বাবে আমি বিহুৰ প্রতিটো নিয়ম পালনেৰে সৰুৰে পৰাই ল'ৰা-ছোৱালীক দেখাব বা কৰিব লাগিব। আমাৰ অসমীয়াত এষাৰ কথা আছে, 'দেখি শিকা আৰু ঠেকি শিকা' এই ঠেকি শিকাৰ সময় অহাৰ আগতেই দেখি শিকাৰ বাবে আমি সকলোৱে চেষ্টা কৰিব লাগিব। সৰুৰেপৰা সকলো ৰীতি নিয়ম যদি ঘৰৰ পৰিয়ালবৰ্গৰ লগত পালন কৰি আহে, তেতিয়া হয়তো ভৱিষ্যতে অসমৰ বাহিৰত যাব লগা হ'লেও তেওঁলোকৰ মাজত বিহুৰ প্রভাৱ থাকি যাব। কুলি-কেতেকীৰ মিঠা মাতত নৱ-প্রজন্মৰ মনো আপ্লুত হৈ পৰিব। বিহু বুলি ক'লে বলিয়া হ'ব। অসমৰ প্রতীকস্বৰূপ 'বিহুৱান'খনক লৈ বাহিৰত থাকিলেও গৌৰৱ অনুভৱ কৰিবলৈ শিকিব। ■

মহৎ লোকৰ বাণী

- মই ভাবোতে চাৰিটা কথাই জীৱনটো যোগ্য কৰি তুলিব পাৰে। সেয়া হ'ল— ভাল পাওঁক, আশা ৰাখক, সহায় কৰক আৰু হাঁহক। — চাৰ ৱাল্টাৰ স্কট।
- যেতিয়া সকলোৱে একেদৰেই ভাবিবলৈ লয় তেতিয়াই বুজিব লাগিব যে কোনো এজনেই বৰ বেছি একো ভবা নাই। — ৱাল্টাৰ লিপমেন

বিহু সংকল্প

নীলা গোস্বামী

অসম এখনি কৃষি প্ৰধান প্ৰদেশ। অসমৰ জাতীয় উৎসৱ বিহু ঘাইকৈ কৃষকৰ উৎসৱ-খাটি খোৱা মানুহৰ উৎসৱ। কাটি বিহু ৰঙালী, ভৰাল উদং, পথাৰ ছাবলৈ এতিয়াও বাকী, কৃষকে সন্ধিয়া তুলসীৰ তলত চাকি-বন্তি জলাই প্ৰাৰ্থনা কৰে, ফচল ভাল হ'বলৈ ভগৱানৰ ওচৰত কাকুতি কৰে।

ক'ৰবাৰ পৰা ৰিণিকি ৰিণিকি অহা কোনোবা চফল হালোৱা ডেকাৰ হিয়া উজাৰি গোৱা বিহুগিত এফাঁকিক ।ণ ত পৰে

'ঢোলটো বাবৰে পাঁচোটি আঙুলী,
মাজৰ আঙুলী লৰে।
কালিৰে পৰা পেটত খুদ এটি নাইকিয়া
কাচুটি সুলকি পৰে অ চেনাই
কাচুটি সুলকি পৰে।'

মাঘ প্ৰাচুৰ্য্যৰ মাহ। ধান দাই অন্ত হ'ল। ভঁৰাল পৰিপূৰ্ণ লাৰু, পিঠা ইত্যাদি নানান টি সুস্বাদু জলপানৰ প্ৰয়োভৰ, অসমীয়াৰ ঘৰে ঘৰে। উৰুকাৰ নিশাক ভোজভাত, দোকমোকালিতে শীতক নেওচি গা-পা ধুই মেজিৰ জুইত সেৱাজনাই ভগৱানক ধন্যবাদ দিয়ে অসমীয়া গঞা ৰাইজে কণী যুঁজ, ম'হ যুঁজ, শালীকা যুঁজ ইত্যাদি খেল-ধেমালি খেলি দিনটো পাৰ কৰে।

আনন্দত আত্মহাৰা অসমীয়া ডেকাই গীত যোৰে.........

'মাখিৰে মুৰ কাটি চোলাটো সাজিলো,
জীয়াই পাখিৰে চালো,
পৰুৱাৰ চালৰে বৰতি লগালো,
ফৰিঙৰ ঠেঙেৰে বালো।

কি সুন্দৰ অসমীয়া চাৰ-ৰিয়েলিজিম (Sur-realisim)।

চাওঁতে চাওঁতে গা-ৰাইজাই কৰা ফাগুনৰ পচোৱা, তাৰ পিছত চ'ত, তাৰ পিছত বসন্ত ব'হাগ। অসমীয়া নতুন বছৰৰ আৰম্ভনী। ভঁৰাল টনকিয়াল, ন-পানী পৰি খেতি পথাৰ জীপাল সাজু হ'বৰ হ'ল, কঠিয়া পেলাবলৈ চৌদিশে ৰঙ মাঠো ৰঙ। বতাহত ঢোল, পেঁপা, গগণা আৰু বিহুগিতৰ সুৰ। পথাৰৰ টিলিকি আমৰ তলত সুঠাম অসমীয়া ডেকাৰ দুবাহুত ওলমি থকা ঢোলৰ চেওঁত চলবলী অসমীয়া গাভৰুৱে তাইৰ লাহী কঁকাল ভাঙে। প্ৰথম দিনা গৰু বিহু, কৃষকৰ অপৰিহাৰ্য্য সম্পদ গৰু-গাই। সিহঁতক গা-পা ধুৱাই, মাখিয়তীৰ পাতৰে কোৱাই নতুন পঘা দিয়ে। মানুহ বিহুৰ দিনা গাঁৱৰ বুঢ়া-মেথা, মান্য জনক সেৱা জনোৱাৰ লগতে গামোচা আদান প্ৰদান কৰা হয়।

সোণতৰাই নিজ হাতৰে বোৱা ভমকা ফুলীয়া

গামোছাখন লুকুৱাই থয়, ৰংমনক পথাৰত লগপালে দিবলৈ বুলি। সিও জানো কমটো কেনেকৈ জানো ইমান ওখ গছ জোপাৰ পৰা এইটি দীঘল কপৌ ফুল ঠোপা চিঙি আনিছিল প্ৰথম ব'হাগৰ দিনা দোকমোকালিতে তাইৰ বাবে।

বিহুগীতৰ কলি এটিলৈ মনত পৰিল....

'নগাৰে চাঙতে লুকায়ে আছিলো,
গাতে গছলতা বান্ধি।
ওৰেটো ৰাতি তোৰে কথা ভাবিলো,
কেনেকৈ দিম খোপাতে কপৌফুল গুজি।'

এতিয়া সেই কৃষকৰ বিহু আমি চহৰীয়া মধ্যবিত্তই আনি চহৰৰ মঞ্চ পোৱালোহি। পিছে বিহুৰ প্ৰকৃত অৰ্থ আমি বাৰু সঁচাকৈয়ে অনুভৱ কৰিব পাৰোনে? সি যিকি নহওঁক বিহু বিহুৱেই। আহক আমি আটায়ে আজি এই অসমীয়াৰ নৱবৰ্ষৰ আৰম্ভনীতে দূৰ্নীতিৰ বিৰুদ্ধে মাৰ বান্ধি ঠিয় দিয়াৰ সংকল্প জয় আই অসম বিশেষকৈ নাৰী নিৰ্যাতনৰ দৰে পাশৱীয় কাৰ্যৰ বিৰুদ্ধে একগোট হৈ আকাশ বতাহ কঁপাই তোলোহক। ■

(গল্প)

বিভ্ৰান্তি

ৰেৱতী মোহন হাজৰিকা

'ঔ, হলিৰাম চিৰিৰাম পৰশুৰাম, চাহ-তাহ হ'লনে নাই?' অফিচৰ পৰা আহিয়েই কাপোৰ-কানি নসলোৱাকৈয়ে নগেনে হলিৰামক চিঞৰি সুধিলে। হলিৰাম আমাৰ তিনিজনীয়া মেচৰ ৰান্ধনি। আমি তিনিজন হ'লো—মই ৰবীন বৰা, নগেন শইকীয়া আৰু নবীন বৰা। চাকৰি সুত্ৰে তিনিও আহি যোৰহাটত লগ হ'লোহি। তৰাজানৰ মূল ৰাস্তাৰ অলপ ভিতৰৰ দুকোঠলীয়া এটা সৰু ঘৰত আমাৰ মেচতো। পাকঘৰটো থকা ঘৰৰ পাচফালে একোঠলীয়া এটা খেৰীঘৰ। ৰন্ধা-বঢ়া কৰাৰ উপৰি হলিৰাম তাৰে এচুকত এখন সৰু বিচনাত শোৱে।

আমি তিনিজনৰ মই আৰু নগেন সমবয়সীয়া। আমাৰ বয়স চাৰিশ-সাতাইশৰ ভিতৰত হ'ব। কথা-বতৰা চাল-চলনত ল'ৰামতীয়া হৈয়েই আছো। চাকৰিও তিনি বছৰকৈহে হৈছে। নবীন বৰা আমাতকৈ বয়সত তিনি-চাৰি বছৰমান ডাঙৰ হ'ব। উপাধি ধৰি মাতিলেও আমি তেওঁক অলপ সমীহ কৰি চলো। চাকৰিৰ ফালৰ পৰাও আমাৰ তিনিওৰে সম পৰ্যায়ৰ চাকৰি। মই চাপ্লাই চাৰ-ইন্সপেক্টৰ, নবীন ইণ্ডাষ্ট্ৰীচৰ এক্সটেনচন্ অফিচাৰ আৰু ৰবীন ডেপুটি হেণ্ডলুম অফিচাৰ। ডঙুৰা মানুহ। অফিচৰ চাকৰিৰ দায়িত্বত বাদে তেনে কোনো দায়িত্ব নাই। সন্ধিয়া নবীন আৰু মই প্ৰায়েই একেলগে ফুৰিবলৈ ওলাই যাও। বজাৰ সমাৰ বা অন্য তেনে কোনো কাম নেথাকিলে নবীন বৰা আমাৰ লগত নেযায়। মাজে মাজে লাইব্ৰেৰীলৈ যায়। ওচৰৰ পৰিয়ালবোৰৰ লগত আমাৰ তেনে কোনা পৰিচয় নাই। দুই এজনৰ লগত থাকিলেও সেইয়া আছিল বাটৰ চিনাকি। আমাৰ পৰা অলপ আতৰতে আমাৰ দৰেই চাৰিজন ল'ৰাৰ এটা মেচত আছিল। দহা বৰুচুকটো আমাৰ দৰেই তিনিজনীয়া এটা ডঙুৰা মেচ আছিল। তিনিওটা মেচত থকা দহজনৰ মাজত চিনা পৰিচয় হৈছিল। আত্মীয়তাও গঢ়ি উঠিছিল। ৰবিবাৰে আৰু বন্ধৰ দিনত কোনাবা এটা মেচত তাচ খেলি, চাহ-চিগাৰেট খাই আড্ডা দিয়াটোও আমাৰ অভ্যাস আছিল। সন্ধিয়া সময়টোত ৰাস্তাত ঘূৰি ৰগৰ কৰাটো আমাৰ নিত্য নৈমিত্তিক কামৰ দৰে আছিল। তাৰে কিছুমান স্মৃতি হৈ ৰৈছে। বেছিখিনি হেৰাই গৈছে।

এদিনৰ কথা। মই আৰু নগেন ওলাই গৈছো তহল দিবৰ বাবে। অলপ দূৰ গৈয়েই প্ৰণৱ দত্তক লগ পালো। প্ৰণৱ দত্ত লেবাৰ ইন্সপেক্টৰ। নগেন আৰু মোৰ দুয়োৰে চিনাকি ছিলঙৰ অফিচত চাকৰি কৰি ৰাতিৰ কলেজ পঢ়াৰ দিনৰে। প্ৰণৱ দত্ত তিনিমাহৰ আগতে যোৰহাটলৈ বদলি হৈ আহিছে। থাকিবলৈ ভাৰা ঘৰ বিচাৰি পোৱা নাই। হোটেলতে আছে। আমাক লগ পাই খবৰ-বাতৰি লোৱাৰ পাছত ক'লে—'ব'লক অপল দূৰ আপোনালোকৰ লগতে যাম।' আমি আগবাঢ়িছো মাত্ৰ, এনেতে এজন আদবয়সীয়া মানুহে দত্তৰ ওচৰ চাপি চালাম মাৰি সুধিলে—'চাৰ, ফুৰিব আহিলেনেকি?' 'ওঁ' বুলি দত্তই শলাগিলে। লগতে সুধিলে 'আপোনাক চাকৰি দিলেনে নাই?' মানুহজনে উল্লাসিত হৈ ক'লে—'চাকৰি দিলে চাৰ, লগতে কাম নকৰা চাৰি মাহৰ তলবভী দিলে।'

'আপোনাক চাকৰি দিয়াই দিলো, লগতে কাম নকৰা চাৰি মাহৰ দৰ্মহাত দিয়াই দিলো। আপুনি দেখোন মোক একোকে নিদিলে'—দত্তই হাঁহি মাৰি সুধিলে।

'আপনাক লাখ টকা দিলে ভী আপনি নল'ব।

আপোনাক আমি নজানোনে কি?'—তোষামোদৰ গুৰু মানুহজনে ক'লে। দত্তই 'ওঁ' বুলি শলাগি ল'লে। মানুহজন আতৰি যোৱাৰ পাছত নিজকে কোৱাৰ দৰে দত্তই ক'লে—'চালা চুৰাখোৰা, লাখ টকা দিলেভী নল'ব। যিটো অভাৱত পৰি আছো, হোটেলত পইচা দিব পৰা নাই। এশ টকা দি চাচোন লওঁনে নলওঁ।' অলপ দূৰ গৈয়েই দত্তই আমাৰ লগ এৰিলে। আমি আগবাঢ়িলো। অলপ সময় নীৰৱতা। নীৰৱতা ভাঙি নগেনে সুধিলে—'সৌটো কামেশ্বৰ দেউ নহয়নে?' মূৰ তুলি দেখো এটা আসাম টাইপৰ পুৰণা ঘৰৰ এখন সৰু কাঠৰ জপনাৰ ভিতৰফালে বৈ কামেশ্বৰ শৰ্মাই আমাৰ ফালৈকে চাই বৈ আছে। ওচৰ পালত সুধিলে—'সন্ধ্যা ভ্ৰমণৰ বাবে ওলালনেকি?' 'হয় বুলি শলাগি সুধিলো—

'আপোনাৰ ঘৰ এইয়াইনেকি?' শৰ্মাই মূৰ দুপিয়ালে। দুষাৰ মান কথা পতাৰ পাছত শৰ্মাই ক'লে—'ঘৰটো চিনি পালে নহয়, সময় পালে কেতিয়াবা এবাৰ আহিব।' দেউক এৰি আমি আগবাঢ়িলো।

কামেশ্বৰ দেউক মই যোৱা দুবছৰ ধৰি চিনি পাওঁ। চাপ্লাই অফিচলৈ মাহটোত তিনি চাৰি দিন আহে সুলভ মূল্যৰ চেনি বিচাৰি। দেউৰ বাৰটা মাহত তেৰটা পূজা আছেই। তাৰোপৰি কোনোবা আত্মীয়ৰ ঘৰত জন্মদিন, অন্নপ্ৰাসন, তোলনী বিয়া আদি আছেই। কেতিয়াবা অফিচত মোক লগ নাপালে চেনিৰ বাবে দৰ্খাস্ত লৈ মোৰ মেচ ওলাইহি। এদিন ৰবিবাৰে আমাৰ মেচত মই, নগেন আৰু দেউ তিনিও কথা পাতি আছো। কথা প্ৰসংগত নগেনে দেউক সুধিলে—'দেউ, আপুনিটো যজমানী কৰে। আপোনাৰ অৱস্থা ভাল যেন পাওঁ।' দেউৱে ক্ষোভেৰে ক'লে—'যজমানী কৰাৰ বাবদ আমাকনো কোনে ধন সোন-সোপা দিয়ে। আগৰ দিন গ'ল আৰু আজিকালি মানুহে বস্তু হিচাবে একোকে নিদিয়ে। সকলো বস্তুৰ মূলহে দিয়া হ'ল। জেপতে খুচুৰা পইচা অলপ আৰু এটকীয়া দুটকীয়া নোট দুখনমান ল'ব। তাৰে পালেঙিখনৰ মূল্য হিচাবে দিব দেড় টকা, গাই গৰুজনীৰ মূল্য হিচাবে দিব দুটকা। দুটকাতনো ক'ৰবাত গাইগৰু এজনী পাইনে? নগেনে ধেমেলীয়া সুৰত ক'লে—এৰা, দুটকাত আৰু কত গাই গৰু এজনী পাব। চিলঙৰ বড় বজাৰত হোৱা হ'লে আধা কিলো .... হয়।' মই চকু পকাই ধৰিলত সি কথাৰ সুৰ সলাই ক'লে—'মই মানুহৰ মানসিকতাৰ কথাহে কৈছো। গাই গৰু এজনীৰ মূল্যনো কোনোবাই দুটকা দিয়েনে? কমেও টকা কুড়িটা দে। ভক্তি ভাৱ থাকিলে মানুহে দুটকা নিদিয়ে নহয়।' আমাৰ কথোপকথন সিমানতে শেষ হ'ল।

অন্য এদিনৰ কথা। অফিচ বন্ধ আছিল। আবেলি তিনিমান বজাত তহল দিবলৈ ওলালো নগেন আৰু মই। ভোগদৈৰ কাষেৰে নিমাতিলৈ যোৱা ৰাস্তাৰে আমি আগবাঢ়িছো। অলপ দূৰ যোৱাৰ পাছত এঘৰ মানুহৰ বাৰাণ্ডাত সাজি কাজি এজনী গাভৰু ছোৱালী বৈ থকা দেখিলো। আমি মানুহ ঘৰৰ পদুলি মুখ পাওঁ মানে এগৰাকী আদবয়সীয়া ভদ্ৰ মহিলাও সাজি কাজি আহি ছোৱালীজনীৰ কাষতে থিয় হ'লহি। চেহেৰা দেখি ছোৱালীজনীৰ মাক বুলি অনুমান কৰিলো। নিৰাসক্তৰ ভাও জুৰি ছোৱালীজনীলৈ চালো। লৈ লৰ মাৰিব লগাও নহয়, দলিয়াই পেলোৱা বিধৰো নহয়। পদুলিটো পাৰহৈ যোৱাৰ পাছতে নগেনে মোক ক'লে—'হেৰা, ছোৱালীজনীয়ে তোমালৈ ইমান—মৰম লগাকৈ চাইছিল তুমি চকু মাৰি দিব নোৱাৰিলা?'

ঃ চকু মাৰি দি মৰিব দিছানে?

ঃ ইমানটো ভয়।

ঃ ভয় নেলাগিবনে কি? দেখা নাই, মাকজনীয়ে কেনেকৈ সাজি-কাচি 'ফেমিনা' হৈ জীয়েকৰ লগত ফেৰ মাৰি থিয় হৈ আছেহি। জীয়েকলৈ চকু মাৰি দিওঁতে কেনেবাকৈ যদি মাকৰ গাত পৰেগৈ তেতিয়া হ'লে কি হ'ব ভাবি চাইছানে নাই?'

ঃ কথাটো হয় অৱশ্যে। সাৱধানীৰ মৰণ নাই।'

প্ৰায় দুই ফালং মান গৈ আমি ঘূৰি আহিলো। আমাক অলপ আতৰত দেখা পায়েই বাৰাণ্ডাত বৈ থকা ভদ্ৰ মহিলা আহি গেটৰ ওচৰত থিয় হ'লহি। আমি ওচৰ পালত মিচিকিয়া

হাঁহিৰে আমাক উদ্দেশ্য কৰি ক'লে—'এইটো অঞ্চলত নতুন মানুহ যেন লাগিছে। ইয়াতে ক'ৰবাত থাকে হ'বলা।'

'হয়, আমি ইয়াতে তৰাজানত মেচ কৰি আছো— 'নগেনে ক'লে।'

ঃ চাকৰি কৰেনে অন্য কিবাহে?

ঃ চাকৰি কৰো। ই চাপ্লাই চাব ইন্সপেক্টৰ, মই ইণ্ডাষ্ট্ৰীজ ডিপাৰ্টমেণ্টৰ এক্সটেনচন্ অফিচাৰ।'

ঃ বৰ ভাল কথা। ইমান দূৰ খোজ কাঢ়িলে। আহক আমাৰ ঘৰতে বহি অলপ জিৰণি লৈ চাহ একাপকে খাব। নগেনে প্ৰশ্নবোধক চাৱনিৰে মোৰ ফালে চালে।

ঃ এতিয়া নোৱাৰিম, মোৰ অলপ জৰুৰী কাম আছে। দেৰিয়েই হ'ল, হাত ঘড়ীটোলৈ চাই ক'লো। মানুহগৰাকী অলপ হতাশ হোৱা যেন লাগিল। মানুহ গৰাকীলৈ চাই নগেনে ক'লে—'হ'ব বাৰু, বেলেগ এদিন আহিম। বেয়া নাপাব।'

'আহিব লাগিব কিন্তু' শেতা হাঁহি মাৰি মানুহগৰাকীয়ে ক'লে। মানুহগৰাকীৰ ওচৰৰ পৰা আতৰি অহাৰ পাছতে নগেনে ক'লে—'হেৰা, ঘৰখনত যৌৱনে এৰা দিব ধৰা অবিবাহিতা জীয়ৰী থাকিলে মাকৰ কিমান চিন্তা তুমি কি বুজিবা।'

ঃ তুমি বুজিলেই হ'ব দিয়া।

ভোগদৈ দলং পাৰ হৈয়েই নগেনে পুনৰ ক'লে— 'হেৰা, মানুহগৰাকীয়ে ইমান আগ্ৰহেৰে চাহ একাপ খাবলৈ মাতিলে তুমি পোনচাটেই না কৰি দিলা। এতিয়া দোকানতে চাহ-তাহ খুউৱা আৰু।'

ঃ হ'ব বাৰু। এটা কাম কৰো বুইচা। দোকানৰ পৰা মিঠাই দুটামান নি মেচতে চাহ খাম দিয়া।

ঃ তুমি যি ভাল দেখা।

কালাকান সন্দেশ চাৰিটা আৰু শিংৰা চাৰিটা লৈ মেচ পালোহি। নগেনে চিঞৰ ল'লে—'ঔ ধোদৰ আলি বন্ধা হলিৰাম, এই ফালে আহ, ফট্‌চানে আহ।' হলিৰাম আহিলত তাক মিঠাই কেইটা দি চাহ কৰিবলৈ ক'লে। চাহ মিঠাই দি হলিৰামে মোক ক'লে—'চাৰ আপুনি ওলাই যোৱাৰ পাছতে মানুহ এগৰাকীয়ে আপোনাক বিচাৰি আহিছিল।'

'ছোৱালী মানুহনে?' নগেনে লগে লগেই সুধিলে।

ঃ ছোৱালী মানুহ নহয়, তিৰোতা মানুহহে। বৰ ভাল, দামী কাপোৰ পিন্ধিছে। ইস্কুলৰ মাষ্টৰণীনোকি জানো?

ঃ হ'ব বাৰু দে। কিবা কৈছিলনেকি?

ঃ হয় চাৰ, ... ক'লে চাপ্লাই ইন্সপেক্টৰ বৰা চাহাব আহিলে শইকীয়ানী অহা বুলি ক'বি। কাইলৈ আবেলি মই তেখেতৰ অফিচলৈকে যাম। নগেনলৈ চাই ক'লো—'চৰকাৰে মোক প্ৰমোচন দিয়ক নিদিয়ক সেইটো পাছৰ কথা। মানুহগৰাকীয়ে কেই কিলোমান কণ্ট্ৰোলৰ চেনিৰ কাৰণেই মেচলৈকে আহি মোক কেনেকৈ মুখেৰেই প্ৰমোচনটো দি গ'লহি দেখিলাই নহয়।'

ঃ তোমাৰ কপলীয়াৰ কপালেই বেলেগ। বৃহস্পতি পোন।

এটা মুকলিমুৰীয়া মন লৈ হাঁহি-তামাচাৰ মাজেৰে মেচৰ দিনবোৰ পাৰ কৰি আছো।

এদিন নবীন বৰাই মোক ক'লে—'আপোনাৰ লগত মোৰ অলপ কথা আছে। ব্যক্তিগত কথা।' 'কওক' বুলি কোৱাৰ লগে লগে ক'লে—'পাছত কম বাৰু। 'পিছদিনা বৰা মোৰ ৰুমলৈ আহিল। নগেন মেচত নাছিল। অফিচৰ কামত দেৰগাঁৱলৈ গৈছিল। নবীন বৰা বহাৰ লগে লগেই সুধিলো— 'আপুনি মোক কিবা কম বুলিছিলে নহয়, কওঁক।'

ঃ কিবা মানে মোৰ ব্যক্তিগত কথা। আপুনি বেয়া নেপালে মোক অলপ সহায় কৰি দিব লাগে।

ঃ আপোনাক কিবা সহায় কৰিব পাৰিলে বাৰু কিয় বেয়া পাম। ভালহে পাম।'

ঃ আজি কিছুদিন ধৰি ঘৰৰ পৰা বৰ আমনি কৰি আছে। বিয়া পাতিব লাগে। মই ছোৱালী চাই পচণ্ড কৰিলেহে বোলে

ঘৰৰ ফালৰ পৰা আগবাঢ়িব।

ঃ ভাল কথাহে। ক'ৰবাত ছোৱালী চোৱাৰ কথা ভাবিছানেকি?

ঃ তাকেইটো। শিৱসাগৰত বোলে ছোৱালী চাবলৈ যাব লাগে। পাৰিলে অহা ৰবিবাৰ মানে যোৱাৰ কথা ভাবিছো। আপুনি কিবা কৰি গাড়ী এখন যোগাৰ কৰি দিলে বৰ ভাল পাম। পেট্ৰোলৰ খৰচ মই দিম।'

ঃ হ'ব বাৰু। মই যত্ন কৰি চাওঁ। আজিটো বুধবাৰ। পৰহিৰ ভিতৰত কিবা এটা কৰিব লাগিব। আপোনাকনো বাৰু শিৱসাগৰৰ ছোৱালীৰ খবৰ কোনে দিলে?

ঃ এহ, নক'ব আৰু। আপুনি কিজানি চিনি পায়েই। মোৰ ওচৰলৈ যে মাজে মাজে আহে পদুম কাকতি তেঁৱেই এই বিষয়ত যোগাযোগ কৰি আছে। পদুম কাকতিৰ ঘৰ শিৱসাগৰ টাউনৰ ওচৰৰ বেতবাৰীত। ছোৱালীৰ কিবা সম্পৰ্ক হয়।

শুক্ৰবাৰে আবেলি গাড়ী এখন ঠিক কৰিলো। গতিকে ৰবিবাৰে শিৱসাগৰত ছোৱালী চাবলৈ যোৱাটো খাতাং হ'ল। দুপৰীয়া এক-দেড়মান বজাতে আমি নবীন, নগেন আৰু মই যোৱাৰ কথা। আমাক ছোৱালীৰ ঘৰলৈ বাট দেখুৱাই আগবঢ়াই নিবৰ বাবে পদুম কাকতি শিৱসাগৰৰ চৰকাৰী বাছষ্টেচনত ৰৈ থাকিব। এক বজাতে আমি ভাত্-পানী খাই যাবলৈ সাজু। নগেনে মোৰফালে চাই ৰগৰ কৰি ক'লে—'হেৰা, এই কাপোৰ যোৰেৰে তোমাক বৰ ধুনীয়া লাগিছেহে। তাতে তুমি মানুহটোও ধুনীয়া নহয়। বটলটোৰ পৰা চাৰ্টত সেইবোৰ কি লৈছা?

ঃ চেন্ট—ইভিনিং ইন্ পেৰিচ।

ঃ চাওঁ, মোৰ চাৰ্টটোত দুটোপাল পেলাই দিয়াচোন। মোৰ গাটো কোনোবাই কিবা গোন্ধ পাই যদি পাওঁক।

আবেলি তিনি বজাৰ আগে আগে আমি শিৱসাগৰৰ ছোৱালী ঘৰ পালোগৈ। ছোৱালীৰ খুৰায়েকে পদূলি মুখৰ পৰাই আগবঢ়াই নি আমাক ড্ৰয়িং ৰুমত বহুৱালেগৈ। ড্ৰয়িং ৰুম মানে তেতিয়াৰ দিনৰ চ'ৰা ঘৰ। ড্ৰয়িং ৰুমত দুখন বেটৰ চকী, এখন বেটৰ চোফা, দুখন কাঠৰ চকী আৰু এখন বেটৰ টেবুল। প্ৰায় চল্লিশ-পঞ্চাচ বছৰমান আগতে সজোৱা পুৰণা আসাম টাইপৰ ঘৰটোৱে আৰু ইয়াৰ পৰিবেশে এটা মধ্যবিত্ত পৰিয়ালক নিম্ন মধ্যবিত্তলৈ অৱতৰণ ঘটোৱা যেন লাগিল।

পদুম কাকতিয়েই ছোৱালী খুৰায়েকৰ লগত আমাক পৰিচয় কৰাই দিলে। খুৰায়েকজনক দেখিলে নিৰীহ যেন লাগে। কথা কম কয়। পদুম কাকতি মোৰ আৰু নগেনৰ বাটৰ চিনাকিৰ দৰে। বিশেষ তেনে আত্মীয়তা গঢ়ি উঠা নাই। আমাৰ মাজত কথা-বতৰা লৌকিকতাৰ মাজতে সীমিত আছিল। নগেন আৰু মইহে নীৰৱতা ভংগ কৰি কথা পাতি আছিলো। কথা পাতি থাকোতে এজনী ছোৱালীয়ে কাষৰ কোঠাৰ দুৱাৰৰ পৰ্দা ফাঁকেৰে মোৰ ফালে চাই থকা দেখিলো। আমাৰ চকুৱে চকুৱে পৰিল। তাই লাজ পালে। আতৰি গ'ল। অলপ পাছতে পৰ্দাৰ ফাঁকেৰে ডেকা ছোৱালীজনীয়ে ট্ৰে এখনত পাঁচ কাপ চাহ আৰু লগতে আন এজনী ছোৱালীয়ে ঠাল এখনত অলপ ঘিলাপিঠা আৰু নাৰিকলৰ লাডু লৈ আহিল। চাহ দিওঁতে নবীনে লাজতে ছোৱালীজনীৰ ফালে মূৰ তুলি নেচালেই। আঁতৰি যাওঁতেহে কেৰাহিকৈ চালে। চাহ কাপ হাতত লৈ পিঠাৰ ঠালখনলৈ হাত টোৱাই নগেনে সুধিলে—'এটা লমনে দুটা লম?' লগে লগেই মই ক'লো—'তিনিটা লোৱা।' আটায়ে হাঁহিলে। মোৰ ওচৰ পালত ঠালখনৰ পৰা পিঠা এটা লৈ ট্ৰেখন হাতত লৈ মোৰ কাষতে থিয়হৈ থকা ছোৱালীজনীয়ে তলৰ ওঁঠখন কামুৰি মোৰ ফালে চালে। তাইৰ চকুৰ হাঁহি মাৰ যোৱাই নাই। চাহ-তাহ খাই আধাঘণ্টামান বহাৰ পাছতে আমি আহিব ওলোৱাত ছোৱালীৰ খুৰাকে আমাক ক'লে—'বহক, কলৈ যায়। আপোনালোকে চাহ কাপৰ বাহিৰে একোকে খোৱাই নাই। ঘৰৰ মানুহৰ লগতো চা-চিনাকি হোৱা নাই।' আমি বহিলো। অলপ পাছতে আমাক ভিতৰলৈ মাতিলে জলপান খাবৰ বাবে। লুচি, তৰকাৰী আৰু পায়স খোৱাৰ পাছত আমি চাহ নেখাওঁ বুলি ক'লো। ইয়াৰ পাছতে আৰম্ভ হ'ল চিনাকি হোৱাৰ পৰ্ব। পচুয়েই সকলোকে চিনাকি কৰি দিলে। এইজনী কল্যাণী, এখেত কল্যানীৰ মাক আৰু এখেত

কল্যাণীৰ খুৰীয়েক। ঠিক একেদৰেই আমাক চিনাকি কৰি দিলে। এইয়া ৰবীন বৰা, এখেত নবীন বৰা আৰু তেখেত নগেন শইকীয়া। নমস্কাৰ বিনিময়েহে পৰিচয় পৰ্ব শেষ হ'ল। আধাঘণ্টামান পাছত আমি বিদায় ল'লো। পদূমো বাছ ষ্টেচনলৈকে আমাৰ লগতে আহিল। দিখৌৰ লোহাৰ দলং পাৰ হোৱাৰ পাছতে মই নবীনক উদ্দেশি ক'লো—'আপোনাৰ ভাগ্য ভাল দিয়ক। ছোৱালী কেৱল ধুনীয়াই নহয়, মৰম লগা আৰু অমায়িকো। ঘৰৰ মানুহ খিনিও বেচ সহজ সৰল। গতিকে ছোৱালী অপচন্দ কৰাৰ প্ৰশ্নই নুঠে।

ঃ জানো, আপোনালোকেহে জানে—নবীনৰ সহজ উত্তৰ। আগৰ চিটত বহা নগেনক সুধিলো—'হেৰা নগেন, ছোৱালী কেনে দেখিলা?'

ঃ এহ, ক'ব লাগিছেনে, একেবাৰে দৰিকা নদীৰ পাভ। নবীনে কৃত্ৰিম খঙেৰে নগেনলৈ চালে। আমি সন্ধিয়া সাত বজাত আহি যোৰহাট পালোহি। আহোতে নামডাঙৰ শিলৰ সাঁকোৰ ওচৰৰ পৰা তিনিপোৱা মান ওজনৰ খৰিয়া মাছ এটা কিনি আনিছিলো। গাড়ীৰ পৰা নামি ৰুমত সোমায়েই নগেনে হলিৰামক চিঞৰিলে 'ঐ হলিৰাম কপালখোৰা, এইফালে আহ। কি আনিছো চাহি!' হলিৰাম আহিলত নগেনে তাক মাছটো দি ক'লে—'হলিৰাম আহিলত নগেনে তাক মাছটো দি ক'লে—'নে, ভালকৈ জিভাত লগাকৈ ৰান্ধিবি। এতিয়া চাহ একাপ একাপ দি ল'।

আমি ছোৱালী চাই অহাৰ পাছতে নবীনৰ মাক, খুৰায়ক আৰু ভনীয়েকেও ছোৱালী চালেহি। পচন্দ কৰিছে। ৰাহি যোৱাও আহিছে বোলে। ফাগুনত বিয়া পতাৰ সিদ্ধান্ত ও কৰিছে। দুদিন মান পাছতে নবীনে মোক সুধিলে—'বৰা, এটা কথা নহয়—বিয়াটো খাটাং হ'লেই। এতিয়া মই যদি ছোৱালীৰ মনটো জানিবৰ বাবে চিঠি এখন লিখো বেয়া হ'ব নেকি?'

ঃ কিয় বেয়া হ'ব। আজি কালিৰ ল'ৰা-ছোৱালীয়ে বিয়াৰ আগতে চিঠি পত্ৰ লিখাৰ বাহিৰেও হলিগলিও কৰে।

নবীনৰ অনুৰোধত অনিচ্ছা স্বত্বেও তাৰ প্ৰথম চিঠিখন ড্ৰাফট কৰিব লগা হ'ল। সি কপি কৰি পঠালে। এসপ্তাহৰ পাছতে চিঠিৰ উত্তৰ আহিল। চিঠি পাই তাই বৰ ভাল পাইছে। তেনে এখন চিঠিৰ বাবে তাই বৰ আশা কৰি আছিল। প্ৰেম জমি উঠা যেনেই লাগিল। দুমাহত চাৰিখন প্ৰেম পত্ৰৰ বিনিময় হ'ল। নবীনৰ মনটো ফৰকাল। এটা কথা উপলব্ধি কৰিলো—বন্ধুৰ ভালপোৱাৰ এটা বুজাব নোৱাৰা আমেজ আছে।

মাঘ বিহুলৈ আৰু এসপ্তাহ বাকী। দেউতাৰ পৰা চিঠি পালো। লিখিছে—শিৱসাগৰৰ ডিমৌত থকা দেউতাৰ মোমায়েকৰ পুতেক পুতুল খুৰাৰ ছোৱালী অনিমাৰ বিয়া মাঘৰ দুই তাৰিখে। ময়েই যেনেকৈ নহওঁক বিয়ালৈ যাব লাগে। আমাৰ জখলাবন্ধাৰ ঘৰৰ পৰা বোলে কোনো আহিব নোৱাৰে। অগত্যা বিয়ালৈ যোৱাটোকে থিৰাং কৰিলো। গাড়ী এখন যোগাৰ কৰি দুই বজাতে ডেমৌ অভিমুখে যাত্ৰা কৰিলো। তিনি বজাতে শিৱসাগৰ পালোগৈ। চাহ একাপ খোৱাৰ ইচ্ছা হ'ল। ভাবিলো, বিয়া ঘৰটো বেছি সময় বহি থাকিলে আমনি লাগিব। গতিকে অলপ জিৰাই-শঁতাই যোৱাই ভাল হ'ব। মোৰ কথামতেই ড্ৰাইভাৰে গাড়ীখন মেইন ৰোডৰ পৰা শিৱমন্দিৰলৈ যোৱা ৰাস্তাৰ একাষত ৰাখিলেগৈ। গাড়ী পৰা নামি দুয়ো দোকানত চাহ খালো। হাতৰ ঘড়ীটোলৈ চালো। তিনি বাজি পোন্ধৰ মিনিট গৈছে। ড্ৰাইভাৰক ক'লো—'অলপ লাহে ধীৰে যাওঁ দিয়া। তুমি ইচ্ছা কৰিলে মন্দিৰৰ পৰাই আহিব পাৰা।' হ'ব চাৰ বুলি ড্ৰাইভাৰ আঁতৰি গ'ল। ৰাস্তাৰ একাষত ৰৈ চিগাৰেট হুপি মন্দিৰ দৰ্শনৰ বাবে অহা মানুহবোৰৰ আলেখ-লেখ চাই আছো। মন্দিৰত দৰ্শনাৰ্থীৰ বেচ ভিৰ। উৎসৱ মুখৰ পৰিৱেশ। মাঘ মাহ বাবেইনে কি জানো? চিগাৰেটটো পেলাইছো মাত্ৰ। অলপ আঁতৰত থকা মানুহৰ ভিৰৰ মাজৰ পৰা চকুৰে মুখে হাঁহি বিৰিঙাই ছোৱালী এজনী মোৰ ফালে আগবাঢ়ি আহিল। ওচৰ পালত দেখো এইয়া দেখোন নবীনৰ ভাবী পত্নী কল্যাণী। কঁপালৰ সেন্দুৰৰ দীঘল ৰেখাডালত চকু ৰাখি ধেমেলীয়া হাঁহি মাৰি সুধিলো—'মহাদেউৰ ওচৰতনো কি প্ৰাৰ্থনা কৰা হ'ল?' মোৰ কথাত উৎফুল্লিত হৈ কল্যাণীয়ে ক'লে—'বিয়াৰ আগতে এজনী ছোৱালীয়ে মহাদেউৰ ওচৰত

কি প্ৰাৰ্থনা কৰে আপুনি নেজানেনে কি?'

ঃ জানো অৱশ্যে।

ঃ যাওঁক বাৰু সেইবোৰ। কওঁকচোন আপুনি ক'ৰ পৰা কেনেকৈ ওলালহি?

ঃ মই আহিলো যোৰহাটৰ পৰা। ডিমৌলৈ যাম। তাত মোৰ খুৰাৰ ছোৱালীৰ বিয়া। চাহ একাপ খাই ইয়াতে অলপ ৰৈছো।

ঃ ব'লক আমাৰ ঘৰলৈকে।

ঃ এতিয়া নেযাওঁ। বিয়ালৈ যাবলৈ দেৰি হৈ যাব।

ঃ হ'ব বাৰু। আপুনি এটা কাম কৰিব। বিয়াৰ পৰা ঘূৰি আহি আমাৰ ঘৰত সোমাবহি। আপুনিটো আজিয়েই ঘূৰিব। আজি ৰাতিটো আমাৰ ঘৰত থাকি কাইলৈ পুৱা চাহ-তাহ খাই যোৰহাটলৈ যাবগৈ। যোৰহাট ইয়াৰ পৰা এঘণ্টাৰ বাটহে। আপুনিয়ে কি আৰু আপোনাক আমাৰ ঘৰলৈ ইমান মাতিলো। আহিবলৈ সময়েই পোৱা নাই। আজি-কালিৰ ল'ৰাইনো বিয়াৰ আগতে ছোৱালীৰ ঘৰলৈ আহিবলৈ বেয়া পায়নে ক'ৰবাত। আপুনি আহিব লাগিব কিন্তু। বিহুতো নাহিল। মা আৰু খুৰীহঁতেও আপুনি আহিলে বৰ ভাল পাব। আৰু কথা নহয়-আপুনি আহিলে বৰ ভাল পাব। আৰু এটা কথা নহয়-আপুনি বাৰু এসপ্তাহ আগতে দিয়া মোৰ চিঠিখন পাইছিলনে নাই? ফটো নপঠালে দেখোন।

মই থৰ লাগিলো। নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰা যেন লাগিল। কিবা এক অজান আশংকাই মনটোক খেলি মেলি কৰি দিলে। মূৰ তুলি কল্যাণীৰ মুখলৈ চোৱাৰ সাহসকনো হেৰুৱাই পেলালো। নিজকে বৰ অসহায় যেন লাগিল। মোৰ অৱস্থাটো দেখি আঁচৰিত হোৱাৰ দৰে কল্যাণীয়ে সুধিলে—'আপোনাৰ কি হ'ল, তেনে কৰিছে কিয়?' মনলৈ সাহস গোটাই মনটো ডাঠ কৰি তল মূৰা হৈয়েই ক'লো—'মিচ্ কল্যাণী বৰুৱা, আপুনি নিশ্চয় ভুল কৰিছে। মই নবীন বৰা নহয়। নবীন বৰাৰ বন্ধু ৰবীন বৰাহে। 'কথাষাৰ কোৱাৰ লগে লগেই মোৰ বাক্‌শক্তি লোপ পোৱা যেন লাগিল। তলমূৰ কৰি ৰ'লো। ঘন-ঘনকৈ লোৱা উশাহ আৰু ফোপনিৰ শব্দ শুনি মূৰ তুলি চাই ভীষণভাৱে সচকিত হৈ উঠিলো। চকুৰ পানীৰে উপচি পৰা কল্যাণীৰ চকুত এক বুজাব নোৱাৰা ক্ষোভ আৰু হতাশাৰ বিস্ময়কৰ চাৱনি। মোৰ ওচৰৰ পৰা আঁতৰি গৈ ৰিক্সাষ্টেণ্ডৰ ফালে খোজ ল'লে। কেৱল মাত্ৰ এটা শব্দ 'যাওঁ'। এই শব্দটোৱেই এপাট তীক্ষ্ণ শৰ হৈ মোৰ কলিজাত বিন্ধিলে। সৰগ পৰা মানুহৰ দৰে থৰহৈ ৰ'লো। অলপ পাছতে সম্বিত ঘূৰাই পাই লৰি যোৱাদি গৈ ৰিক্সা ষ্টেণ্ডৰ ওচৰত কল্যাণীক ক'লো—'মিচ্ বৰুৱা, অলপ ৰ'ব, মোৰ গাড়ীৰেই আপোনাক অলপ আগবঢ়াই দি আহো।'

'নেলাগে, ৰিক্সাতে যাম'—মোৰ ফালে মূৰ তুলি নোচোৱাকৈয়েই কল্যাণীয়ে ক'লে। ফেঁচাটো অহাদি ঘূৰি আহিলো। গাড়ীৰ পৰা অলপ আতৰত ৰাস্তাৰ একাষে ৰৈ চিগাৰেট এটা জ্বলাই ল'লো। ঘন-ঘনকৈ দুহোপা মান মাৰি নাকে মুখে ধোঁৱা উলিয়াই ভাবিলো—কি যে ঘটনাবিলাক ঘটিবলৈ পায়। কিয় বাৰু এনে হ'বলৈ পালে? মোৰ দোষ ক'ত? মই বাৰু নকৰিবলগীয়া কিবা কাম কৰিছিলোনে কি? এটা কথা ভাবি আচৰিত হ'লে ভুল হ'ব পাৰে। দুই এদিনৰ পাছতে এনে ভুল ভাগিব লাগিছিল। ইমান দিনলৈ এই ভুল থাকিব নেলাগিছিল দেখোন শেষত এষাৰ কথা মনলৈ আহিল। Time is the best heater. সময়ে সকলো ঠিক কৰি দিব। অলপ আশ্বস্ত হ'লো। চক্ খাই জ্বলি থকা চিগাৰেটটো ৰাস্তাৰ দাতিলৈ দলিয়াই দিলো। বাঁও হাতৰ আঙুলি দুটাৰ বমবমনি উঠিল। দুবাৰমান হাতখন এচাৰি মুখেৰে ফুৰাই দিলো। সোঁহাতৰ তলুৱাৰে আঙুলি দুটা মোহাৰি অলপ আতৰতে থকা গাড়ীৰফালে আগবাঢ়িলো। অলপ আতৰতে ৰৈ থকা ড্ৰাইভাৰো আহি গাড়ীত বহিল। গাড়ীত বহাৰ লগে লগে মোৰ মুখৰ পৰা এটা হুমুনিয়াহ বাজ হ'ল। ড্ৰাইভাৰে ডিঙি ঘূৰাই কেৰাহিকৈ মোৰফালে চালে। ড্ৰাইভাৰক ক'লো-'ব'লা'......। ■

গল্প নহয়

ফুলেশ্চ্ গগৈ

গাঁৱৰ ঘৰখনৰ পৰা আঁতৰি অহা প্ৰায় ৪০ বছৰেই হ'বৰ হ'ল। তথাপিটো ঘৰৰ তথা ওপজা গাঁওখনৰ মোহে, মৰমে এতিয়াও সৰু অন্তৰখনক বান্ধকৈয়ে আমনি কৰি থাকে। সেয়েহে বিহু আহিলে, পূজা আহিলে সুদূৰ অতীতলৈ বৰকৈ ঘূৰি যাবলৈ মন যায়। কিয় এনে হয়? এই প্ৰশ্নৰ উত্তৰ হয়তু মই কেতিয়াও বিচাৰি নেপাম।

আগৰ বহু কেইবাৰৰ দৰে এইবাৰো বিহুৰ আগে আগে পৰিয়ালৰ সৈতে গাঁৱৰ ঘৰৰ পৰা আহিবলৈ মন যোৱাত ঘৰলৈ বুলি ঢাপলি মেলিলো। ঘৰখনত জীয়াই থকা সকলো কেইটা প্ৰাণীৰ লগত এসপ্তাহমান কটাই পুনৰ কৰ্মস্থল গুৱাহাটীলৈ বুলি উভতি আহিছিলো জনশতাব্দী ৰেলখনত। মৰিয়নী ষ্টেচনত ভাই দুটাই নিজৰ গাড়ীৰে আগবঢ়াই থৈ গৈছিলহি। ট্ৰেইনত আহি থাকোতে আমাৰ সমনীয়াবোৰৰ চিন্তাক্লিস্ত শুকান মুখবোৰ তথা নিশকতীয়া শৰীৰ কেইটালৈ মনত পেলাই মনটো কিবা এটা অজান বেদনাত গধুৰ হৈ পৰিছিল। বুজিবলৈ চেষ্টা কৰিছিলো যে এইবোৰ হৈছে সময়ৰ নিৰৱিচ্ছিন্ন পৰিৱৰ্তনৰ অন্তৰালতেই আৱদ্ধ।

ট্ৰেইনতে ফৰকাটিং ষ্টেচনত মোৰ সমবয়সীয়াল লোক এজনৰ লগত চিনা পৰিচয়। পিন্ধনত বেচ পৰিপাটি মোতকৈ সৰু যেন লগা ভদ্ৰলোকজনৰ লগত সামান্য কথা-বতৰা হোৱাৰ পাছত লক্ষ কৰিলো তেওঁ যেন কিবা এটা চিন্তাত মগ্ন হৈ পৰিছে। দেখিলো তেওঁৰ দুই হাতৰ মাজত এখন আলোচনী জাতীয় কিতাপ। মোৰ মনটোৱে ৰ'ব নোৱাৰি তেওঁৰ মৌনতাৰ কথা সুধি জানিব পাৰিলো যে তেওঁ হেনো গুৱাহাটীৰ পৰা গোলাঘাটত থকা নিজৰ ঘৰলৈ ডাঙৰ ককায়েকৰ শ্ৰাদ্ধৰ বাবে গৈছিল। শ্ৰাদ্ধৰ সকলো কৰ্ম শেষ কৰি পুনৰ গুৱাহাটীলৈ ঘূৰি আহিছে। ভালকৈ লক্ষ কৰি গম পালো যে আলোচনীখন এখন 'স্মৰণিকা'। তেওঁ ককায়েকলৈ বুলি শ্ৰদ্ধাজ্ঞাপন কৰি লিখা লিখনিটোত দৃষ্টি নিক্ষেপ কৰিয়েই তেওঁ চিন্তাত নিমগ্ন হৈ পাৰিছিল। মনটোৱে নমনাতময়ো ক'ব নোৱাৰা হৈ হাতখন স্মৰণিকাখনৰ ফালে আগবঢ়াই দিলো। সজল চকুদুটাৰে মোলৈ চাই স্মৰণিকাখন আগবঢ়াই দিলে। ময়ো মুখেৰে একো নোকোৱাকৈয়ে সেইখনলৈ তেওঁৰ লিখনিটোৰ ওপৰত চকু ফুৰাবলৈ ধৰিলো। ওপৰতে লিখকৰ নামটো পঢ়িহে গম পালো যে তেৰেঁই শ্ৰীসুৰেণ ফুকনদেৱ। অলপো পলম নকৰি লিখনিটোত চকু ফুৰাবলৈ ধৰিলো। প্ৰথম Heading টো চায়েই গম পালো। মানুহজনৰ মাজত এটা শিল্পীসুলভ ভাৱ জাগ্ৰত হৈ আছে।

তেখেতৰ লিখনিটোকেই হুবহু দাঙি ধৰিলো

'জীৱন নাটৰ শেষ ৰাগিনী কল্যাণ খৰমানত'

শ্ৰদ্ধাৰে ককাইদেউলৈ.....

চুৰেণ, গুৱাহাটী

সময়ৰ সোঁতত পৰি ভৱিষ্যত এদিন হয় বৰ্তমান, বৰ্তমানো এদিন হয় অতীত। কিন্তু অতীত??? অতীত সদাই অতীতেই যাৰ নাই কোনো পৰিবৰ্তন। এইয়াই হৈছে সময়। সময়ৰ সোঁতত পৰি পৰিবৰ্তনৰ মাজেদিয়েই এদিন পৰিসমাপ্তি ঘটে সকলোৰেই। সময় বৰ নিষ্ঠুৰ, ই কাকোৱেই ক্ষমা নকৰে।

ক্ষমা নকৰিলে মোৰ জীৱনৰ বাটত লগপোৱা সকলো প্ৰেৰণাৰ উৎস পিতৃতুল্য অগ্ৰজ পূৰ্ণ ফুকনকো ক্ষমা নকৰিলে

থুলন্তৰ পুৰুষ সাক্ষাৎ কাৰ্তিক হেন চেহেৰাৰ পূৰ্ণ ফুকনক, ক্ষমা নকৰিলে বিহু ভালপোৱা, নাটক কৰি ভালপোৱা মানুহক নিঃস্বাৰ্থভাৱে ভাল পাবজনা সৰ্বহাৰাক সহায় কৰিব জনা পূৰ্ণ ফুকনক। ককাইদেউ অ' আজি তোৰ পুণ্য শ্ৰাদ্ধৰ দিনা মোৰ বৰকৈ মনত পৰিছে, মোৰ সৰু অন্তৰখন ভাগি চুৰমাৰ হৈ গ'লেও মই কিন্তু আজি কন্দা নাই, যদিও চকুৰ পানীখিনিক বাধা দিব পৰা নাই। তইযে সিদিনা ৰোগশয্যাত মোৰ হাত দুখন খামোচ মাৰি বুকুৰ মাজতলৈ থোকাথুকি মাতেৰে কৈছিলি 'তই বেজাৰ নকৰিবি, মোৰ চব কামেই হৈ গ'ল, পাঁচটা ল'ৰা-ছোৱালীক মানুহ বনাই সকলোকে সংস্থাপন দি ঘৰ-সংসাৰ কৰাই নাতি-পুতিৰ মুখ দেখিলো। কালিলৈ মই মৰি গ'লেও মোৰ কোনো আক্ষেপ নাই। তোৰ কিন্তু কৰিবলগীয়া বহুত কামেই বাকী আছে। গতিকে তই তোৰ কথা চিন্তা কৰ, লগতে ঘৰত থকা ভাইকেইটাৰ কথা চিন্তা কৰ। তই থকা সমাজখনৰ কথা চিন্তা কৰ ভগৱানে তোৰ মঙ্গল কৰিব।' সেয়েহে ককাইদেউ অ' মই অকনো কন্দা নাই। তই চিন্তা নকৰিবি।

আজি দুখ লাগিছে এইটো কাৰণতেই তই কটাই থৈ যোৱা শুকান খৰি খিনিৰ পৰা তোৰ নামত এডুখৰিও দিব নোৱাৰাৰ বাবে, বেয়া লাগিছে তোৰ শেষ যাত্ৰাত মানে তোৰ জীৱন নাটৰ 'কল্যাণ খৰমানত' ভাগ ল'ব নোৱাৰাৰ বাবে। তই বেয়া নাপাবি।

আজি বৰকৈ মনত পৰিছে অ' সেই দিনটোলৈ তই এবাৰ মেট্ৰিকৰ Result বেয়া কৰোতে যে দেউতাই দুনলীয়া বন্দুকলৈ খেদি ফুৰিছিলে! বাঃ কিযে অভিনৱ শাসন।

তোৰ ৰিজাল্টৰ দিনা ঘৰত যে কি কন্দাকটি। আই, বৌহঁতৰ তোলৈ থকা মৰমলগা, আবেগিকতাবোৰ মনত পৰি আজিও মনটো আনন্দৰ চকুলোৰে ধুৱাই নিয়ে।

ককাইদেউ তই আমাৰ পৰা আঁতৰি যোৱাৰ দুদিন আগতে মই গুৱাহাটীলৈ তোক নোকোৱাকৈ পুৱাই গুচি আহিলো। তই বেয়া পালি নেকি? মই জানিছিলো তই কাৰোৱেই কথা নুশুনাকৈ অজান মুলুকলৈ যাবিগৈ বুলি। সেয়েহে তোক চিৰ বিদায় দিবলৈ মোৰ মনটোৱে নক'লে অ'। দুদুৱে কিন্তু বেয়া পাইছে জান। 'চুৰেণদা আপুনি পুৱাই দেউতাক নোকোৱাকৈ গুচি গ'ল কিয়?' বুলি আবদাৰ কৰি দিয়া গালিটোৱে তাইৰ মোৰ প্ৰতি থকা অধিকাৰ তথা মৰমখিনিক পুনৰবাৰ সজীৱ কৰি তুলিলে। তই দুদুক (মাজুজীয়েক) বেয়া নেপাবি। তাই তোৰ দৰেই বিৰাট জেদী। অন্যায় অবিচাৰ সহ্য কৰিব নোৱাৰে। মানুহক তোৰদৰেই সহায় কৰি ভাল পায় আৰু 'দুলাল' তাইৰ মনৰ মানুহটো ধনীৰ দুলাল নহ'লেও সি এটা 'ধনীমনৰ' দুলাল।

সিদিনা দেওবাৰ ১৭-৩-১৩ তাৰিখে দুপৰীয়া ভাত খাই উঠাৰ ১০ মিনিটমান হৈছে কি নহৈছে, দিনৰ ২ বাজিছে তোলৈ মনত পৰি ভাই মৃদুলক ফোন কৰি জানিব পাৰিলো যে তই একেই আছ। পুনৰ ১৫ মিনিটমানৰ পাছত ভাইটোৱে তই 'অজান মুলুকলৈ' যোৱাৰ খবৰটো দিয়াত মই ৰাণুক (বোৱাৰী) জনালো। তেওঁ মনতে ঘোষা এফাঁকি গুণগুনাই শ্ৰদ্ধা নিবেদন কৰি থকা দেখি মনটোক বাধা দিব নোৱাৰিলো। সোনমণিয়ে (ডাঙৰ জী) ফোনত কোৱা কথাবোৰ বুজি নাপালো। কেৱল উচুপনিটোহে কানত বাজি থাকিল। লৰালৰিকৈ গাড়ীখন লৈ সোণমণিৰ সৈতে যোৰহাটলৈ ঢাপলি মেলিলো তেতিয়া দিনৰ ৩ বাজিছে। মুখত কাৰোৱেই মাত বোল নাই জাগীৰোড পোৱাৰ পাছতেই তিলকে (ভাই) তাৰ পৰিস্থিতিটোৰ বিষয়ে অৱগত কৰে। সোণমণিয়ে ময়ে আমালৈ অপেক্ষা নকৰি 'শুভকামটো' কৰিবলৈ ক'লো গোটখোৱা ৰাইজৰ সুবিধাৰ্থে।

ৰাতি তেতিয়া প্ৰায় ১১টা। তেতিয়াও তোৰ দেহটোক নিঃশেষ কৰি জুইকুৰাৰ লেলিহান শিখাবোৰ মাৰযোৱাই নাছিল। গাড়ীৰ পৰা নামিয়েই দৌৰি গৈ তোৰ চিতাৰ কাষতে পৰি থকা শুকান খৰি এডোখৰ লৈ জ্বলি থকা জুইত দুহাতেৰে আগবঢ়াই দি হুকহুকাই কান্দি উঠিলো। মুখেৰে কি ক'লো তই নিশ্চয় শুনিচই। নবৌজনীক শুধ বগা সাজত দেখি

কিংকর্তব্যবিমূঢ় হৈ বেঙাটোৰ দৰে কমৰ পৰা ওলাই আহিছিলো। শেৱালিয়ে (সৰু বোৱাৰী) শিলপৰা কপৌজনীৰ দৰে ন বৌ আৰু মোলৈ সজল নয়নেৰে চাই থকা দৃশ্যটোৱে সেইসময়ত মোক বৰকৈ আমনি কৰিছিল। পৰিয়ালৰ সকলোৱেই তইযে যাবিগৈ বুলি জানি-শুনিয়েই অনিচ্ছা স্বত্বেও সাজু হৈয়েই আছিল। কাৰণ তই নিজেই ১০ তাৰিখে Date দিছিলি তোৰ 'ময়ূৰপঙ্খী'খন কিবা যান্ত্ৰিক বিজুটিৰ বাবে এসপ্তাহ দেৰি হ'ল। তহঁতৰ ট্ৰেইনবোৰৰ দৰেই। ষ্টেচনবোৰত বগাড্ৰেচত 'গাৰ্ডবাবু' বোৰ দেখিলে তোক দেখাৰ দৰে লাগে।

তিনিদিনৰ দিনা মানে 'তিলনী'ৰ দিনা তোৰ চিৰশান্তিৰ বাবে গুৰুজনাৰ ওচৰত প্ৰাৰ্থনাৰে কাম সমাপন কৰাৰ পাছৰ পৰাচোন আমাৰ তোৰ কথা ভাবিবলৈ সময় নোহোৱাৰ দৰেই হৈছে। ভাগে ভাগে সকলোৱে কাম বন বিচৰাত সময়লৈ মানুহ নিমন্ত্ৰণ কৰাকে আদি কৰি বিভিন্ন ধৰণৰ কামতেই সকলো ব্যস্ত হৈ পৰিছে। এইয়াও সময়ৰ সোঁত বুজিছ। তই হয়তু বেয়া পাইছ।

আজি তোৰ শ্ৰাদ্ধৰ দিন মিটিৰ কুটুমকে আদিকৰি বহুত মানুহৰ কুটুমকে আদিকৰি বহুত মানুহৰ সমাগম হৈছে জান। সকলোৱেই তোক শ্ৰদ্ধা নিবেদন কৰিবলৈ আহিছে। 'অজান মুলুকত' আগৰে পৰা থকা আই, বৌটি, দেউতা, ভাইহঁতকে আদি কৰি আমাৰ লগৰবোৰৰ আত্মাবোৰক নিশ্চয় লগ পাইছ??

ককাইদেউ অ তোৰ প্ৰয়োজন কিন্তু শেষ হৈ যোৱা নাছিল। তই আকৌ আহিব লাগিব। কাৰণ তোৰো ৰাইজৰ হৈ কৰিবলগীয়া আৰু বহুত কাম আছে। সেয়েহে আমি সকলোৱে তোলৈকে বাট চাই ৰম। চিন্তা নকৰিবি, আমিবোৰ তই থকা দিনৰ দৰেই মিলাপ্ৰীতিৰে থাকিম। তোক কথা দিলো। ওঁম শান্তি, শান্তি, শান্তি....।

তেখেতৰ ককায়েকৰ প্ৰতি থকা হৃদয়স্পৰ্শী নিভাজ মৰম তথা শ্ৰদ্ধাখিনিয়ে মোৰ অন্তখনকো বাৰুকৈয়ে জোকাৰি গ'ল। আজানিতে মোৰো চকুদুটি সেমেকি উঠিল। ভাবি ভাল লাগিব যে এতিয়াও মানুহৰ অন্তৰৰ কোনোবা এটা নিভৃত কোণত মৰম কৰিব জনা, মৰম যাচিব জনা এডোখৰ খালি 'জাগা' আছে। নিজেই অনুভৱ কৰিলো যে মানুহৰ মূৰবোৰ (মগজী) বোৰৰ পৰিসৰ বৃদ্ধি পালেও বুকুখন (কলিজা)বোৰ এক্কেবাৰে শুকাই কৰকৰীয়া মৰা নাই। মানুহৰ ভিতৰত এতিয়াও মৰম, ভালপোৱা, আন্তৰিকতা শ্ৰদ্ধা, খং, মান-অভিমান, হাঁহি-কান্দোন আদি নিহিত হৈ থকাৰ বাবেই হয়তু মানুহ, মানুহ হৈ এতিয়াও জীয়াই আছে, আছিল আৰু থাকিবও পৃথিৱী জীয়াই থকালৈকে

......এনেতে কফিৱালাটোৰ মাতত সম্বিৎ ঘূৰাই পাই দুকাপ কফিলৈ দুয়ো সোহা মাৰিলো। সেইসময়ত অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ মহাৰজা শ্ৰদ্ধাৰ মাননীয় অভিনেতা তথা পৰিচালক শ্ৰীযুত মহানন্দ শৰ্মা দেৱেও ভ্ৰাম্যমানৰ কোনোবা এটা গ্ৰীণ ৰোমত কথা বতৰাৰ মাজতে কোৱা এষাৰি কথালৈ মনত পৰিছে।

"We are permanently Temporary not in our service life, not in our business life but in this world" নিজকে চুৰেণ, চুৰেণ অনুভৱ কৰিলো। ■

জীৱনৰ গান আৰু ডাৱৰ

সত্যধৰ মটক

বৰুৱাৰ পৰিয়ালটো এটি সুখী পৰিয়াল। বৰুৱা অসম অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত। সন্তান হিচাবে এহাল ল'ৰা-ছোৱালী। ছোৱালীজনীক বিয়া দিছে। জোৱাই উচ্চ পদস্থ কেন্দ্ৰিয় চৰকাৰৰ এটি বিভাগৰ বিষয়া। ল'ৰা ও ছোৱালীজনী ক্ৰমে ৯ম আৰু ৫ম শ্ৰেণীত, শ্ৰেণীৰ ভিতৰতে ১ম বা ২য় স্থান অধিকাৰ কৰি ভালদৰে পঢ়া শুনাত আগবাঢ়ি গৈ আছে।

বৰুৱাৰ ল'ৰাও উচ্চ শিক্ষাৰে শিক্ষিত যদিও চৰকাৰী চাকৰি তেওঁৰ ভাগ্যত নঘটিল। সদায় এটা আদৰ্শমূলক সৎ জীৱন-যাপন কৰা বৰুৱাই, ল'ৰাই অসম অসামৰিক সেৱাৰ লিখিত পৰীক্ষাত প্ৰথম দহজনৰ ভিতৰত থকা স্বত্বেও মৌখিক সাক্ষাৎকাৰত (Viva-Vose) বিবেচিত নহ'ল। পাছত গম পালে, সাক্ষাত কৰাৰ আগে আগে কোনো বিশেষ, মন্ত্ৰী, এম.এল.এ. অথবা অসম লোকসেৱা আয়োগ (APSC) ৰ ক্ষমতাধিষ্ঠ কোনোবা বিশেষজনৰ সৈতে আগতিয়া বুজাবুজিৰে, তথা ধনৰ লেনদেনেৰে চেষ্টা নকৰাৰ বাবেই সাক্ষাৎকাৰ খুবেই ভাল হোৱা স্বত্বেও চাকৰিৰ বাবে বিবেচিত নহ'ল। বিভিন্ন প্ৰকাৰে অন্য চাকৰিৰ বাবে চেষ্টা চলাই আছে, কিন্তু প্ৰায় সকলোতে একে কথাই। চাকৰি লাগিলে টকা দিব লাগে। বহু বহু টকা। উদাহৰণস্বৰূপে অতি নিম্ন বৰ্গৰ চাকৰি বুলি ভবা পুলিচ কনিষ্টবল অথবা মাটিৰ জৰিপৰ কামত থকা মণ্ডল এজনৰ চাকৰিৰ বাবেও হেনো লাখ টকাৰ ওপৰত উৎকোচ দিলেহে চাকৰি এটা পাব পাৰি! নহ'বনো কিয়? চাকৰি এটা হোৱা মানেই টকা ঘটাৰ সুযোগ বুলি প্ৰায় সকলোৱে ধৰি লোৱা হৈছে। অজস্ৰ টকা। লাগিলে উচ্চ পদস্থ বিষয়াই হওঁক বা নিম্ন খাপৰ চাকৰিয়ালেই হওঁক। আমাৰ দেশত সংবিধানিক অধিকাৰ দেখোন আছেই। টকাৰ পাহাৰ প্ৰত্যেকেই অসৎ উপায়েৰে কৌটি কৌটি টকা বে আইনী হিচাবে ঘটি ধৰা পৰা লোকৰ মাজৰ কেইজনৰ জেল জৰিমনা হৈছে? চাকৰী বিহিন হ'লেও বৰুৱাৰ পুত্ৰই ঘৰতে এটা ছপাশাল স্থাপিত কৰি বিভিন্ন ধৰণৰ ছপাৰ কাম কৰাৰ ব্যৱসায় কৰি সুন্দৰবাৱে ঘৰখনৰ অভাৱ অভিযোগৰ জোৰা মাৰি গৈছে তথা ভালদৰেই চলি আছে। এই ব্যৱসায়ত আনন্দও আছে। চৰকাৰী অথবা অন্য কোনা ব্যক্তিগত খণ্ডত চাকৰি কৰি নিজৰ সত্বা স্বভিমান ও ব্যক্তি স্বাধিনতাক বিসৰ্জন দিয়া পৰাধীন জীৱনতকৈ স্বাধীন চিটিয়া ছপাশাল চলোৱা ব্যৱসায়টোত বহুখিনি আনন্দ আছে ইতিমধ্যে তেওঁ এখন সাপ্তাহিক বাতৰি কাকতৰো সম্পাদনা কৰিছে। সেই বাতৰি কাকতৰ যোগে সমাজ সংস্কাৰৰ হেতু তেওঁৰ প্ৰতিবাদী মনটো মুক্তভাৱে প্ৰকাশ কৰাৰো সুবিধা হৈছে।

অ', ক'বলৈ পাহৰিছোৱেই। বৰুৱা সংসাৰৰ সুখী পৰিয়ালটোলৈ আজি প্ৰায় ৩বছৰ আগেয়ে এটি নাতি ল'ৰাৰ আগমন হ'ল। নাতি বুলিলেই অতি মৰমৰ সন্তান। অতি আনন্দৰ উৎস। তাতে সদায় লগতে থকা পুত্ৰ নাতি বুলিলে ককাদেউতাক, আইতাকহঁতৰ যেন সীমাহীন আনন্দ। নাতিটোৰ কেচুৱা কালৰে পৰা লাহে লাহে হোৱা পৰিবৰ্ত্তনবোৰ যেনে-চকুমেলা, কল্‌কলোৱা, উবুৰ লোৱা, আঠু কঢ়া, এখোজ দুখোজ পেলোৱা, সময়ত দৌৰি ফুৰা, এটা দুটাকৈ মা, দেউতা, ককা, আইতা আদি মাত মতা, জীৱ-জন্তুৰ ছবি চাই চিনি পোৱা তথা চিনাকি দিব পৰা মানৱ জীৱনৰ ক্ৰমবৰ্দ্ধমান এই জ্ঞানৰ উৎকৰ্ষ

খুউব মনোযোগেৰে নিত্যে নিৰীক্ষণ কৰাত যে কি স্বৰ্গীয় আনন্দ পোৱা যায়। এই স্বৰ্গীয় আনন্দই মানুহৰ মাজত থকা আসুৰিক স্বভাৱ দমন কৰিব পাৰে। মানুহক লোভ মোঁহ আদি সকলো বদ্ গুণৰ পৰা মুক্তি দিব পাৰে। মুঠতে শিশুপ্ৰেমে আমাক দিব পাৰে অপাৰ আনন্দ, চিৰশান্তি। সেয়েহে মহান আত্মাৰ লোকে, মণিষীসকলে আনকি ভগৱানেও শিশুপ্ৰেমৰ মাহাত্ম্যৰ আদৰ্শ দেখুওৱাই গৈছে। ভূতপূৰ্ব প্ৰধানমন্ত্ৰি পণ্ডিত জৱাহৰলাল নেহেৰু, ভূতপূৰ্ব ৰাষ্ট্ৰপতি আব্দুল কালাম আদিয়ে শিশুপ্ৰেমৰ অপাৰ উপভোগ কৰি ধন্য হৈছে। এই শিশুৰ সুউন্নতি আমাৰ একান্ত কাম্য ও কৰ্তব্য।

এইখিনিতে বৰুৱা আৰু বৰুৱানীৰ চাৰিত্ৰিক বৈশিষ্টৰ বিষয়ে দু-আষাৰ কোৱাৰ আৱশ্যক বোধ কৰিছো। বৰুৱা মানুহজন তেওঁৰ দীৰ্ঘকালে উচ্চ পদস্থ চাকৰি জীৱনৰ যোগে অৰ্জা অভিজ্ঞতা ও বিভিন্ন পুথি অধ্যয়নৰ পৰা লাভ কৰা জ্ঞানৰ যোগে, জীৱনৰ প্ৰতিটো ঘাট-প্ৰতিঘাট সুক্ষ্ম দৃষ্টিৰে বিশ্লেষণ কৰি সহজভাৱে ল'ব পৰা ক্ষমতাৰ অধিকাৰী হৈছে। ধৰ্ম-অধৰ্ম, সুকৰ্ম-অপকৰ্ম, মানুহৰ চাৰিত্ৰিক গঠন ও চাৰিত্ৰিক অবক্ষয় এই সকলো ধৰণৰ কথাবোৰ তেওঁ এক মনোবৈজ্ঞানিক চিন্তা ও বিশ্লেষণেৰে সহজভাৱে চাব বিচাৰে। সেয়েহে তেওঁৰ জীৱনকলৈ চিন্তা-ভাৱনা নাই। অন্যহাতে বৰুৱাণী এক ভৈয়াম জনজাতিৰ, পৰিয়াল কেন্দ্ৰীক বংশ গৌৰৱেৰে সমৃদ্ধ অতিকৈ সহজ-সৰল এগৰাকী মৰমিয়াল নাৰী। তেওঁৰ শিক্ষাগত অৰ্হতা যদিওবা বৰ বেছি নহয়, চাৰিত্ৰিক দিশত এজন সুপুৰুষৰ সৈতে সুন্দৰ সংসাৰ এখন কৰাৰ জোখাৰে তেওঁৰ যোগ্যতা আছে। সেয়েহে উচ্চশিক্ষিত ও উচ্চপদস্থ বৰুৱাৰ সহধৰ্মিণী হৈ এখন সুন্দৰ সংসাৰ তেওঁ চলাই আহিছে। কোনোদিনে দুঃখৰ একো কাৰণ উদ্ভৱ হোৱা নাই। ধৰ্ম কৰ্মৰ প্ৰতি তেওঁৰ একান্ত অনুৰাগ। বহু সময়ত বিভিন্ন অন্ধবিশ্বাসত বৰুৱানী অহেতুক উৎবাউল হয়। স্বামী বৰুৱাদেৱে জন্মসূত্ৰে সমাজত আগৰে পৰা চলি অহা 'এক ঈশ্বৰ বাদ'ৰ ওপৰত প্ৰতিষ্ঠিত নামধৰ্মৰ নীতিকেই আকোঁৱালী লৈছে; সেইবুলি সহধৰ্মীনীয়ে মনে প্ৰাণে পুজিব বিচৰা বিভিন্ন দেৱ-দেৱীক কৰা পূজা অৰ্চনাত তেওঁ কোনো কালে বাধা প্ৰদান কৰা নাই। অথচ বহু সময়ত সমাজৰ বাধা স্বত্বেও তেনে দেৱ-দেৱীৰ উপাসনাত ভাৰ্যাক সহযোগ কৰি সাংসাৰিক জীৱনৰ আনন্দ লাভ কৰিবলৈ সক্ষম হৈছে।

বৰুৱা বৰুৱানীৰ সুখী সংসাৰখনত আজি কেইদিন মান ধৰি এক অশান্তিৰ পৰিৱেশ বিৰাজ কৰিছে। সদায় হাঁহি মাতি থকা বৰুৱানীৰ কিবা এটা দুঃখে যেন তেওঁক ভিতৰি ভিতৰি খুলি খাইছে। দুই এটা অতি লাগতিয়াল কথা বতৰা পতাৰ বাহিৰে প্ৰায় বিষন্ন বদনে মৌন হৈ থকা হ'ল। বৰুৱা ও ল'ৰা-বোৱাৰী হালে বাৰে বাৰে শোধা স্বত্বেও তেওঁৰ এই বিষাদৰ কাৰণ প্ৰকাশ কৰা নাই। ঘৰৰ প্ৰত্যেকেই বিশেষকৈ বৰুৱা বৰ চিন্তাত পৰিল। যদিওবা বৰুৱানী বয়সত তেওঁতকৈ বহু সৰু আৰু পঞ্চাশৰ অনুৰ্দ্ধত, তথাপিও নাতি- পুতিৰ মুখ দেখা এই সহজ-সৰল মানুহজনীৰ কি হ'ল? সৰু-সুৰা কথাত কেতিয়াবা বৰুৱাৰে সৈতে মতৰ অমিল হ'লে তেখেতৰ স্বৱাৱসুলভ টান মাত বৰুৱানীয়ে শুনিব লগা হয় আৰু খন্তেকৰ বাবে অথবা খুব বেছি দিনটোৰ বাবে তেওঁ অসন্তুষ্টিৰে মুখ ফুলাই থকা ধৰণৰ ঘটনা পূৰ্বতে দুই এবাৰ নঘটা নহয়। পযেক পিছতে নাতি ল'ৰাটোৰ জন্মদিন। এইবাৰ জন্মদিন ভালদৰে পাতিব লাগিব। জন্মদিনৰ দিনাই চিনাকি গণক বামুণ এজন মাতি তাৰ এখন সোঁৱৰণীও বনাব লাগিব বুলি বৰুৱানীয়ে বৰুৱাক কৈ আহিছিল। বন্ধু-বান্ধৱ ও সমন্ধিয় মানুহ বহুতকে মতাৰ কথা। কেইদিনমান আগতে নতুনকৈ ছপা হৈ ওলোৱা 'কালপুৰুষ' পঞ্জীকা এখন আনি দিবলৈ বৰুৱাক কেইবাবাৰো বৰুৱানীয়ে কৈছিল যদিও পাহৰণীতে আজি পৰ্যন্ত আনি দিয়া নাই। কেইবাবাৰো কোৱাৰ পাছতো পঞ্জিকাখন ননাৰ বাবদ বৰুৱানীয়ে সিদিনা বৰুৱাক কিছু অসন্তুষ্টিৰ ভাৱ তথা মৃদুভাৱে খং দেখুৱাইছিল।

বৰুৱাই বৰুৱানীৰ মন ক'লা কৰা এই অভিযপ্ত কাৰণৰ উৎস বিচাৰি চিন্তা কৰিবলৈ ধৰিলে। চিন্তাৰ ধাৰে ধাৰে তেওঁ বহুদিন আগলৈ গতি কৰিলে। বিয়াৰ আগৰ বহু কথা মনত

পেলাই অহেতুক কিছু চিন্তাইয়ো তেওঁৰ মনত খুন্দা মাৰিলে। কোনোদিনে নভবা নিচিন্তা কিছুমান সন্দেহৰ ভাবও তেওঁৰ মনলৈ আহিল। শাস্ত্ৰৰ কথা তেওঁ মনত পেলালে। 'নাৰিনং চৰিত্ৰনং দেৱা নজানন্তি'। অৰ্থাৎ নাৰীৰ চৰিত্ৰ দেৱতাইও বুজিব নোৱাৰে। শাস্ত্ৰজ্ঞসকলে এই মতামত দি গৈছে। সহজ সৰল বিয়াৰ আগৰ সেই দেখাত দেখনিয়াৰ ছোৱালীজনীলৈ মনত পেলালে। বিয়াৰ আগতে পিছলৈ বৰুৱানী হোৱা সেই দেখনীয়াৰ ছোৱালীজনীৰ সংস্পৰ্শত থকা বৰুৱাৰ তেতিয়াৰ দুই এজন বন্ধুৱে ছোৱালীজনীৰ ক্ষেত্ৰত কৰা প্ৰশংসাৰ সেই পুৰণি কথাবোৰ বৰুৱাৰ মনত সন্দেহৰ ভাব সৃষ্টিৰ কাৰণ হ'ল। ভাববোৰ জুকিয়াই জুকিয়াই বৰুৱাই অৰ্থৰ অন্বেষণ কৰাত লাগিল। বৰুৱানীয়ে নিশ্চয় কোনো পুৰণা প্ৰেমিকক ইতিমধ্যে ক'ৰবাত লগ পাইছে আৰু তেওঁৰ মনত পুৰণা প্ৰেমৰ উদ্ৰেক ঘটিছে। সেয়েহে এই উদাসীনতা। বৰুৱাৰ জ্ঞানপুষ্ট বিবেকেৰ নিৰ্দ্দেশ আহিল। এইবোৰ কি অবান্তৰ কথা ভাবিব ধৰিছে তেওঁ বৰুৱানীৰ স্বভাৱ পৰিবৰ্তনৰ খবৰটো একেখন চহৰৰ ভিতৰতে থকা সমন্ধীয় আপোন মানুহখিনিৰ ভিতৰত বিয়পি গ'ল। ভাই-ভনী, মাহী-পেহী, ননদ ভাগিন আদি কৰি বহুতেই ঘৰত পদাৰ্পণ কৰিলেহি। এইসকলৰ ভিতৰত থকা অতিকে মৰমৰ ৰাংঢালী ননদ 'মিনা'ই বৌৱেকক বৰ জোৰ দি ধৰিলে-তেওঁৰ এই বিষাদৰ অমঙ্গলীয়া কাৰণ ব্যক্ত কৰিবই লাগিব।

পাঠকগণ! আগতেই কৈ অহা হৈছে যে, বৰুৱানী ধৰ্ম কৰ্মৰ প্ৰতি অতিকে অনুৰাগি ও জ্যোতিষ শাস্ত্ৰৰ প্ৰতি বৰ আস্থা ৰখা এগৰাকী ধৰ্মপ্ৰাণা নাৰী। আপোনজন আৰু বন্ধুবৰ্গৰ মৰমৰ দাবি উঠিল, তেওঁলোক যিহেতুকে বৰুৱানীৰ হিতচিন্তাকাৰী, তেওঁলোকৰ আগত বৰুৱানীৰ বিষাদৰ কাৰণ ব্যক্তি কৰি তেওঁলোকক দৰ্কাৰ অনুযায়ী ব্যৱস্থা লোৱাৰ সুবিধা দিব লাগে।

স্বামীৰ কৃতিত্ব ভৰা আদেশ, ল'ৰা-ছোৱালী ও বোৱাৰীৰ মাতৃৰ দুঃখত দুঃখী হৈ ম্লান পৰা মুখা অৱয়বৰ অব্যক্ত কাতৰ আবেদন আৰু মাহি-পেহী ননদ সহকাৰে অনেক আপোনজন আৰু বন্ধুবৰ্গৰ মৰমসিক্ত দাবীত আমাৰ মঞ্চত বিশেষ জনা ব্যক্তি ৰূপে উপৱিষ্ট বৰুৱানীয়ে দীঘল হুমুনিয়াহৰ অন্তত তেওঁৰ মনৰ বেদনা ব্যক্ত কৰিবলৈ আগবাঢ়িল।

বৰুৱানীৰ সেই বিষাদ ও চিন্তাৰ কাৰণ ব্যক্ত কৰিবলৈ তেওঁ বোৱাৰিয়েকক নাতি ল'ৰাটো ওচৰলৈ আনিব দিলে। সকলো আচৰিত হ'ল-বৰুৱানীৰ বিষাদৰ লগত নাতি ল'ৰাটোৰ কি সমন্ধ? নাতি ল'ৰাটোক ওচৰ চপাইলৈ তাৰ তপিনাত (উৰু) স্পষ্ট হৈ থকা তুলসিৰ দাগটোলৈ বৰুৱানীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে।

সকলোৰে প্ৰশ্ন তুলিলে, তুলসীৰ দাগ থকাৰ বাবেনো কি হ'ল?

বৰুৱানীয়ে তেওঁৰ স্বামীয়ে আনি নিদিয়া, কিন্তু তেওঁ বজাৰলৈ যাওঁতে সিদিনা নিজেই কিনি আনি পঢ়া পঞ্জিকাখনত মানুহৰ শৰীৰত জন্মৰে পৰা থকা মাহ, তুলসী আদি চিনৰ বাবদ জ্যোতিষিয়ে 'যতুক তত্ত্ব', শীৰ্ষক লেখা ভাগত কৰা মন্তব্যখিনি দেখুৱালে।

পঞ্জিকাৰ যতুক তত্ত্বৰ কেইশাৰীমান কথা এনেধৰণৰ—

যতুক তত্ত্ব ঃ মুখৰ বাওঁপিনে জৰুণ (তুলসী) থাকিলে সুখী আৰু ধীৰ, আগফালে সুখী আৰু ৰজাৰ দৰে ভোগী, কিলাকুটিৰ তলত কামুক, বাওঁ বুকুত পৰধন লাভত গৰ্বীত, সোঁ বুকুত থাকিলে মুৰ্খ আৰু পাপী।

চকুত থাকিলে দৃষ্টিশক্তিসম্পন্ন, বুদ্ধিমান আৰু দাতা জননেন্দ্ৰিয়ত থাকিলে কামুক আৰু নিন্দিত চৰিত্ৰ। উৰুত-নষ্ট চৰিত্ৰ আৰু পৰস্ত্ৰী লোভী। ....ইত্যাদি।

সকলোৰে একে আশাৰে চিঞৰি উঠিল 'অ এইটাৰেই কথা'! সকলোৰে স্বস্তিৰ নিশ্বাস পেলালে। সকলোৰে মুখত হাঁহি বিৰিঙিল। প্ৰায় সকলোৰেই মতামত দিলে-'এইবিলাক মিছা কথা পঞ্জিকাত লিখি মানুহক বিভ্ৰান্ত কৰি উপকাৰৰ ঠাইত অপকাৰহে কৰিছে'। সকলোৰে ভাগে ভাগে বৰুৱানীক বৌ,

বাইদেউ, মাহী, পেহি, সম্বোধনেৰে বিভিন্ন প্ৰকাৰে 'চিন্তা কৰাৰ কোনো কথা নাই, পঞ্জীকাত লিখা এইবোৰ কথাৰ কোনো সত্যতা নাই' আদি আশ্বাসৰ বাণী শুনাই বৰুৱানী ও ঘৰখনৰ সকলোকে প্ৰফুল্লিত কৰিলে। ধুমুহা বৰষুণৰ অন্তত যেন একেবাৰে এটা শান্ত পৰিবেশ। ধুমুহাৰ সৈতে অহা বৰষুণ ৰূপী জলধাৰাই যেন পবিত্ৰ গঙ্গাৰ পানীৰ ৰূপ লৈ সকলোকে স্নান কৰোৱালে।

জ্যোতিষিৰ ভৱিষ্যতবাণীয়ে বৰুৱানীক নাতিটোৰ ভৱিষ্যত এক শঙ্কাজনক চাৰিত্ৰিক অধঃপতনৰ দৃশ্যপটৰ চিন্তাৰ সাগৰত ডুব যোৱা ঘটনাটোৰ অনুধাৱন কৰি বৰুৱানীৰ প্ৰতি দুগুন শ্ৰদ্ধাত সকলোৰে মূৰ দোঁ খালে।

পাছত! এক নিৰৱ মুঁহূৰ্তত বৰুৱাই কথাবোৰ সোঁৱৰিলে। তেওঁৰ অতিপ্ৰীয় ও বিশ্বাসী এই সহজ-সৰল মানুহজনীৰ প্ৰতি ক্ষন্তেকৰ বাবে হ'লেও তেওঁৰযে এটা অহেতুক সন্দেহৰ ভাৰ হৈছিল, তাৰ বাবে তেওঁ ভিতৰি ভিতৰি বৰ লজ্জিত হ'ল।

নাতিটোৰ জন্মদিন আত্মীয় স্বজন আৰুবন্ধু-বান্ধৱৰ মাজত বৰ আনন্দ উল্লাসেৰে পতা হ'ল। উপস্থিত বন্ধু-বান্ধৱৰ ভিতৰত বৰুৱাৰ বিশিষ্টি বন্ধু, সেই 'কালপুৰুষ' পঞ্জিকাৰ প্ৰকাশক শ্ৰীযুত শইকীয়াও আছিল। জন্মদিন উপলক্ষে উপস্থিত সকলোৰে আগত শইকীয়াক সম্বোধি বৰুৱাই ৰগৰ কৰিলে 'শইকীয়া, আপুনি পিছে আপোনাৰ পঞ্জিকাত লিখা কিছু কথা পিছৰ তাঙ্গৰণত শুদ্ধৰণি কৰিব লাগিব দেই। সুউচ্ছ স্বৰৰ হাঁহিৰ খলকনিত চৌদিশ ৰজন জনাই গ'ল। ■

হাঁহে আহ

ৰিংকি : তোমাৰ কেতিয়া জন্ম হৈছিল?
পিংকি : সোমবাৰ, ২০ জানুৱাৰী, আৰু তোমাৰ?
ৰিংকি : দেওবাৰ, ২ মাৰ্চ।
পিংকি : তুমি মোক বুৰ্বক বুলি ভাবিছা নেকি? দেওবাৰটো সকলোৰে কাৰণে বন্ধ থাকে।

মালিক : ধনীৰাম, কালিলৈ ৰাতিপুৱা ৪.৩০ বজাত ৰেল ধৰিব লাগিব। তই মোক ৪ বজাত টোপনিৰ পৰা জগাই দিবি।
ধনীৰাম : হ'ব দেউতা। পিছে মইতো ঘড়ী চাব নাজানো। আপুনি মোক কেতিয়া ৪ বাজে কৈ দিব, মই আপোনাক জগাই দিম।



দুই বন্ধু

নিলীমা শইকীয়া দাস

ভিতৰুৱা অঞ্চলৰ এখনি সৰু গাঁও, তাত এতিয়াও বিজুলী বাতি জ্বলাত নাইষ ৰাষ্টা ঘাটৰ সু-ব্যৱস্থা নাই। গাঁওখনৰ এমুৰে এটা গড়কাপ্তানী বিভাগৰ ৰাষ্টা গৈছে। সেয়েহে ৰাষ্টাৰ ওচৰতে বসবাস কৰা মানুহখিনিক আলিচুকৰ মানুহ বুলি কয়; ভিতৰলৈ মানে গাৱঁৰ মাজতে এটা নামঘৰ আছে, নামঘৰ পাৰহৈ পোৱা মানুহখিনিক পথাৰ চুকৰ মানুহ বুলি কৈছিল। একে গাঁৱৰ দুটা লগৰীয়া ল'ৰাই লগলাগি ফুৰে। স্কললৈ যায়, খৰি লুৰিবলৈ, মাছ ধৰিবলৈ, বজাৰ-সমাৰসকলো ঠাইতে এজন য'ত সিজনো ত'তেই। এটায়ো আনটোক এৰা-এৰি নকৰে। দুয়োটা নলে গলে লগা পৰম বন্ধু। ইটোৰ কথা সিটোৱে সকলো জানে। পিছে তাতে এটা কথা, কলীয়া অলপ দুখীয়া মানুহ তেওঁ পুতেকৰ নাম ইন্দ্ৰ। ইফালে ধনী মানুহ ভূগীৰাম গাঁওবুঢ়াৰ পুতেক ধীৰেণ। লাহে লাহে সিহঁত অলপ অলপকৈ ডাঙৰ হৈ আহিল। চাওঁতে চাওঁতে দুয়োটাই হাইস্কুলৰ শেযান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ল। গাঁও বুঢ়াই এদিন পুতেকক গালি পাৰি আছিল। বন্ধু পাতিবলৈ আৰু পৃথিৱীত মানুহ বিচাৰি নেপালি। সেই টোকোনা ভিকহু কলীয়াৰ পুতেককহে পালিগৈ। লোকৰ ল'ৰা-ছোৱালীয়ে ভাল, ধনীমানী মানুহৰ লগত উঠা-বহা কৰে, আৰু মোৰ ঘৰৰ এইটোৱে কাৰ লগত বন্ধু পাতিছে দেখিছ নে? খবৰদাৰ! আজিৰ পৰা তাৰ লগত তোৰ সম্বন্ধ শেষ। তাৰ লগত যদি ঘূৰি ফুৰা দেখো; কি কৰিম তোক; চাই লবি। তাক আৰু আমাৰ ঘৰলৈ আহিবলৈ নিদিবি। তয়ো সিহঁতৰ ঘৰলৈ যাব নোৱাৰ। সিহঁত নীচ জাতিৰ মানুহ। তই নেজান নেকি?

ইন্দ্ৰই স্কুলৰ পৰা আহি ভাত খাই উঠি চিধাই ধীৰেণৰ ওচৰলৈ বুলি খোজ ল'লে। ধীৰেণৰ ঘৰ পায় নঙলা খুলি সোমাই আহিল, আনদিনৰ দৰে, কিন্তু সেইদিনা হিতে বিপৰীত, কাক গালি পাৰিছে বৰদেউতাই। সি ওচৰ পায় শুনিলে, সকলো তাৰে কথা। তাৰ অন্তৰ আত্মা কঁপি উঠিল। সি অলপ বৈ কাকো মাত নিদিয়াকৈ গুছি আহিল। মনে মনে সি সেইদিনা প্ৰতিজ্ঞা কৰিলে বৰদেউতাক মানুহ হৈ দেখুৱাম।

এদিন দেউতাকে গম নোপোৱাকৈ ধীৰেণ ইন্দ্ৰৰ ঘৰলৈ আহিল। ধীৰেণে ক'লে,—'তই কিয় আজি কালি আমাৰ ঘৰলৈ একেবাৰে নোযোৱা হ'লি?' কিবা মোক বেয়া পালি নেকি? ইন্দ্ৰই তৎক্ষণাত ক'লে, অলপো সময় নাই। এতিয়া ডাঙৰ হৈছো দেউতাক কামত অলপ চলপ সহায় কৰিব লাগে। দেখিছ নহয়; আমি হ'লো দুখীয়া মানুহ। তহঁতৰ দৰে ধন-ধান নাই। থকা হ'লে হয়তো ময়ো তোৰ দৰে ঘূৰি ফুৰিলোহেঁতেন। ঐ, বাদ দে সেইবোৰ। 'ব'ল ওলা, এতিয়া মোৰ লগত। নাই নেখাও। বেয়া নেপাবি।

ঐ ইন্দ্ৰ, মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিবলৈ বৰ বেছি দিন নাই। পাছ কৰিলে কলেজলৈ যাবলৈ বাইক এখন খুজিম, দেউতাক। তই কি ল'বি। মই একো ভবা নাই। পাছ কৰাৰ পিছত কলেজত নাম ভৰ্ত্তি কৰা, কিতাপ কিনা, দৈনিক চহৰৰ কলেজলৈ অহা-যোৱা কৰা আদি অতবোৰ খৰচ দিব পাৰেনে নোৱাৰে, তাৰেহে চিন্তা। মই মনে মনে ভাবিছো দুই এটা টিউচন কৰিম। হ'ব দে। মই যাওঁ এতিয়া।

কলেজীয়া জীৱন আৰম্ভ হ'ল। ইন্দ্ৰই মেচ্ কৰি চহৰত থাকিবলৈ ল'লে। ইন্দ্ৰ পঢ়া-শুনাত সৰুৰে পৰা মেধা শক্তি

সম্পন্ন ল'ৰা আছিল। ধীৰেণে বাইক লৈ অহা-যোৱা কৰি পঢ়ে। ইন্দ্ৰই কিন্তু সময়ৰ সৎব্যৱহাৰ কৰিছিল। নিজৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত হেমাহি কৰা নাছিল। নিজকে বুজি পাইছিল। মেধা শক্তিৰ বাবে চৰকাৰী বিত্তী লাভ কৰিছিল। চাওঁতে চাওঁতে বছৰবোৰে বাগৰ সলালে। স্নাতক পৰীক্ষাৰ ফলাফল ঘোষণা হ'ল। ইন্দ্ৰই প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পৰীক্ষাত পাছ কৰিলে। ইফালে গাওঁবুঢ়াৰ পুতেক ধীৰেণে প্ৰাক স্নাতক মানে উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাছ কৰিব নোৱাৰি, অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে।

ইন্দ্ৰই খবৰকাগজৰ জৰিয়তে চাকৰি বিচাৰি বহুতো বিভাগত ইন্টাৰভিউ দি দি কোনোমতে কেৰেণী হোৱাৰ পাছত আকৌ ছাত্ৰ জীৱন আৰম্ভ কৰিলে। স্নাতকোত্তৰ পৰীক্ষাত পাছ কৰি ক্ষান্ত নাথাকি, পি.এইচ.ডি. কৰিলে। তাৰ পাছত এ.চি.এচ. পৰীক্ষাত বহে। তাতো প্ৰথম স্থান পায়। তেতিয়া তাক চৰকাৰে মাটিৰ হাকিম পাতিলে। পিছলৈ ইন্দ্ৰই নিজৰ জিলাৰ জিলাধিপতি হৈ চৰকাৰী আঁচনিৰ অধীনত নিজৰ হাবিতলীয়া গাঁওখনৰ মাজেদি যোৱা বাটটো সুন্দৰকৈ নিৰ্মাণ কৰোৱালে। গাঁৱলৈ বিজুলী বাটি আনিলে। লগতে খোৱা পানী যোগান আদি কৰি সকলোক ব্যৱস্থা কৰিলে।

ইতিমধ্যে ভুগীৰাম গাঁওবুঢ়া বৃদ্ধ হ'ল। যিবোৰ কাম গাঁওবুঢ়া হৈ থাকি গোটেই জীৱনত কৰিব নোৱাৰিলে। সেইবোৰ কাম আজি ইন্দ্ৰই কৰি দেখুৱাই দিলে। যাক তেওঁ এদিন অৱজ্ঞাৰ চকুৰে চাইছিল। দুখীয়া আৰু নীচ জাতি বুলি হেয়জ্ঞান কৰিছিল। তাৰ ওচৰত আজি নটশিৰ হ'ব লগা হৈছে। নিজে গাঁওবুঢ়া অনুতপ্ত হৈছে। তথাপি উপায় নোহোৱা হৈ নিজৰ গাঁওবুঢ়া পদবীটো পুতেকক দি যোৱাৰ মানসেৰে জিলাধিপতি ইন্দ্ৰৰ কাষ চাপিল। ■

মহৎ লোকৰ বাণী

জীৱনৰ সময় বৰ কম, পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা।

— কৃষ্ণকান্ত সন্দিকৈ

নজনাটো সিমান লাজৰ কথা নহয়। শিকিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা।

— ফ্ৰেংকলিন

(কবিতা)

পিঠিত এখন ছুৰী

ৰমেন কলিতা

আলি কাষৰ কেঁকুৰিৰ পানীত
উবুৰি খাই সি পৰি আছিল
নলাৰ পানীত তেজৰ সোঁত
কোনেও তাক চিনি পোৱা নাছিল
কাৰণ সি উবুৰি খাই পৰি আছিল
দোকমোকালি মানুহবোৰ সাৰপাই উঠি আহিছিল
তাক কোনেও চিনি পোৱা নাছিল
পিঠিত এখন ছুৰী ফুচফুচাই আছিল
ৰাজপথৰ লাইটবোৰ তেতিয়া নুমাইছিল
পুৱাৰ তেজাল ঘোঁৰাৰ খুৰাৰ শব্দত
চহৰখন তেতিয়া সাৰ পাই উঠিছিল
পিঠিত ছুৰীখন ফুচফুচাই আছিল।

ক'ব বিচৰা কথাবোৰ

ডিম্বেশ্বৰ শৰ্মা

আশাভৰা কথাবোৰত
পাব বিচৰা মনবোৰত
থাকে মাথো নিৰাশ হতাশা।
হতাশাগ্ৰস্তক প্ৰয়োজন
কিছু বিশ্ৰাম, কিছু শান্তিৰ।
বৈ বৈ পদূলিৰ নঙলা মাৰিত
হাতৰ চিন স্পষ্ট,
নাই বতৰা, নিশ্চুপ অস্থিৰতা।
অপেক্ষা অন্তহীন।
পঙ্কিলতাভৰা প্ৰশ্নবোৰে
মনৰ খোৱাকত উচপিচাই।
সহৃদয়ৰ সাঁচতীয়াবোৰ আজি অপ্ৰকাশ।
প্ৰকাশকযেন ক্লান্ত, অৱহেলিত।
বিশ্বাসবোৰ সন্দিহানযুক্ত।
মলয়াকে সঙ্গী কৰি
ক'ব বিচৰা কথাবোৰ
কেচুঁৱাৰ কলকলনি শব্দৰে
প্ৰকাশ হয় এক হুমুনিয়াহেৰে।

উদ্ভাসিত চেতনা দিয়া

গোলাপ বৰুৱা

উঠা গা টঙোৱা
আহি আছে এটি নতুন
বসন্তৰ নতুন পুৱা
ভিক্ষা দিয়া
শান্তি সম্প্ৰীতি দিয়া অমল প্ৰেমৰ
মই দিম জেতুকা পটীয়া
সেউজীয়া সেউজীয়া
মই তুমি মিলি
হ'লোহি আমি
ভিন্ন দেশ ভিন্ন প্ৰান্তৰৰ পৰা
শিপা হেৰুৱাই নতুন গজালি মেলা
এইখন মোৰ দেশ
মোৰ বায়ু পাণ।
সূচল অবিকল মোৰ হেঁপাহৰ জন্মভূমি।
শস্য-শ্যামলা
মোৰ গাঁও মোৰ দেশ
গাঁৱত সপোন ৰচা
বিশ্ববিজয়ী স্বদেশ ধ্বনি

সাতোখন সাগৰ বিয়পা
মোতকৈ ডাঙৰ মোৰ দেশ
দেশৰ মানুহ
দৈন্যতা দুষ্কৃতি নাশি
প্ৰগতিৰ নক্সা আকোঁ
দিয়া ভিক্ষা দিয়া
সত্য সমৃদ্ধ স্বচ্ছতা দিয়া
যাত্ৰা কালৰ
সিয়ে হওক সাৰথি
মোৰ জীৱন বাটৰ
অগ্ৰসিত বসন্তৰ প্ৰতিটো নতুন দিনৰ
দিয়া দিয়া ভিক্ষা দিয়া
সবাৰো উদ্ধৃত
মানৱতা উদ্ভাসিত চেতনা দিয়া
হেঙুলীয়া পুৱ
মই দিম জেতুকা পটীয়া
সেউজীয়া সেউজীয়া।

আকাশ-মোৰ আকাশ

পাৰুল বৰুৱা

আকাশ,
মোৰ আকাশ
তোমাৰ ৰ'দৰ পোহৰেৰে
ৰৌদ্ৰস্নাতা মই
ফুলি উঠিছো সূৰ্য্যমূখী হৈ।
তোমাৰ জোনাকৰ আলোকেৰে
আলোকিত মোৰ চোতাল
জ্বলি উঠিছো মই
জোনাকী পৰুৱা হৈ।
নামি আঁহা জিৰি জিৰি
বৰষুণ হৈ
একাত্ম হ'ব খুজিছো
তোমাৰ স'তে
আঁওৰাব খুজিছো
সেউজীয়াৰ গান!!

ব'হাগৰ বতৰা

তেজশ্ৰী বৰা

বুকুত গজাল থুকি তোমাৰ
প্ৰাণ পাই উঠিলো মই...
কেতিয়াবা ওলোটাটোও হয়!
হৃদয় এনেকুৱাই
বিনিময়ত বিচাৰে হৃদয়
হৃদয় কেতিয়াও নিৰ্দয় নহয়
ইয়াৰ বয়ঃসন্ধিকালো নাই,
তেতিয়াও মানুহে দিছিল হৃদয়
এতিয়াও মানুহে দিয়ে হৃদয়
আচলতে
হৃদয় অঙ্কৰ দৰেই শুদ্ধ
পদ্ধতি ও গণনা শুদ্ধ হ'লে
উত্তৰে হয় শুদ্ধ ....
অৱশ্যে, ই কেতিয়াবা হৰলুকিয়ো হয়!
তথাপিও
হৃদয় হৃদয়েই
ইয়াৰ কোনো দৰ-দাম নাই,
কিনা-বেচায়ো নাই
আহা তেন্তে
আমি হৃদয়ৰ খেল খেলো
হাৰিলে হৃদয়
জিকিলেও হৃদয়
হৃদয় বনাম হৃদয়
ভাগফল যিয়েই নহওঁক লাগিলে
দুখবোৰ তোমাৰ
হ'ব নে?

সুখৰ সেউজীয়া চৰাই

পৰিণীতা বৰুৱা

এটা শেঁতা হাঁহিৰে
হেৰাই যোৱা
বহাগৰ আবেলি,

সৰাপাত হৈ সৰিল
আবেগবোৰ
এটা নীলা জিয়াঁ হৈ
উৰি গ'ল মন,

হৃদয় চোতাল ভৰি
বাজি থাকিল দুখৰ জুনুকা

কথাটো গোপন আছিল।
কেবল, ডাৱৰেহে জানিছিল
এজাক বৰষুণ আহিছিল
মাজৰাতি।

বুকুতো বৰষিল
জাক জাক বৰষুণ
দুখৰ।

সেই দিন ধৰি,
দুপাখি মেলি উৰি গ'ল
সুখৰ সেউজীয়া চৰাইটো।

শান্তিৰ কপৌ

নিজৰা বৰা

স্বাপদ জন্তুৰ দুখন হাত
ভয় সন্ত্ৰাস
হাত মেলি চুই থাকে
সেউজীয়া গছৰ ছাঁ
আসুচি ধৰে স্নিগ্ধ জোনাকৰ
শীতল বা
দুৱাৰমুখত বৈ গুনগুণাই থাকে
নিশ্চিত মৃত্যুৰ বিপদ বাৰ্তা
এতিয়া যাবা ক'লৈ
যাও বুলি ক'লৈকো নোৱাৰি যাব
দুৰ্ভাগ্যৰ বতাহ ছাটি লৈ
থাকিব নোৱাৰি শান্তিৰে ক'তো
লালন পালন কৰি থকা ভয়ে
সাৰতি ধৰে পিতাল বুকু
যেন সাৱতে মাতৃক শিশুৰ দুহাতে
......মুঠিত জ্বলি থাকে জীৱন
ভ্ৰমি থাকে যন্ত্ৰণাৰ দুষ্ট মন্ত্ৰ
মাতাল দুপৰ ৰাতি
কোনে বজাব গৰখীয়া বাঁহী
মেলি দিব কোনে
এজাক শান্তিৰ কপৌ
হেজাৰটা বাটে।

বিহুৰ ইচ্ছা

নীলম বৰুৱা

ব'হাগ বিহু আহিল
মন ৰঙেৰে ভৰিল
পকেটত নাই পইছা
আদৰিবলৈ বৰ ইচ্ছা।

ঢোল পেঁপা গগণা
বজাবলৈ বৰ ইচ্ছা
পকেটত নাই পইছা
তথাপিও এপাক
নাচিবৰ বৰ ইচ্ছা।

পিঠা-পনাৰ নানান ব্যৱস্থা
কিনিবলৈ বৰ ইচ্ছা
পকেটত নাই পইছা
খাবলৈ কিন্তু বৰ ইচ্ছা।

বজাৰত নতুন কাপোৰ
কিনিবলৈ বৰ ইচ্ছা
পকেটত নাই পইছা
তথাপিও পিন্ধিবলৈ বৰ ইচ্ছা।

যদিও নাই পকেটত পইছা
বিহু পাতি যাবৰে ইচ্ছা
সকলো ৰুক্মিণীনগৰবাসীলৈ
মোৰ আন্তৰিক শুভেচ্ছা।

জীৱনৰ গান আৰু ডাৱৰ

দীনবন্ধু বৈশ্য

জয়মতী, ইন্দ্ৰমালতী, মণিৰাম,
পিয়লী ফুকন সবে,
বিহু পাতিছে ৰঙ্গমঞ্চত
মহা ধুম-ধামেৰে,
জুৰি নাহে টকা-পইচা
নিমিলা অঙ্ক
শকুন্তলা শঙ্কৰ যোচেফ আলী
লগতে আহিছে চিৰাজ কাই
সকলোৱে মিলি হাত উজান দি যায়।
ডেকা চামে কৰিছে যোগ-বিয়োগ
সিঁহতৰ বুকুৰ মাজত জ্বলে
বিহুৰ জুই।
সাগৰলৈ বহু দূৰ
কোন যাব সাগৰ পাৰ হৈ
চামেলী মেম চাহাবক
নিমন্ত্ৰণ দিবলৈ।
গঙা-চিলনীৰ পাখিত
গুজি দিলে নিমন্ত্ৰণী পত্ৰ
সকলোকে দি আহিবলৈ
পোৱাই কৰিলে আনন্দ
নোপোৱাই দিলে হুঙ্কাৰ
সিঁহতে হেনো কৰিব
আন্দোলন।
বিচাৰ দিলে ৰজা হৰিশ্চন্দ্ৰক
সম্পাদক অজলা ককাই
ভয়ত পেপুৱা লাগি
আশ্ৰয় ল'লে ৰঙা পুলিচৰ।
ব'হাগৰ দুপৰীয়া
ককা দেউতা নাতি আৰু হাতীলৈ
বিহুতলীলৈ যায়,
তাকে দেখি তৰামাই
হাতত জেতুকা পাতৰ ৰং সানি
ভাইটিক হাতত ধৰি
পিছে পিছে যায়।
জীৱন সুৰভিও আহিছে
বিহুত এবাৰ নাচিবৰ মন
তাকে দেখি পোনাকণ
ৰংমনৰ কি ফুৰ্ত্তি।
সন্ধিয়া পৰত
চিক্‌মিক্ বিজুলীৰ পোহৰত
মঞ্চৰ সন্মুখত বহি আছে
ডাক্তৰ বেজবৰুৱা
কান্ধত গামোছা লৈ
কাষতে আছে সন্তান
মানৰ আৰু দানৰ।
পিতা-পুত্ৰ লগতে মা,
দাদাগিৰি আছে
ৰান্ধনীশালত
ৰাতিৰ সাজ ইয়াতে খা।
মঞ্চত বাজি আছে
এবা বাটৰ সুৰ,
হঠাতে হ'ল শিলা বৃষ্টি
সকলোৱে হ'ল
লটি-ঘটি।

ব'হাগৰ অনুভৱ

গায়ত্ৰী গগৈ

ধূসৰ ওৰণি গুচাই ফাগুনৰ মেলানি
ৰাঙলী বহাগে সাজি-কাচি মাৰে ভুমুকি,
বিজুলীৰ চমকনিত মেঘৰ গাজনিত
বৰদৈচিলাৰ জাননী
নাচনী পখিলা উৰে উলাহত
যৌৱন নামে
দেহত
মনত।

বৰদৈচিলাৰ চুমা পৰশত
তৃষ্ণাতুৰা প্ৰকৃতিয়ে ঠন ধৰে,
কৃষিজীৱীৰ আশাৰ কঠিয়া ডৰাত কোঁহ মেলে,
ওঁঠত বাগৰে আনন্দৰ ধাৰা
দুখ ভাগৰবোৰ জোকাৰি কৰ্মঠ দেহাটো সাজু কৰি লয়
অযুত আশাৰে
জীয়াই থকাৰে
ভৱিষ্যতৰ।



শিপিনীৰ মাকোঁ সৰে,
মনত আউল লাগে,
গুটি ফুলৰ বিহুৱান খনিত সপোন ৰচে,
চেনাইৰে সাতোৰঙৰ ৰামধেনুৰ কাৰেং গঢ়ে,
আহঁত জোপাৰ তলত হিয়া দিয়া নিয়াৰ খেল
বহাগে হাঁহে।
গভীৰ নিশা কেতেকীজনীৰ দৰদী মাতত
বুকু দেই পুৰি মাৰে
আশা নিৰাশাৰ দোমোজাত হুমুনিয়াহ সৰে
হিয়া ভাঙে,
লুইতৰ বলিয়া বানৰ দৰে দুচকুৰে বন্যা নামে
এই বন্যা— আশাৰ
নিৰাশাৰ
নে হতাশাৰ।

শৰতৰ জোনাক ৰাতি

বীনা দত্ত

শেৱালী উচুপে নিয়ৰ কণালৈ
জ্বলিছে দুৱৰি বনত,
অশ্রু জ্বলিছে তোমাৰ দুচকুত
সাগৰৰ মুকুতা হৈ।
কোনে ক'লে আহি কাণে কাণে মোক,
শৰতৰ নিশা জোনে বিলায় কোমল জোনাক
কোনোবা ৰূপহী দৰদী মৰমীৰ মৰমখিনি,
পালে জানো তাৰ সুবাস।
কেঁচা তেজৰ ৰঙা কলিজাৰ
মদাৰৰ ফুল ফুলা নাই,
পলাশো ফুলা নাই,
ফুলিছে মাথো ৰক্তজৰা গোঁসানীৰ চৰণ ধিয়াই।
নিজান বনত অচিনা পক্ষীৰ
আজি গীত শুনা নাই
কেতেকীজনীয়েও নিজান ৰাতি
'মই কেতেকী' বুলি কন্দা নাই।
শুনা নাই সেই ৰিণিকি ৰিণিকি ঢোল-পেঁপাৰ মাত
সাতাম পুৰুষীয়া বাপতি সাহোন বিহু টি বাৰু ক'ত হেৰাল?
দুৰ দুৰণিত শুনিছো মাথো দৰদী নিশাৰ উচুপনি,
অচিনা বনতে কোনোবা বাঁহীৰ কৰুণ ৰাগিণী,
মাথো মাথো
শৰতে বিলায় জোনাক ৰাতি।

আত্মনুসন্ধান

অজন্তা বৰুৱা

"I have sold my soul,
for a cauple of gold."
যোৱা নিশা মই এটি
সপোনক হত্যা কৰিলো।
লগতে সমাধিস্থ কৰিলো
এটি গীতকো।
যিটো গীত বৈ আছিল
অনন্ত কাল ধৰি
মোৰ বুকুৰ মাজেদি।
সজাল ধৰা সেউজ পথাৰ এখনৰ
সোণসেৰীয়া হেঁপাহ আছিল বহুদিনৰ....।
যোৱা নিশা তাকো বিক্ৰী কৰিলো।
দিগন্ত জুৰি থকা এপিয়লা আকাশৰ নীলা
আঁশৈশৱ লগৰীয়া আছিল মোৰ,
যোৱা নিশা তাকো হেৰুৱালো।
বিনিময়ত মই লভিছো বিপুল বৈভৱ,
অপাৰ সমৃদ্ধি পাৰ্থিৱৰ,
তথাপিও, গভীৰত, বহু গভীৰত
হৃদয়ত আন্দোলিত হৈ আছে
এটি আৰ্ত প্ৰতিবাদ।

মই যে মাতৃ-ধৰিত্ৰী

নমিতা মটক

মই ধৰিত্ৰী মাতৃয়ে কৈছো
হে, জীৱ শ্ৰেষ্ঠ মানৱ,
মোৰ বক্ষ বিদাৰি সকলো হৰি নিছ
গছ-গছনি কাটি,
পৰ্বত-পাহাৰ ভাঙি নিঃশেষ কৰিছ,
পৰিণামত ভয়াবহ উষ্ণতা
অনাবৃষ্টি, অল্পবৃষ্টি
জীয়াতু ভুগিছে মোৰ সন্তানসৱে।
বহুমূলীয়া বনজ সম্পদ,
পক্ষীকূল, বন্য জন্তু,
তহঁতৰ লোভৰ চিকাৰ হৈ লুপ্ত হ'ল।
কৰিছো সৃষ্টি তহঁতৰ মঙ্গলৰ বাবে
নদ-নদী, পৰ্বত পাহাৰ,
শস্য শ্যামলা বননি,
মোল নুবুজিলি তঁহতে।
হে মানৱ জাতি,
ভুগিব লাগিব উত্তৰ পুৰুষে
তঁহতৰ ভুলৰ পৰিণাম
ভাবি চাইছনে নাই?
কিমান লাগে তহঁতক ভোগ কৰিবলৈ
মই অকপটে দিছোঁ
মোৰ সৃষ্টিৰ সুন্দৰতা
বন্ধ কৰ তহঁতৰ নিৰ্লজ্জ লালসা
স্তব্ধ কৰ ধ্বংসৰ বাসনা,
আকৌ সেউজীয়া কৰ ধৰণী
বৃক্ষ-ৰোপনেৰে
ভৰাই দে মোৰ উদং বুকু
কাৰণ, এয়া যে সময় অনুশোচনাৰ।
মই সহিছোঁ, মই ক্ষমিছো
তহঁতৰ ভুল
কিয়নো মই যে
ধৈৰ্যশীলা, সহনশীলা
মাতৃ-ধৰিত্ৰী মাতৃ।

ভাৱনা

মামনি দাস

ৰঙালী অহাৰ লগে লগে গছ লতিকাই
প্ৰাণ পাই উঠিল নতুন সাজত
মানুহৰ মাজতো প্ৰাণ পাই উঠিল উৎসৱতা।
নদীৰ পাৰৰ কহুঁৱাবোৰে ইফালে-সিফালে
হালিজালি আত্মহাৰা হৈছে।
তেনেদৰে ৰাঙঢালীহঁতে ৰংমনৰ কথা
ভাবিবলগীয়া হৈছে।
নতুন উদ্যমেৰে মনত সাঁচি ৰখা গুপুত
কথাবোৰ অজানিতে খুলি ক'বলৈ
লাজে ভয়ে কওঁনো কেনেকৈ (ৰংমনক)
চোতালৰ আগত জকমকাই থকা তগৰ জোপা
যেতিয়া এপাহি দুপাহি তল সৰি পৰে
দেখিলে শাত পৰি যায় হীয়া।
তথাপিতো ৰংমন তোমৰ বাঁহীৰ সুৰে
মোক বলিয়া কৰি তোলে।
কেনেকৈ তোমাক জনাম ভাষা মোৰ নাই
ওৰে নিশা উজাগৰি তোমাৰ সুৰ
হৃদয়ত সাঁচি ৰাতিটো কটাও।

মোৰ আইতা

ৰঞ্জিতা বড়ো

মোৰ আইতাৰ চুলিবোৰ পকা
মুখত ভৰাই তামোল এসোপা
লাখুটি ডালত ভৰ দি দি
আই তাই ফুৰাতে বৰ চোকা।
আলহীৰ ঘৰলৈ গ'লে আইতাৰ
কিমান যে ৰং।
ঘৰ আহি পালে আইতাৰ
উঠে বৰ খং।
তামোল খুন্দি দিলে আইতাই
বৰ ভাল পায়।
গধূলি পৰত চোতালত বহি আইতাই
আমাক সাধু কয়।

মোৰ কল্পনা

বিকি বড়ো

এন্ধাৰ ৰাতিৰ জোনাক তুমি
মোৰ জীৱনৰ ছবি তুমি
মনৰ মাজত কহ-ৰহন আঁকি
নিৰৱে মোৰ কাষত আছা।
বুজিও নুবুজা কিয় চকুৰ ভাষা
জানিও নাজানা কিয় মনৰ কথা
অভিমানী কিয় তুমি বুকু জ্বলোৱা
তুমি নিদিয়া মৰমবোৰ।।
জোৰ-তৰা হৈ জ্বলিব
তুমি নোকোৱা সেই কথাবোৰ
বতাহৰ সুৰে মোক শুৱাব
তুমি নোলোৱা মোৰ মৰমবোৰ
বুকুৰে সুৰ হৈ ওলাব
তুমি নুশুনা সেই কথাবোৰ।
গীতেৰে ভাষা হৈ ওলাব
মোৰ বুকু মাথো বেদনাৰে ভৰা
নালাগে আজি আৰু মোক মৰম বুকুভৰা
নাই মোৰ আশা মৌ সৰা ভাষা।
আছে মাথো বুকুভৰা নিসংগতা
উজাগৰি নিশা আৰু উতলা মন
অচিনাকী হিয়াৰে শিহৰণ
আৱেগৰ সাগৰত উঠিছে কত লহৰ
তুমি জানো পাইছা মোৰ
হৃদয়ৰ সেই খবৰ।

দেৰগাঁৱৰ 'চিনাকী'

শঙ্কৰজ্যোতি ডেকা

খোৱালি লৈ কোন এইজনী
নাচনী নে মাছমৰীয়া
উজনিৰ নে নামনিৰ কোন
এই গাভৰুজনী....
পালো যে উজনিৰ নে
দেৰগাঁৱৰ গাভৰুজনী,
কঁকাল খামুচীয়া চকু ডাঙৰ-ডাঙৰ লাজকুৰীয়া
এইজনী ছোৱালী,
নামটি চিনাকী
গাঁওখনি নিমাতী,
হয়নে এইজনী
উজনিৰে গাভৰু
দিবানে মৰম
এধানি
দেৰগাঁৱৰ 'চিনাকী'।

ভ্ৰমণ কাহিনী

বিশ্বাসে মিলয় হৰি

ভাৰতী ভট্টাচাৰ্য্য

আমি স্কুলত পঢ়াৰ সময়ত ভূগোল আৰু বুৰঞ্জী বিষয় দুটা বাধ্যতামূলক আছিল। আমাৰ শিক্ষক-শিক্ষয়িত্ৰী অকলে বিষয় দুটা ইমান নিষ্ঠাৰে পঢ়াইছিল যে সৰুকালতেই আমাৰ মনত দেশপ্ৰেম তথা বিশ্বপ্ৰেমৰ বীজ অধুষিত হৈছিল, সেয়েহে সৰুৰে পৰাই মনত আশা পুহি ৰাখিছিলো—বিশাল হিমালয়, বিস্তীৰ্ণ উপকূল ৰেখা, অপূৰ্ব ভাস্কৰ্য্য খচিত মঠ-মন্দিৰ, প্ৰাসাদ আৰু দুৰ্গ, বিভিন্ন জাতি-উপজাতিৰ মিলন ভূমি ভাৰত ভূমিৰ প্ৰান্তৰে প্ৰান্তৰে ভ্ৰমি জীৱন সাৰ্থক কৰিম। ফ্ৰান্সৰ উপকুলত ঠিয় হৈ ৰিণিকি ৰিণিকি দেখা ইংলেণ্ডৰ ক্লীফ অৱ উভাৰ চাম। সেয়েহে সময় আৰু সুবিধা পালেই ফুৰিবলৈ ঢাপলি মেলো।

বহুত দিনৰ পৰা ইচ্ছা আছিল মহাৰাষ্ট্ৰৰ সিৰদি সাই বাবাৰ মন্দিৰ দৰ্শন কৰাৰ ঈশ্বৰৰ কৃপাত সেই সুবিধা আহিল। ডাঙৰ ল'ৰা আৰু বোৱাৰী চাকৰি সূত্ৰে পুনে চহৰত থকাৰ কাৰণে তাত কেইটামান দিন কটাবলৈ যাওতে সিৰদিলৈ যোৱাৰ সুবিধা হ'ল। মোৰ এই লিখনিৰ বক্তব্য কিন্তু সিৰদি নহয়, সিৰদি যাত্ৰাত যাওতে হোৱা এক বিৰল আৰু আশ্চৰ্যকৰ অভিজ্ঞতাহে।

২০০৯ চনৰ ৬ আগষ্টত গৃহস্থ, ল'ৰা-বোৱাৰী আৰু নাতিৰ সৈতে বিয়লি ৩ বজাত পুনেৰ পৰা যাত্ৰ আৰম্ভ কৰিলো। উদ্দেশ্য আছিল ৰাতিটো সিৰদিত থাকি পিছদিনা পুা মন্দিৰ দৰ্শন কৰি তাৰ পৰা নাচিক হৈ ত্ৰিম্বকেশ্বৰ অভিমুখে ৰাওণা হোৱা। যদিও পিছবেলা যাত্ৰা আৰম্ভ কৰিছিলো, সেইফালে বহুত দেৰিলৈকে দিনৰ পোহৰ থকাৰ কাৰণে দেৰি হোৱা যেন লগা নাছিল সুভাষ নামৰ বয়সস্থ অমায়িক স্বভাৱৰ গাড়ীচালকজনে আমাৰ লগত আগতে দুবাৰমান দীঘলীয়া যাত্ৰা কৰাৰ কাৰণে আমাৰ পৰিয়ালটোৰ ৰুচি ভালকৈ জানিছিল। তাৰোপৰি মহাৰাষ্ট্ৰৰ সকলো ঠাই, বাট-পথ তেওঁৰ নখদৰ্পনত। তেওঁ কেতিয়াবা বিস্তিৰ্ণ ফুলৰ খেতি, বতাহত হালিজালি থকা সোণালী ঘেঁহুৰ পথাৰ আদিৰ কাষত গাড়ী ৰখাই আৰু আমিও গ্ৰাম্য মাৰাঠাৰ সৌন্দৰ্য্য গ্ৰামভৰি উপভোগ কৰিছিলো, মন জোকাৰি গৈছিল পশ্চিমঘাট পৰ্বতৰ বিশালতা, লগতে মাৰাঠী মানুহৰ গভীৰ জীৱনবোধে। চকু যায় মানে ৰঙা ৰঙা কৈ ফুলি থকা ডালিম গছ, আঙুলছ,.......... আদিৰ খেতি দেখিছিলো। খেতিয়কসকলে নিজৰ খেতিৰ বিভিন্ন ফলমূল, পিয়াজ-আলু আদি ঘাই আলিৰ কাষতে বিক্ৰী কৰিছিল। খেতিৰ পৰা তুলি অনা কুঁহিয়াৰৰ ৰস অতি চাফ-চিকুণকৈ অস্থায়ীকৈ সাজিলোৱা চালিৰ তলত বিক্ৰি কৰিছিল। দুটা পইছাৰ কাৰণে মানুহে কৰা পৰিশ্ৰম আৰু শ্ৰমৰ মৰ্যাদা দেখি বুজিছিলো ভাৰতৰ সকলো ঠাইতে কমবেছি পৰিমানে ভ্ৰষ্টাচাৰ আছে, কিন্তু আমাৰ অসমৰ দৰে ইয়াত অফিচাৰৰ পৰা পিয়ন-চকীদাৰলৈকে সকলোৰে কলা টকাৰ পয়োভৰ নাই।

এনেকি সময়ত হাতত নিজকে সপি দি আমি মাৰাঠা ৰাজ্যৰ সৌন্দৰ্য্য চাই চাই আগবাঢ়িছিলো, সিৰদিত হোটেলৰ কোঠা লৈ থোৱা আছিল কাৰণে দেৰি হোৱাত বিশেষ চিন্তা কৰা নাছিলো। তেতিয়া ৰাতি ১০ বাজিছিল। গাড়ী চালকজনে আমাক সুধিলে তেওঁ যদি আমাক সদৰ ৰাস্তাৰ পৰা ভিতৰলৈ থকা এখন তাৰ্থস্থানলৈ লৈ যায় আমাৰ অসুবিধা হ'ব নেকি।

আমি একো অসুবিধা নহয় বুলি কোৱাত তেওঁ ৰাজআলিৰ পৰা বাওঁফালে সোমাই যোৱা বাটেৰে গাড়ী নমালে। বাটৰ দুয়োকাষে আছিল শস্যৰ পথাৰ, ৰাতিৰ শীতল বতাহে আনিছিল শস্যৰ সুগন্ধি, পাইছিলো গৰু-ম'হৰ গোহালিৰ গোন্ধ আৰু ডিঙিৰ ঘণ্টাৰ শব্দ। গাঁওবোৰ অৱস্থাপন্ন যেন লাগিছিল। এনেকৈ ৬/৭ কিলমিটাৰমান যোৱাৰ পাছত সুভাষে আমাক ঘৰ-দুৱাৰবোৰ ভালকৈ লক্ষ্য কৰিবলৈ ক'লে। প্ৰথমে আমি একো ধৰিব পৰা নাছিলো। কিন্তু পিছত দেখি আচৰিত হ'লো যে কেঁচাই হওক বা পকীয়েই হওক কোনো ঘৰটেই দুৱাৰ খিৰিকীৰ কপ্‌াট নাই; আনকি সেইবোৰ লগাব পৰাকৈ চৌকাঠও নাই। কোনোবা ঘৰত একোখন পৰ্দা আছে, ক'ৰবাত তাকো নাই, ভিতৰৰ মানুহ দুনুহ আচবাব আদি বাটৰ পৰাই দেখি, গাড়ী-চালকজনে ক'লে ঠাইডোখৰ আৰু গাঁওবাসীক আৰাধ্য শনি দেৱতাই সকলো বিপদ-আপদ, চোৰ-ডকাইতৰ পৰা ৰক্ষা কৰি থাকে, ইয়াত কোনোবাই চুৰ কৰিলে ইয়াতে ঘুৰি ফুৰিব লাগে, ওলাই যাবলৈ আৰু কেতিয়াও বাট বিচাৰি নেপাই। এই গভীৰ বিশ্বাসতে কোনো মানুহে ইয়াত ন'কইনাই তলা মাৰিব পৰা আচবাব আদি লগত নানে।

আমি গৈ মন্দিৰ প্ৰাঙ্গন পালোগৈ, দোকান পাটবোৰ তেতিয়াও খোলা আছিলি, মন্দিৰৰ মুক্ত প্ৰাঙ্গনত ৫ ফুট ৯ ইঞ্চি কলা প্ৰস্তুত খণ্ড। এইয়াই পৰম আৰাধ্য শনি দেৱতা। কোনো মন্দিৰ নাই, নাই প্ৰৱেশদ্বাৰ। শনি দেৱতাৰ প্ৰতিষ্ঠা আৰু মাহাত্ম্যৰ বিষয়ে ইয়াত বহুতো কাহিনী প্ৰচলিত আছে। মন্দিৰ সাজি দেৱতাক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কিবা আলৌকিক কাৰণত বাৰে বাৰে বিফল হোৱাত মুক্তভাৱেই শনিদেৱতাক বোধৰ ওপৰত প্ৰতিষ্ঠা কৰা হৈছে। চাৰিওফালে চাফচিকুন আৰু উন্নত ব্যৱস্থা। তেতিয়াও ভক্তৰ লানি নিছিগা সোঁত। মন্দিৰত যোগান ধৰা গৰমপানীৰে গা ধুই, মন্দিৰৰ পৰা দিয়া বস্ত্ৰ পৰিধান কৰি ভক্তসকলে নিঠাতেল ঢালি দেৱতাক পূজা দিছে।

মন্দিৰ দৰ্শনৰ পৰা ওলাই আমি তেতিয়াও খোলা থকা দোকান পোহাৰবোৰ পালোহি। ভদ্ৰ আৰু অমায়িক দোকানীসকলক বৰ ভাল লাগিল। আমি দুই এপদ বস্তু কিনিলো। বজাৰৰ ওচৰত থকা বেঙ্ক দেখি তবধ মানিলো। তাতো দুৱাৰত তলা নাছিল। গাড়ী স্কুটাৰ আদিও তলা নমৰাকৈ থোৱা আছে। দোকানবোৰ বন্ধ কৰাৰ সময় হৈছিল, একোখন পৰ্দা আনিহে দোকানবোৰ বন্ধ কৰা হৈছিল।

শনিচিংনাপুৰ গাঁৱৰ এই বিচিত্ৰ অভিজ্ঞতালৈ আমি সিৰদি অভিমুখে ৰাওনা হ'লো, আজিৰ এই দুঃ সময়ত য'ত মানুহৰ সা-সম্পত্তি তথা জীৱনৰ একো নিৰাপত্তা নাই, তেনে সময়তেই এই ভাৰতবৰ্ষত শনি চিংনাপুৰৰ দৰে গাঁও আছে, য'ত ঈশ্বৰৰ ওপৰত গভীৰ বিশ্বাসেৰে মানুহে নিজৰ সকলো বস্তু খোলাকৈ থৈ দিয়ে। কোনো যুক্তি তৰ্কৰে এই বিশ্বাস ব্যাখ্যা কৰা সম্ভৱ নহয়। সঁচাকৈ বিচিত্ৰ আমাৰ ভাৰতবৰ্ষ আৰু ইয়াৰ মানুহ। এই অভিজ্ঞতাৰ বাবে ঈশ্বৰৰ ওচৰত কৃতজ্ঞ হ'লো আৰু আমাক শনিচিংনাপুৰলৈ লৈ অনাৰ কাৰণে সুভাষক ধনবাদ জনালো। ■

ধৰ্মমূলক প্ৰবন্ধ

ভগৱান শ্ৰীকৃষ্ণৰ অৱতাৰ, এটি চমু আভাস (ঐশ্বীক সমন্ধীয়)

কামেশ্বৰ হাজৰিকা

সৰ্বপ্ৰথমে শ্ৰীমন্ত শংকৰদেৱে কীৰ্ত্তনত মৎস্য অৱতাৰটিকে আড়ম্ভণীতে ব্যক্ত কৰিছে। "মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।" এই অৱতাৰে সফৰী মৎস্যৰূপে আবিৰ্ভাৱ হৈছিল। এই মৎস্য মূৰ্তি নদ-নদী, সাগৰতো তেওঁৰ বৃহাদাকাই নধৰাত সত্যব্ৰতে অব্যয় লক্ষণ দেখি আশ্চৰ্য্য হৈ ক্ষমা খোজে। মৎস্যৰূপী ভগৱন্তই হিংস্ৰুক (হিংসুক) জ্ঞাতিৰ পৰা উদ্ধাৰ পাবৰ অৰ্থে সত্যব্ৰতৰ ওচৰত শৰণাগত নোহোৱাকৈ থকা নাই। গতিকে দেখা যায় তেওঁলোকৰ ওতঃপ্ৰোতভাৱে সম্বন্ধ জড়িত আছে।

মৎসৰূপী ভগৱন্তই ক'লে— "যেতিয়া নৈমিত্তিক প্ৰলয় হয় তেতিয়া এক মহানৌকা আহিব। সেই নৌকাত তুমি সপ্ত মনু সহ উঠি নিৰ্ভয়মনে ক্ৰীয়া কৰিবা। সেইমতে কাৰ্য্য হ'ল। মহানৌকা সময়ত আহিল। মৎস্যৰূপী ভগৱন্তৰ পিঠিত বাসুকীৰ দ্বাৰা মহানৌকা বন্ধন কৰি সত্যব্ৰতে ভগৱন্তৰ সংগত ক্ৰীয়া কৰিলে। সেই সময়তে মৎস্যৰূপী ভগৱন্তৰ নিজ বদনৰ পৰা বেদ প্ৰয়জলত পতন হ'ল। তৎমুহূৰ্ততে হয়গ্ৰীৱ দেত্যেশ্বৰে বেদ হৰণ কৰিলে। সেই বেদ উদ্ধাৰৰ অৰ্থে ভগৱন্তে দৈত্যক বধ কৰি বেদ উদ্ধাৰি ব্ৰহ্মাৰ হাতত দিয়াত শান্তি স্থাপন হ'ল। গতিকে দেখা যায় মাৰ্কণ্ডেয় মুণিক ভগৱতে নিজ মায়া দেখুৱাৰ দৰে সত্যব্ৰতেও প্ৰলয় জলত মৎস্যৰূপ দৰ্শণ তত্ত্ব লৈয়ে পৰমানন্দ সুখ লাভ কৰিলে।

তেন্তে ইয়াৰ ৰহস্যপূৰ্ণ ভাৱধাৰ কি? হয়, ক্ষুদ্ৰ ব্ৰহ্মাণ্ড বা বিজ্ঞান সমালোচনাৰ বাহিৰে কি হ'ব পাৰে বাৰু? প্ৰথমে বিজ্ঞান মতবাদ কি চোৱা হওক।

ভাৱধাৰা ঃ

যি জগত সত্যক ভিত্তি কৰি প্ৰৱৰ্তন হৈছে সেয়ে সত্যব্ৰত ৰজা। যি শুক্ৰকীট গৰ্ভস্থ হৈ সন্তান হয় সেয়ে প্ৰথম মৎস্যাকৃতি হৈ মানৱ জন্ম ধৰে; সন্তান ক্ৰমাৎ বৰ্ধমান হৈ সময়ত সত্যব্ৰত বা সত্যমূৰ্তি ভগৱন্তও আৰৱ সাগৰৰ পৰা উদ্ধাৰৰ বাবে শৰণাগত হয়; তেতিয়া বাসুকী অৰ্থাৎ নাৰীৰ দ্বাৰা বন্ধন হৈ প্ৰলয় জলত অৰ্থাৎ মাতৃৰ গৰ্ভত ক্ৰীড়া কৰে। বেদ অৰ্থাৎ অসংযত অৱস্থা স্থিৰতা হৈ ক্ৰমবিকাশৰ ফলত সন্তান ভুমীষ্ঠ হয়। সত্যৰ সন্ধানে প্ৰাণী জগতৰ তৃপ্ত বা শান্তি লাভ হয়। এই মৎস্য অৱতাৰে, অংশ অৱতাৰ গ্ৰহণ কৰিছে। যেনে— "মই জীৱ তোমাৰেসে অংশ।"

কুৰ্ম অৱতাৰ ঃ

দৈত্যেশ্বৰ বলীৰ দিনত দুৰ্বাসাৰ অভিসাপত দেৱ-দৈত্যৰ বিৰোধ অখণ্ডিতভাৱে চলি থাকিব লগা হৈছিল। সেই দেৱতাৰ বিপ্লৱত কাতৰস্ত দেৱলোকক ভগৱন্তে ক'লে— "প্ৰীতি কৰি সাধা কৰ্ম প্ৰীতি বশ্য হুৱে ৰাজকন্দলত পৰে নাই, মন্দ।" ভগৱন্তৰ এই বাক্য মতে দেৱতাসকলে সুতললৈ গৈ দৈত্যৰাজ বলীৰ লগত মৈত্ৰতা কৰি ক্ষীৰ। সিন্দু মন্থণৰ উদ্দেশ্যে মন্দৰ পৰ্বত আনিবলৈ যায়; যথা সন্তৱ সকলোৱে সংগি কৰি কিছু দূৰ অনাত অসহ্য ভাৰ নমাই দিয়াত তেওঁলোকৰ হাত-ভৰি ভাগি বিপদ ঘটে। ভগৱন্তই তেনে বিপদ দেখি গৰুড়ৰ স্কন্ধত নিজে আহি তুলি লৈ ক্ষীৰ সাগৰৰ তীৰত থাপিলে। তেতিয়া দেৱ দৈত্যই পৰ্বত তুলি সাগৰত দিয়াত তল গ'ল। তেওঁলোকে বিবুদ্ধি হৈ ভগৱন্তক স্মৰণ কৰাত পুনঃ ভগৱন্তই

কশ্যপ ধৰি সেই মন্দৰ পৰ্বত নিজে পৃষ্ঠত ৰাখি দেৱ-দৈত্যক সমুদ্ৰ মন্থণৰ সুবিধা দিলে। তাৰ দ্বাৰা অমৃত পান কৰোৱা আদি অভাৱ-অনাটন গুচি দেৱলোক অমৰত্ব লভি শান্তি স্থাপন কৰিলে।

বৰাহ অৱতাৰ ঃ

বৰাহ অৱতাৰত জলমগ্ন পৃথিৱীক উদ্ধাৰ কৰি হিৰণ্যাক্ষক বধ কৰিছে।

নৃসিংহ অৱতাৰ ঃ

নৃসিংহ অৱতাৰত হিৰণ্য কশিপুক বধ কৰি ভক্ত প্ৰহ্লাদক ৰক্ষা কৰিছে। কালনেমিক বিনাশ কৰিছিল ও মুক্তিদান কৰিছিল। তেওঁলোকে অন্যায়াচৰণ কৰিছিল।

ৰাম অৱতাৰ ঃ

ৰাম ধাতুৰ পৰা ৰাম শব্দ সিদ্ধ হৈছে। ভকতসকলে ৰমন কৰি থাকে কাৰণেই ৰাম বোলা হৈছে। ৰা শব্দে বিশ্ব আৰু 'ম' শব্দই এটি ঈশ্বৰ বাচক— এই বিশ্বৰ ঈশ্বৰ যিজন সেইজনেই হৈছে ৰাম। এই ৰাম অৱতাৰত লংকাৰ ৰাৱনক বধ কৰি সীতাক উদ্ধাৰ কৰিছে।

পৰশুৰাম ঃ

এই অৱতাৰত ক্ষত্ৰিয়বিলাকক ধ্বংস কৰিছে।

হলীৰাম অৱতাৰ ঃ

হলীৰাম অৱতাৰত দ্বিবিধ আদি অসুৰক বধ কৰিছে।

বামন অৱতাৰ ঃ

এই অৱতাৰত বলিক চলি সুতলত ঠাই দিছে।

বুদ্ধ অৱতাৰ ঃ

বুদ্ধ অৱতাৰত হিংসা শূণ্যৰূপে জীৱক মুক্তি দিছে।

কল্কী অৱতাৰ ঃ

এই অৱতাৰত ম্লেছসকলৰ সংহাৰ কৰিব।

ইয়াৰ উপৰিও ভগৱান কৃষ্ণই পূৰ্বে অশ্ব, হংস আদি আবিৰ্ভূত হৈ ত্ৰিভূৱনকে পালন কৰিছিল।

ভগৱান কৃষ্ণ জগতৰ ৰক্ষাকৰ্তা আৰু পাপ-পূণ্যৰ ফলাফল দাতা। তেৰাকেই বিধাতা বুলিও কোৱা হৈছে। তেওঁ সৰ্বশাস্ত্ৰবিশাৰদ অলৌকিক, ৰাজনৈতিক পুৰুষ আৰু নিজেই কৰা কৰ্মত নিজেই তৃপ্তি লাভ কৰিছিল। সংসাৰস্থ জীৱসমূহৰ সৰ্বগতি প্ৰদাতা অৰ্থাৎ শত্ৰু, মিত্ৰ উভয়েই সৎগতি ব্ৰহ্মাকৃষ্ণই প্ৰদান কৰি থাকে। যেনে— শত্ৰুৰূপী কংস ও অসুৰবিলাকক কালৰূপ ধাৰণ কৰি নিধন আৰু মোক অৰ্পণ কৰে। সেয়ে মায়া মানুষ নৰাকৃতি পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ অতি ৰহস্য লীলাসমূহ শ্ৰৱণ কীৰ্ত্তন কৰা উচিত। তেওঁৰ হাস্যবিলাসযুক্ত বদন মণ্ডল মানৱাকৃতি ধাৰণ আৰু লীলাৰসানে উদ্ধৱৰ ওচৰত পৰমতত্ত্ব উপদেশ দি ১২৬ বছৰ বয়সত ইচ্ছামৃত্যু হৈ নিজ ধামে বিজয় যাত্ৰা কৰিলে।

ব্ৰহ্মাণ্ডৰ সৃষ্টিতেই ব্ৰহ্মকৃষ্ণৰ লীলা। যুগে যুগে লীলা ধনুধাৰী ভগৱানৰ নাম কৃষ্ণ। এই ভগৱান কৃষ্ণ পূৰ্ণৰূপে আবিৰ্ভূত হৈছে। ভগৱান কৃষ্ণৰ গুণ আৰু কৰ্মানুৰূপ বহুবিধ। সকলো বিপদৰ পৰা উদ্ধাৰ কৰিব পাৰে। এই ভগবানক ভজন কৰিলে যিকোনো শত্ৰুগণ বা অন্তৰৰ কাম ক্ৰোধা দি ৰিপুগণে কেতিয়াও অন্যায় আচৰণ কৰিব নোৱাৰে। কৃষ্ণভক্তসকল ভক্তিমাৰ্গৰ সম্যক জ্ঞান লাভ কৰে তেতিয়া ভকতৰ মুখমণ্ডলৰ ৰূপ সলনি হয় মাতবোৰো সলনি হয়, সলনি হৈ যায় চেহেৰা, আচাৰ ব্যৱহাৰ চৰিত্ৰ ইত্যাদি তেতিয়া কোনেও প্ৰতিবন্ধকতা জন্মাব নোৱাৰে।

ভগৱান ব্যক্ত অব্যক্তৰ অতীত। আকৌ এই ভগৱানক চিত্ত শুদ্ধিৰে জানিব পাৰিলেই জীৱই শুদ্ধি লাভ কৰে। সেই বাবেই তেওঁ পৰম পৱিত্ৰ। তেওঁৰ প্ৰিয় অপ্ৰিয় নাই। সৰ্ব জীৱনৰ পক্ষে একৰূপ। শুদ্ধ চিত্ৰ হৈ ভগৱানক একান্ত ভক্তি কৰিলে ভগৱান তেওঁৰ লগতে থাকে। যিজনে একান্ত চিত্তেৰে ভগৱানক আৰাধনা কৰে তাৰো মনৰ বাঞ্চা পূৰণ হয়। কিয়নো ভক্তি অথলে নাযায়। জাতি, বৰ্ণ, বয়স, গুণ অৱস্থা আদি নিৰ্বিশেষে ভক্তিৰ অধিকাৰী যথা ভক্তি তথা মুক্তি। শাস্ত্ৰই নো কি কয় বাৰু?

"কৃষ্ণৰ সেৱাত কিছু নাহিকে ভাগৰ

নাম মাত্ৰ লৈলে তাৰ সংসাৰ সাগৰ।।

কৃষ্ণ মোৰ বন্ধু, কৃষ্ণ সুহৃদ নিশ্চয়

কৃষ্ণকেসে পাইলে অনুমাত্ৰ নাই ভয়।।

এহি তত্ব জানে যিটো সেহি মহাজ্ঞানী

সেহি মহাগুৰু সেহিজন চক্ৰপানি।।"

একশৰণ হৰিনাম ঃ

দুজনা গুৰু "শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ঈশ্বৰৰ নামকে শ্ৰেষ্ঠ কৰি সত্ৰ, নাম, ঘৰত সন্ত, মহন্ত, ভকত বৈষ্ণৱৰ যোগে নাম ধৰ্মৰ প্ৰদীপ জ্বলাই থৈ জগতক উদ্ধাৰ কৰি গৈছে। এই হৰিনামৰ মহিমা অপাৰ। শক্তিও অপৰিসীম। মানুহে নামৰ সেতু বান্ধিয়েই অপাৰ সংসাৰ সাগৰ সহজে পাৰ হ'ব পাৰে। শ্ৰৱণ কীৰ্ত্তণৰ যোগেদিয়েই অনাদি অনন্ত নিগুণ ভগৱন্তৰ গুনানুকীৰ্ত্তন কৰি কলিযুগৰ অল্পায়ুলোকে চাৰি পুৰুষাৰ্থ লাভ কৰিব পাৰে। এই নাম ধৰ্ম ভক্তি মাৰ্গৰ ওপৰত প্ৰতিস্থিত। এই শ্ৰৱণ কীৰ্ত্তন আচৰিলে বা হৰিৰ নাম, গুণ, লীলা, জন্মৰহস্য, যশ, চৰিত্ৰ, অৱতাৰবোৰ শ্ৰৱন-কীৰ্ত্তন কৰিলে একে সময়তে শাৰিৰীক, মানসিক আৰু আধ্যাত্মিক এই তিনিও প্ৰকাৰৰ কাৰ্য সাধন হয়। গুৰুদেৱ, নাম, ভকত লগতে সৎসংগ, সন্ত, মহন্ত, ভকত বৈষ্ণৱ আদি এক হৈ জীৱৰ অমৃত পানৰ এই নাম-কীৰ্ত্তনত সুযোগ মিলে। ভক্তিৰে ভগৱন্তক উপাসনা কৰিলে পাপাত্মায়ো পৱিত্ৰাম পায়। সংসাৰৰ মায়ামোহে ভগৱান কৃষ্ণৰ নাম লওতাক একো হানি বিঘিনী কৰিব নোৱাৰে। ভগৱন্তৰ নাম-কীৰ্ত্তনত যি অমৃত ৰস পায় তাৰ তুলনা আৰু এই সংসাৰত নাই। সজ্জনসকলৰ লগ হৈ কায় বাক্য মনে অতি আনন্দৰে হৰিগুণ শ্ৰৱণ-কীৰ্ত্তন কৰি হৰিৰ দাস হ'লে হৰিৰ চৰণত জীৱই ঠাই পায় বা নিৰ্মল বৈকুণ্ঠত স্থান পায়। ঈশ্বৰৰ গুণ নাম সুধাৰ সমুদ্ৰ। ভগৱান কৃষ্ণৰ লীলা, চৰিত্ৰ শুনা বা গোৱা আৰু তাকে আলোচনা কৰি ভগৱন্তক ভজাটোৱেই মানুহৰ জন্মধৰাৰ সাৰ্থকতা জীৱন লাভ হয়। ভাগৱত জীৱন লাভ কৰিব পাৰে।

বহু গুণ সম্পন্ন আৰু সাগৰৰ দৰে গভীৰ ব্যক্তি বিশেষে নিষ্ঠা আৰু সততাৰে ভগৱন্তৰ চৰণত শত সহস্ৰ প্ৰণিপাত জনাওঁতে আৰু তেৰা সৰৱ গুৰু-গম্ভীৰ স্বৰৰে প্ৰাৰ্থনা কৰোতে আৰু ঈশ্বৰ সম্বন্ধীয় ভাগৱত কীৰ্ত্তনৰ গূঢ় ৰহস্যবোৰ সঠিকভাৱে ব্যাখ্যা কৰোতে আপোনা-আপুনি নীৰৱে চকুপানী ওলাই আহে। প্ৰেমভক্তিত তেৰাসৰৰ মন মজি গৈছে। ভগৱানৰ প্ৰতি প্ৰেমভক্তিয়েহে অন্তৰত ক্ৰিয়া-প্ৰতিক্ৰীয়া কৰি থকাৰ ফলত তেনে হয়।

প্ৰেম ভক্তিৰ লক্ষণ ঃ

"প্ৰেম ভকতিৰ চিহ্ন শুনিয়ো উত্তৰে।

হৰি হৰি বোলন্তে লোতক যাৰ ঝৰে।।

মোৰ কথা শুনন্তে শৰীৰ ৰোমাঞ্চিত

জানা তাৰ পৰম পৱিত্ৰ ভৈল চিত।।

প্ৰেমে দ্ৰৱে চিত্ত আতি গদ গদ বাণী

কতো হাসে, কতো কান্দে মোকে প্ৰিয় মানি।।

লাজ এৰি গাৱে গীত নাচে আনন্দতে

জগত পৱিত্ৰ কৰে সেহিসে ভকতে।।

মোক লাগি প্ৰেম উপজিল যাৰ মনে

নেড়ো সখি তাহাৰ হৃদয় সৰ্বক্ষণে।।" (ভাগৱত একাদশ)

ভকত ঃ

ভগৱান কৃষ্ণৰ ৰীতি-নীতি, আদৰ্শ, নিয়ম-কানুন মানি চলাজনেই ভকত নতুবা ভগৱন্তক ভক্তি কৰাজনেই ভকত। জ্ঞানী ভকত ভগবৎময় দৰ্শন কৰে। ভকতৰ বিশুদ্ধ সত্ত্বময় শৰীৰ যদি প্ৰকটিত নহয় তেন্তে ধৰি ল'ব লাগিব যে কেৱল নাম-কীৰ্ত্তন বা ভজনৰ অভাৱতে "অজ্ঞান ও অজ্ঞানকৃত ভেদ"— বিজ্ঞানসন্মত ভিত্তিক শংকৰ গুৰুজনাৰ দৰ্শন সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰে। সেয়ে ভকতসৰ বিনয়, ভদ্ৰতা, সুক্ষ্মতা বোধ থকাটো অতিকে প্ৰয়োজনীয়। ভকতজনৰ মনৰ সু-ইচ্ছা থাকিলে জগতৰ উপকাৰ সাধিব লাগে। তাকে

নকৰিলে কাকো অপকাৰ কৰিব নালাগে নাইবা উপকাৰ-অপকাৰ একোকে নকৰি মনে মনে ঈশ্বৰৰ আৰাধনাত মনটো নিগাজিকৈ স্থিতি কৰিব লাগে আৰু তাতেই এক বিমল আনন্দ পোৱা যায়। তেতিয়াহে জীৱন মুক্ত অৱস্থা দিন কটাব পাৰি। প্ৰকৃত কৃষ্ণ ধৰ্মৰ জ্ঞান নহ'লে বিদ্যাৰ সাৰ্থকতা নাই। সমদৰ্শিতাইহে প্ৰকৃত ভকত বুলি ক'ব পাৰি। প্ৰকৃত ভকত সৰ সমদৰ্শী হয়। "ৰূপে কি কৰিব পাৰে গুনেহে সংসাৰ তাৰে।" গুণবান ভকত সদায় বিনয়ী আৰু গৰ্বশূণ্য তেওঁ সঁজ আচৰণৰ দ্বাৰা সকলোৰে মনত সন্তোষ দিয়ে। আত্মজ্ঞ ভকতে কেতিয়াও কাৰো প্ৰতি বিদ্বেষ বা তুচ্ছ ভাৱ আচৰণ কৰিব নোৱাৰে। যিজন পদমৰ্যদা ভকতে আনক হীন বুলি ঘিনা কৰে সেইজন ভকত কেতিয়াও ঈশ্বৰৰ ইচ্ছা আৰু জ্ঞানৰ অৰ্থ বুজি নাপায়। শেষত ভক্তি আৰু একশৰণেই কৃষ্ণভক্তৰ বাবে পৰম ধৰ্ম। ভগৱন্তৰ স্বৰূপ সত্তাত পৃথকজীৱ ভাৱ নাই। এই জগৎ ৰহস্যত একমাত্ৰ ব্ৰহ্ম সত্তাই সত্য। তাত দ্বৈত ভাৱৰ স্থান নাই।

"হৰিগুণ ভকতৰ কৰ্ণ অলংকাৰ
বাঢ়য় ভকতি আতি শ্ৰৱনে তাহাৰ।।
বিনাশী বস্তুত মানে হোৱে বিৰকতি
পূৰ্ণব্ৰহ্ম কৃষ্ণ হোৱয় দৃঢ় মতি।। (ৰত্নাকৰ)

কলিযুগৰ ভকতৰ লক্ষণ ঃ

১। "মহা ধুৰুতালি কৰি বুলিবে বচন
জানিবেক লোকে সত্য মাতে ইটোজন।।" (ভাগৱত দ্বাদশ)

২। "মূৰ্খৰ উন্নতি হৈব ফুৰিবে উল্লাসি
ধৰ্ম বখানিবে উচ্চ আসনত বসি।।"

৩। "ধন জন বিভৱ নাথাকে যাত আতি
সেহি জন অসাধু লোকও অসজ্জাতী
পৰম দাম্ভিক যিটো ধনৰ গৰ্বত
সেহিজন মহা সাধু বোলাইবে লোকত।।" (তথা)

শেষত ইয়াকে ক'ব বিচাৰিছো—

"তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ
তাৰো ভৃত্য ভৈলো আমি
মোক জগন্নাথ নকৰা অনাহ
নেৰিবা মাধৱ স্বামী।।"

বিঃ দ্ৰঃ সহায়িকা পুথি (ক) ঘোষামৃত— প্ৰয়াত তীৰ্থনাথ গোস্বামী, (খ) সন্ত বাণী ■

প্ৰতিষ্ঠাকালৰ পৰা বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদকসকল (১৯৮৪-২০১৩)

চন	সভাপতি	সাধাৰণ সম্পাদক
১৯৮৪ চন ঃ	প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	স্বৰ্গীয় লীলাধৰ বৰগোঁহাঞি
১৯৮৫ চন ঃ	প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	ফুলেশ্চ্‌ গগৈ
১৯৮৬ চন ঃ	প্ৰয়াত ৰজনী তামুলী	হৰেণ হালৈ
১৯৮৭ চন ঃ	দীনেশ চন্দ্ৰ বৰ্মন	গোপাল বৈশ্য
১৯৮৮ চন ঃ	দীনেশ চন্দ্ৰ বৰ্মন	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি
১৯৮৯ চন ঃ	প্ৰয়াত বিদ্যা গগৈ	সুৰেন দাস
১৯৯০ চন ঃ	দ্বীজেন শৰ্মা	সুৰেন দাস
১৯৯১ চন ঃ	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি	বসন্ত পোদ্দাৰ
১৯৯২ চন ঃ	ৰেৱতী মোহন হাজৰিকা	হৰেণ হালৈ
১৯৯৩ চন ঃ	-------	-------
১৯৯৪ চন ঃ	ৰেৱতী মোহন হাজৰিকা	টঙ্কেশ্বৰ কাকতি
১৯৯৫ চন ঃ	ৰেৱতী মোহন হাজৰিকা	টঙ্কেশ্বৰ কাকতি
১৯৯৬ চন ঃ	সুনীল বৰা	ফুলেশ্চ্‌ গগৈ
১৯৯৭ চন ঃ	সুনীল বৰা	পৰেশ নেওগ
১৯৯৮ চন ঃ	সুনীল বৰা	পৰেশ নেওগ
১৯৯৯ চন ঃ	হেম শইকীয়া	ফুলেশ্চ্‌ গগৈ
২০০০ চন ঃ	সুনীল বৰা	পৰেশ নেওগ
২০০১ চন ঃ	সুনীল বৰা	বৃহস্পতি ডেকা আৰু গুণীন্দ্ৰ ডেকা
২০০২ চন ঃ	সুনীল বৰা	ফুলেশ্চ্‌ গগৈ
২০০৩ চন ঃ	সুনীল বৰা	ফুলেশ্চ্‌ গগৈ
২০০৪ চন ঃ	গোপাল বৈশ্য	পৰেশ নেওগ
২০০৫ চন ঃ	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্‌ গগৈ
২০০৬ চন ঃ	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্‌ গগৈ
২০০৭ চন ঃ	উমেশ চন্দ্ৰ শৰ্মা	নিৰ্মল চন্দ্ৰ দত্ত
২০০৮ চন ঃ	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্‌ গগৈ, সম্পাদক প্ৰধান নিৰ্মল চন্দ্ৰ দত্ত, সাধাৰণ সম্পাদক
২০০৯ চন ঃ	নিৰ্মল চন্দ্ৰ দত্ত	ড° ধৰ্ম্মেশ্বৰ সোনোৱাল
২০১০ চন ঃ	প্ৰদীপ কুমাৰ গগৈ	শুক্ৰেশ্বৰ বড়ো
২০১১ চন ঃ	দীপক কোঁৱৰ	সত্যজিৎ বৰা
২০১২ চন ঃ	দীপক কোঁৱৰ	সত্যজিৎ বৰা
২০১৩ চন	নিৰ্মল চন্দ্ৰ দত্ত	ৰাজীৱ হাজৰিকা

29TH

BRIHATTAR RUKMINI NAGAR RONGALI BIHU UDJAPAN SAMITY

RECEIPT & EXPENDITURE STATEMENT

RECEIPT	AMOUNT	EXPENDITURE		AMOUNT
Opening Balance				
Cash in Hand	2780.00	**Printing & Stationaries**		30255.00
Bank Account	41285.00	*Banner Printing*	4172.00	
		Donation Book Printing	25000.00	
Collection from Donation Books	200902.00	*Megazine Printing*		
Competition Joining Fees	3000.00	*Office Stationaries*	526.00	
Donor's Contribution for Prize Money	21222.00	*Photostat*	437.00	
Company Sponsorship	15501.00	*Printing Misc*	120.00	
Donation from B K Jain	10000.00	**Pandal**		37000.00
Loan From Satyajit Bora	5000.00	*Generator and Fan*		
Membership Fees	36711.00	*Stage Designing*	37000.00	
Interest accrues from Bank Deposit	979.00	*Tent House*		
Refund from ASEB (2011)	4000.00	**Gamocha & Badges**		8250.00
		Gamocha and Japi	8250.00	
		Reception		7847.00
		Cook	2000.00	
		Drinking Water	320.00	
		Grocery	4427.00	
		Labour (Kitchen)	800.00	
		Refreshment	300.00	
		Sound		16000.00
		Electrical Connection		8800.00
		Meter Security and Bill	7000.00	
		Electrician	1800.00	
		Lighting Arrangement		1000.00
		Photographer		400.00
		Renumeration to judges		11700.00
		Conveyance		700.00
		Miscelleneous Expenses		11445.00
		Soil Fillup	6000.00	
		Meeting Expense	730.00	
		Temporary Urinal	1000.00	
		Swahid Bedi	1075.00	
		Others	2640.00	
		Labour Charges		9400.00
		Prize money for Compitition		43013.00
		Cultural Night Expenditure		144000.00
		1st Night	45000.00	
		2nd Night	96000.00	
		Advance To Artist	3000.00	
		Total Expenditure		329810.00
		Cash at Bank		10765.00
		Opening Balance	41285.00	
		Cheque Deposited	15501.00	
		Interest Accrued	979.00	
		Less withdrawn	47000.00	
		Balance at Bank	10765.00	
		Cash in Hand		805.00
	341380.00			341380.00

বৃহত্তৰ ৰুক্মিণী নগৰ ত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন

বঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

সদৌ অসম ভিত্তিত বিহু হুঁচৰি আৰু বিহুৱতী প্ৰতিযোগিতাৰ বঁটাসমূহ

১৪-৪-২০১৩, ৩১ চ'ত ৰবিবাৰ ঃ সদৌ অসম ভিত্তিত হুঁচৰি বিহু প্ৰতিযোগিতা

১ ম পুৰস্কাৰ ঃ প্ৰয়াত লীলাধৰ বৰগোঁহাঞি সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ২০,০০০/- টকা
দাত্ৰীঃ শ্ৰীমতী অমিয়া বৰগোঁহাঞি আৰু পৰিয়াল বৰ্গ

২ য় পুৰস্কাৰ ঃ প্ৰয়াত বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ১২,০০০/- টকা
দাত্ৰী ঃ শ্ৰীমতী পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ

৩ য় পুৰস্কাৰ ঃ প্ৰয়াত ড° মুহীচন্দ্ৰ বৰগোঁহাই সোঁৱৰণী বঁটা, লগতে নগদ ৭,০০০/- টকা
দাত্ৰী ঃ শ্ৰীমতী ৰুমী বৰগোঁহাই আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

১ ম পুৰস্কাৰ ঃ প্ৰয়াত মহেন্দ্ৰ বুঢ়াগোঁহাই আৰু প্ৰয়াতা দেৱলতা বুঢ়াগোঁহাই
সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ১৫,০০০/- টকা
দাতা ঃ শ্ৰীমৃদুল বুঢ়াগোঁহাই আৰু পৰিয়ালবৰ্গ

২ য় পুৰস্কাৰ ঃ প্ৰয়াতা ফুলেশ্বৰী সোনোৱাল সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৮,০০০/- টকা
দাতা ঃ ড° ধৰ্মেশ্বৰ সোণোৱাল

৩ য় পুৰস্কাৰ ঃ প্ৰয়াত ভুৱনেশ্বৰ কলিতা, প্ৰয়াতা উৰ্বশী কলিতা, প্ৰয়াত, পবিত্ৰ কলিতা সোঁৱৰণী বঁটা, লগতে নগদ ৫,০০০/- টকা
দাতা ঃ শ্ৰীসমূদ্ৰ কলিতা আৰু পৰিয়ালবৰ্গ

১৫-৪-২০১৩, ১ ব'হাগ সোমবাৰ ঃ সদৌ অসম ভিত্তিত 'বিহুৰাণী ২০১৩' প্ৰতিযোগিতাৰ বঁটা

বিহুৰাণী ২০১৩ ঃ এটা চলন্ত মুকুট, লগতে প্ৰয়াতা শোভেশ্বৰী দাস সোঁৱৰণী চলন্ত বঁটা, নগদ ধন ২০,০০০/- টকা আৰু লগতে VDO, Computer, Heater, VIP, Trolly, Cosmetic Gift hemper, ITC Co. ইত্যাদি।
দাতাঃ শ্ৰীযুত দেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

বৃহত্তৰ ৰুক্মিণী নগৰ ত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

৩১ চ'ত, ১ আৰু ২ ব'হাগ

দেও, সোম আৰু মঙ্গলবাৰে

১৪২০ ভাস্কৰাব্দ ১৯৩৫ শকাব্দ

(তাৰিখঃ ইং ১৪, ১৫ আৰু ১৬ এপ্ৰিল, ২০১৩ চন)

কাৰ্য্যক্ৰমণিকা

৩১ চ'ত (ইং ১৪ এপ্ৰিল, ২০১৩ চন) দেওবাৰ

পুৱা ৯.০০ বজাত ঃ বিহুৰ পতাকা উত্তোলন।
উত্তোলক ঃ শ্ৰীযুত অকণ বৰা। মাননীয় মন্ত্ৰী, সমাজ কল্যাণ আৰু কাৰাগাৰ দপ্তৰ।
পুৱা ৯.৩০ বজাত ঃ স্মৃতি তৰ্পণ।
পুৱা ১০.০০ বজাত ঃ নাম প্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণ।
পুৱা ১০.৩০ বজাত ঃ সৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতা।
বিয়লি ১.০০ বজাত ঃ আধুনিক নৃত্য প্ৰতিযোগিতা।
সন্ধিয়া ৬.০০ বজাত ঃ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন।
উদ্বোধক ঃ শ্ৰীযুত দুলাল ৰয়, প্ৰকল্প সঞ্চালক, ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমী, গুৱাহাটী সত্ৰীয়া কেন্দ্ৰৰ প্ৰকল্প, গুৱাহাটী।
সন্ধিয়া ৬.৩০ বজাত ঃ স্মৰণিকা 'সাহেন' উন্মোচন।
উন্মোচক ঃ শ্ৰীযুত যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, বিশিষ্ট সংবাদিক, সাহিত্যিক, লেখক।
সন্ধিয়া ৭.০০ বজাৰ পৰা ঃ সদৌ অসম ভিত্তিত "হুঁচৰি-বিহু" আৰু "বিহুৱতী" প্ৰতিযোগিতা, লগতে অন্যান্য সাংস্কৃতিক অনুষ্ঠান।

১ ব'হাগ (ইং ১৫ এপ্ৰিল, ২০১৩ চন) সোমবাৰ

বিয়লি ২.০০ বজাৰ পৰা ঃ জেং বিহু প্ৰতিযোগিতা।
সন্ধিয়া ৬.০০ বজাত ঃ সাংস্কৃতিক সন্ধিয়া উদ্বোধন।
উদ্বোধক ঃ শ্ৰীযুত দেৱজিৎ দাস, সমাজ সেৱক।
সন্ধিয়া ৬.৩০ বজাৰ পৰা ঃ "বিহু ৰাণী" ২০১৩ প্ৰতিযোগিতা, লগতে অন্যান্য সাংস্কৃতিক অনুষ্ঠান।

২ ব'হাগ (ইং ১৬ এপ্ৰিল, ২০১৩ চন) মঙ্গলবাৰ

বিয়লি ২.০০ বজাৰ পৰা ঃ চিত্ৰাঙ্কন আৰু ভেশচন প্ৰতিযোগিতা।
সন্ধিয়া ৬.০০ বজাত ঃ সাংস্কৃতিক সন্ধিয়া উদ্বোধন।
উদ্বোধক ঃ শ্ৰীযুত প্ৰদীপ দত্ত, সমাজ সেৱক।
সন্ধিয়া ৬.৩০ বজাত ঃ সাংস্কৃতিক অনুষ্ঠান আৰম্ভ।

বিশেষ আকৰ্ষণ

সদৌ অসম ভিত্তিত হুঁচৰি বিহু/বিহুৱতী/বিহুৰাণী প্ৰতিযোগিতা, ডিওৱাই-৩৬৫খ্যাত চুপতি, খগেন গগৈ আৰু সংগীবৃন্দৰ সঙ্গীত পৰিৱেশন, জীনা ৰাজকুমাৰী, প্ৰবীন কুমাৰ আৰু মৌচুমী শইকীয়াৰ গীতৰ শৰাই, উমাকান্ত বৈৰাগীৰ দেহ-বিচাৰ আৰু টোকাৰী গীত আৰু অন্যান্য বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান।

বৃহত্তৰ ৰুক্মিণী নগৰ ত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

মুখ্য পৃষ্ঠপোষক ঃ শ্ৰীযুত দেৱজিৎ দাস, শ্ৰীযুত মেজৰ সিং, শ্ৰীযুত ভূপেন্দ্ৰৰ সিং (কি কি), শ্ৰীযুত বিজু কুমাৰ জৈন, শ্ৰীযুত বিপ্লৱ দত্ত।

পৃষ্ঠপোষক ঃ শ্ৰীযুত অঞ্জন দত্ত, শ্ৰীযুত দ্বিজেন শৰ্মা, শ্ৰীযুত গোপাল বৈশ্য, শ্ৰীযুত অপূৰ্ব শৰ্মা, শ্ৰীযুত ৰঞ্জিৎ গগৈ, শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ, শ্ৰীযুত হিতেশ বৰুৱা, শ্ৰীযুত প্ৰকাশ ম'ৰ, শ্ৰীযুত ফণিন্দ্ৰ চক্ৰৱৰ্ত্তী, শ্ৰীযুত হোমেন্দ্ৰ হীৰা, শ্ৰীযুত ৰোহিণী পাঠক, শ্ৰীযুত পদ্মকান্ত বৰা, শ্ৰীযুত সত্যজিৎ ভূঞা, শ্ৰীযুত মুকুল হাজৰিকা, শ্ৰীযুত ৰাজীৱ পানি ফুকন, শ্ৰীযুতা অমিয়া বৰগোঁহাই, শ্ৰীযুত হৰেশ দত্ত, শ্ৰীযুত অনুজ শইকীয়া, শ্ৰীযুত চাকিল চাদুল্লা, শ্ৰীযুত ৰাণা ডেকা, শ্ৰীযুত গণেশ শৰ্মা, শ্ৰীযুত উত্তম কলিতা, শ্ৰীযুত অনিল দাস, শ্ৰীযুত শঙ্কৰ জ্যোতি ডেকা, শ্ৰীযুত প্ৰদীপ বৰা, শ্ৰীযুত অজয় গুপ্তা, শ্ৰীযুত ৰিপুঞ্জয় চাংকাকতি, শ্ৰীযুত প্ৰবোধ চন্দ্ৰ দাস, শ্ৰীযুত কুমাৰ পৰিক্ষীত নাৰায়ন দেৱ।

মুখ্য উপদেষ্টা ঃ শ্ৰীযুত সুনীল বৰা, শ্ৰীযুত পৰেশ নেওগ।

উপদেষ্টা মণ্ডলী ঃ শ্ৰীযুতা প্ৰীতি শইকীয়া, শ্ৰীযুত দিনেশ বৰ্মন, শ্ৰীযুত নিশিনাথ চাংকাকতি, শ্ৰীযুত ৰমেন কলিতা, শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা, শ্ৰীযুত কেশৱলাল দাস, শ্ৰীযুত ঈশ্বৰ প্ৰসন্ন ফুকন, শ্ৰীযুত অজিত বৰুৱা, শ্ৰীযুত বিপ্লৱ বৰা, শ্ৰীযুত ৰাজশোভন গোস্বামী, শ্ৰীযুত হেম শইকীয়া, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা, শ্ৰীযুত মতীচান্দ কুমাৰ, শ্ৰীযুত টঙ্কেশ্বৰ কাকতি, শ্ৰীযুত প্ৰসন্ন মজুমদাৰ, শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ শৰ্মা, শ্ৰীযুত অমল শৰ্মা, শ্ৰীযুত দ্বীপক কোঁৱৰ, শ্ৰীযুত হৰেণ দাস, শ্ৰীযুত কুশল পাঠক, শ্ৰীযুত পঙ্কজ কাকতি, শ্ৰীযুত পশুপতি হাজৰিকা, শ্ৰীযুত বসন্ত পোদ্দাৰ, শ্ৰীমুকুল বুঢ়াগোহাঁই, শ্ৰীযুত হৰেণ বৰগোঁহাই, শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰা, শ্ৰীযুত কেশৱ চন্দ্ৰ ভূঞা, শ্ৰীযুত লক্ষী দাস, শ্ৰীযুত ভগৱান ডেকা, শ্ৰীযুত টিকেন চৌধুৰী, শ্ৰীযুত অৰুণী ভট্টাচাৰ্য, শ্ৰীযুত ধনীৰাম কলিতা, শ্ৰীযুত কিৰণ গুৰুং, শ্ৰীযুত ৰমেশ ডেকা, শ্ৰীযুত ফনিন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, শ্ৰীযুত সোমেশ্বৰ শইকীয়া, শ্ৰীযুত সুশীল শৰ্মা, শ্ৰীযুত তপন ডেকা, শ্ৰীযুত কমল কৃষ্ণ হাজৰিকা, শ্ৰীযুত উপকুল বৰদলৈ, শ্ৰীযুত থানেশ্বৰ দত্ত, শ্ৰীযুত বি,চি,ক্ৰ, শ্ৰীমতী কমলাৰাণী পাঠক, শ্ৰীমতী স্নেহময়ী বৰঠাকুৰ, শ্ৰীমতী দিব্য কাকতি, শ্ৰীমতী গায়ত্ৰী গগৈ, শ্ৰীমতী অঞ্জলী বৰুৱা, শ্ৰীমতী প্ৰণিতা ডেকা, শ্ৰীমতী মিনতী চৌধুৰী; শ্ৰীমতী ৰেণু শৰ্মা, শ্ৰীযুত মৃগাংঙ্ক ঠাকুৰীয়া, শ্ৰীযুত মানবেন্দ্ৰ দেৱৰায়, শ্ৰীমতী পুৰবী গগৈ দাস, শ্ৰীযুত গৌতম গগৈ।

কাৰ্যকৰী সমিতি

সভাপতি ঃ শ্ৰীযুত নিৰ্মল চন্দ্ৰ দত্ত।

কাৰ্য্যকৰী সভাপতি ঃ শ্ৰীযুত চক্ৰধৰ মটক।

উপ সভাপতি ঃ ডাঃ দিলীপ ডেকা, শ্ৰীযুত দিলীপ চক্ৰৱৰ্তী, শ্ৰীযুত কমল কাকতি, শ্ৰীযুত সুৰেণ দাস, শ্ৰীযুত সোনেশ্বৰ দাস।

সাধাৰণ সম্পাদক ঃ শ্ৰীযুত ৰাজীৱ হাজৰিকা।

সম্পাদকদ্বয় ঃ শ্ৰীশুক্লেশ্বৰ বড়ো, শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া।

কোষাধ্যক্ষ ঃ শ্ৰীগুনজিৎ তালুকদাৰ।

কাৰ্য্যালয় সম্পাদকদ্বয় ঃ শ্ৰীমোহন টেৰণ, শ্ৰীৰাণা ৰাভা।

উপসমিতি

বিত্ত উপ সমিতি

উপদেষ্টা ঃ শ্ৰীযুত ফুলেশ্চ্ গগৈ।
শ্ৰীযুত প্ৰদীপ দত্ত।
সভাপতি ঃ শ্ৰীযুত সত্যজিৎ বৰা।
উপ-সভাপতি ঃ শ্ৰীযুত ৰঞ্জিত দত্ত।
শ্ৰীযুত চিন্ময় ফুকন।
সম্পাদক দ্বয় ঃ শ্ৰীপৰাগজ্যোতি গগৈ।
শ্ৰীৰুবুল স্বৰ্গীয়াৰী।
সহঃসম্পাদকদ্বয় ঃ শ্ৰীদিগন্তমাধৱ বৰা।
শ্ৰীসীমান্ত দত্ত।
সদস্য/সদস্যা ঃ শ্ৰীদিলীপ বৰুৱা।
শ্ৰীবিজু শৰ্মা (মুনু)।
শ্ৰীজ্ঞানদ্বীপ গগৈ।
শ্ৰীবাণী বুঢ়াগোঁহাই।

সাংস্কৃতিক উপ-সমিতি

উপদেষ্টা ঃ শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ, শ্ৰীযুত গৌতম শৰ্মা।
সভাপতি ঃ শ্ৰীযুত গিৰীশ দত্ত।
উপ-সভাপতি ঃ শ্ৰীযুত মৃদুল বুঢ়াগোহাঁই আৰু শ্ৰীযুত কাবুল পাঠক।
সম্পাদক ঃ শ্ৰীগুনিন্দ্ৰ ডেকা।
সহ-সম্পাদক ঃ শ্ৰীগৌতম ওজা, শ্ৰীসিদ্ধাৰ্থৰাজ বৰদলৈ।
শ্ৰীনীলম বৰুৱা।
সদস্য/সদস্যা ঃ শ্ৰীমতী পূৰবী কাকতি শৰ্মা, ডাঃ প্ৰণিতা দেৱী উপমণ্যু, কল্পনা শৰ্মা, শ্ৰীকিশোৰ দত্ত, অৰূপ শৰ্মা (মইনা), অমৰ নাথ, সিদ্ধাৰ্থ শইকীয়া, সুৰেশ বৈশ্য, ৰমেন কাকতি।

মঞ্চ আৰু আলোক সজা উপ-সমিতি

উপদেষ্টা ঃ শ্ৰীযুত বৃহস্পতি ডেকা।
সভাপতি ঃ শ্ৰীমণিৰ আহমেদ।
উপ-সভাপতি ঃ শ্ৰীঅনিল দাস আৰু শ্ৰীভূপেন বড়ো।
সম্পাদক দ্বয় ঃ শ্ৰীৰাজেন দাস আৰু শ্ৰীঅপূৰ্ব দাস।
সদস্য/সদস্যা ঃ সৰ্বশ্ৰী, শিৰেন্দ্ৰ ডেকা, ৰণজিৎ ৰাভা, খুদিৰাম বড়ো, মুকুট ৰাভা, ৰাজ বৰুৱা, সুভাষ গাৰো, বাহাৰুল লস্কৰ, বাবুল থাপা, ৰত্নেশ্বৰ ৰাভা।

স্মৰণিকা সম্পাদনা সমিতি

উপদেষ্টা ঃ শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ।
সভাপতি ঃ ড° ধৰ্মেশ্বৰ সোণোৱাল।
উপ-সভানেত্ৰী ঃ শ্ৰীযুতা মঞ্জুলা কাকতি, শ্ৰীযুতা ভাৰতী ভট্টাচাৰ্যী।
সম্পাদীকা ঃ শ্ৰীমতী পাৰুল বৰুৱা।
সঃসম্পাদকদ্বয় ঃ শ্ৰীমহেন্দ্ৰ শৰ্মা, শ্ৰীমতী সুবৰ্ণলতা হাজৰিকা।
সদস্য/সদস্যা ঃ শ্ৰীৰাতুল দাস, শ্ৰীবিকি বড়ো, শ্ৰীমতী মামনী দাস, শ্ৰীনীলমনি ঠাকুৰ।

প্ৰচাৰ উপ-সমিতি

সভাপতি ঃ শ্ৰীৰাঘবেন্দ্ৰ দাস।
উপ-সভাপতি ঃ শ্ৰীসমূদ্ৰ কলিতা।
সম্পাদকদ্বয় ঃ শ্ৰীঅসীম বৰ্মণ, শ্ৰীপ্ৰসেনজিৎ চৌধুৰী।
সহঃসম্পাদক ঃ শ্ৰীমহিতোষ দাস (চিমুল)।
সদস্য ঃ সৰ্ব্বশ্ৰী ববলু নাথ, বিভাস সিন্‌হা, নৱদ্বীপ বড়ো, জ্যোতি পাঠক, মজিৰুল লস্কৰ।

অভ্যৰ্থনা উপ-সমিতি

সভানেত্ৰী ঃ শ্ৰীমতী জুনু নেওগ।
উপ-সভাপতি ঃ শ্ৰীযুত দীনবন্ধু বৈশ্য আৰু শ্ৰীযুত বংশীধৰ কাকতি।
সম্পাদক দ্বয় ঃ শ্ৰীভাইটী দত্ত আৰু শ্ৰীপলাশ বৰুৱা।
সহ-সম্পাদীকা ঃ শ্ৰীমতী ৰীতা ডেকা, ৰানু গগৈ, উন্মনা মাধুৰী দত্ত।
সদস্য/সদস্যাবৃন্দ ঃ সৰ্বশ্ৰী ননী ডেকা, নিলীমা ডেকা, শ্ৰীমতী কাঞ্চন হাজৰিকা, বীনা দত্ত, মিনু বৰুৱা, দীপিকা কলিতা, কল্পনা দাস, পীনা ডেকা, কনক বণিয়া, মহেন্দ্ৰ দাস।

ক্ৰীড়া উপ-সমিতি

সভাপতি ঃ শ্ৰীজ্যোতি প্ৰসাদ ডাউকা।
উপ-সভাপতি ঃ শ্ৰীখনিন চৌধুৰী।
সম্পাদক ঃ শ্ৰীজীতেন বড়ো।
সহ-সম্পাদক ঃ শ্ৰীনৃপেন দাস।
সদস্য বৃন্দ ঃ সৰ্বশ্ৰী ৰাজ চেত্ৰী, ধনজিৎ ৰাভা, অলকেশ ওজা, চন্দন নাথ, ৰাজু বড়ো, ভদ্ৰেশ্বৰ বড়ো।

স্বাস্থ্য উপ-সমিতি

সভাপতি ঃ ডাঃ অনিল কলিতা
উঃসভাপতি ঃ ডাঃ মাধুৰ্য্য গগৈ।
সম্পাদীকা ঃ শ্ৰীমতী প্ৰিয়দা চেলেং সোণোৱাল।
সঃসম্পাদীকা ঃ শ্ৰীমতী প্ৰতিমা বৰা।
সদস্য বৃন্দ ঃ সৰ্বশ্ৰী বিধান সিনহা, সুনীন্দ্ৰ হাজৰিকা, জ্যোতিৰ্ময় বৰুৱা।

স্বেচ্ছাসেৱক বাহিনী পৰিচালক ঃ মিকু

সদস্যবৃন্দ ঃ সৰ্বশ্ৰী মনোজ বৰ্মন, সমীৰ সুত্ৰধাৰ, বিকি মালাকৰ, সুনীল গাৰো, টিটু সিং

সদস্য/সদস্যাবৃন্দ ঃ সৰ্বশ্ৰী অনিৰুদ্ধ ওঝা, তৰুণী কলিতা, মীনা দত্ত, ৰূপজ্যোতি কলিতা, অনিমা বৰদলৈ, নিত্যানন্দ তালুকদাৰ, পূৰ্ণিমা বৰদলৈ, সত্যেন কোঁৱৰ, ৰফিকুল হুচেইন, জীতেন সিন্‌হা, পৰিমল বিশ্বাস, ফণিধৰ কলিতা, প্ৰমোদ কলিতা, অঞ্জন বুজৰবৰুৱা, সন্তৰা ৰাভা, এচ, আৰ, দৈমাৰী, মিচেচ এচ. হক, ইলা ৰাজবংশী, সুনন্দা দত্ত, ৰামেশ্বৰ কলিতা, ৰামেশ্বৰ দাস, প্ৰবাল সিন্‌হা, মহাদেৱ নাথ, উৎপল দাস, ৰঞ্জন বিশ্বাস, অৰবিন্দ পাল, দেবেন্দৰ ৰায়, অনিমেষ দাস, নীলমণি ভট্ট, ৰূপক চৌধুৰী, পঙ্কজ ভূএঞা, পুতু বড়ো, কৃষ্ণ বড়ো, মাধৱ কলিতা, ৰাজ চেত্ৰী, চম্পা দাস, বিদ্যুৎ বৈশ্য, আবু চৈয়দ মহম্মদ আব্দুলা বৰভূএঞা, দীপক সুত্ৰধৰ, হানিফ আলি শ্বেখ, ৰাতুল পাটোৱাৰী, আনোৱাৰুল ইছলাম লস্কৰ, অপূৰ্ব গোস্বামী, চেলিমুদ্দিন বৰভূএঞা, কপিলদেৱ শৰ্মা, চাইদুৰ ৰহমান লস্কৰ, হৰমোহন নাথ, শিৱ শঙ্কৰ প্ৰসাদ, নিৰ্মল বিশ্বাস, কপিলদেৱ ৰায়, হৰেশ্বৰ দাস, মুকুট বৰা, চাৰু নাৰ্জাৰী, বিষ্ণু পাঠক, ৰজনী গাৰো, নীলিমা দত্ত, অমূল্য পাঠক, মহাদেৱ শৰ্মা, অচ্যুত শৰ্মা, অসীম কলিতা, মানস প্ৰতীম বৰা, প্ৰণৱ ডেকা, মনোৰঞ্জন কাকতি, উৎপল ওজা, কালিপদ সেন, ভূমিকা তালুকদাৰ, মুহিৰুদ্দিন বৰভূএঞা, সোবল দাস, সীমান্ত বড়ো, অবনী বৰ্মন, নৱজ্যোতি হাজৰিকা, কৌশিক প্ৰতিম হাজৰিকা, চিন্টু দত্ত, সত্যব্ৰত দাস, বিকি মহন্ত।

আৰু বৃহত্তৰ ৰুক্মিণী নগৰ অঞ্চলৰ সমূহ ৰাইজ।

বৃহত্তৰ ৰুক্মিণী নগৰ ঊনত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন(২০১২)

বঙ্গমঞ্চ পথ, হাউছিং কল'নি, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

সদৌ অসম ভিত্তিত

হুঁচৰি বিহু, বিহুৱতী, শ্ৰেষ্ঠ বিহুৱা আৰু বিহুৰাণী ২০১২ প্ৰতিযোগিতাৰ ফলাফল

হুঁচৰি বিহু

১ম পুৰস্কাৰ : সমন্বয় ক্ষেত্ৰ বিহুৱাদল, নুনমাটি, গুৱাহাটী

বিহুৱতী

১ম পুৰস্কাৰ : শ্ৰীমতী ইনা দাস, বঙ্গাইগাঁও

২য় পুৰস্কাৰ : শ্ৰীমতী ৰাজশ্ৰী গায়ন, গীতানগৰ, গুৱাহাটী

৩য় পুৰস্কাৰ : শ্ৰীমতী দেৱাৰ্পনা চুতীয়া, চাৰ্ভে, গুৱাহাটী

শ্ৰেষ্ঠ বিহুৱা

শ্ৰীপুতুল দাস, সমন্বয় ক্ষেত্ৰ, বিহুৱাদল, গুৱাহাটী

বিহুৰাণী ২০১২

শ্ৰীমতী জেমী গগৈ, শিৱসাগৰ

উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ দু-আষাৰ

'বিহুটি বছৰি আহিবা
অসমী আইকে জগাবা
বিপদৰ কালটো
জাতিটোৰ দেহমন ধুৱাবা।'

জয় জয়তে মোক প্ৰথম বাৰৰবাবে বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুদায়ীত্ব অৰ্পণ কৰা সমিতিৰ সদস্য/সদস্যাসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। দৰাচলতে এই পদৰ বাবে মই কিমানদুৰ যোগ্য হও সেয়া প্ৰশ্নবোধকৰ ওপৰত নিৰ্ভৰ কৰিব যিহেতু এই সমিতিত বহুটো গুণী-জ্ঞানী, অভিজ্ঞ আৰু বয়সস্থলোক আছে তেওঁলোকৰ ওচৰত মই তেনেই নগন্য তথাপি ৰাইজৰ সহায়-সহযোগিতা আৰু আশীসলৈ বাপতি-সাহোন ৰঙালী বিহুটি উদ্‌যাপনৰ বাবে আগবাঢ়িছো।

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনে আজি ত্ৰিশটা বছৰ গৰকীলে অৰ্থাৎ ই চফল ডেকা। গামোচাৰ আঁচলতে পদুমৰ চকা মুৰতে মেৰাই আহে পাঢ়োৱাল ডেকাৰ দৰে আবাল বৃদ্ধ বণিতাই ৩১ চ'ত, ১ আৰু ২ ব'হাগক তিনিদিনীয়া কাৰ্যসূচীলৈ বিহুটিক মঞ্চত আদৰিবলৈ উঠি পৰি লাগিছে। ইয়ে যেন অসমীয়া জাতিৰ প্ৰাণোচ্ছল ব'হাগৰ বিহুটিক জগাই তোলাৰ প্ৰয়াস কৰিছে। এইখিনিতে উল্লেখ কৰিব খোজো যে, বিগত বৰ্ষৰ দৰে এইবাৰো ত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলনখনিৰ মণ্ডপটি শ্ৰীভূপিন্দৰ সিং ওৰফে কি.কি.য়ে দাতা হিচাপে আগবঢ়াই বিহু সন্মিলন উদ্‌যাপন কৰাত উৎসাহিত কৰিছে, তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰি বিহু সন্মিলনখনিত বিভিন্নজনৰ সোঁৱৰণিত প্ৰতিযোগিতাৰ বাবে আগবঢ়োৱা বঁটাসমূহৰ দাতাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে বিহু উদ্‌যাপনৰ বাবে জ্ঞাত-অজ্ঞাত ব্যক্তিয়ে আগবঢ়োৱা আৰ্থিক, শাৰীৰিক আৰু বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা সকলোলৈকে শলাগ লৈছো।

শেষত সদৌটি ৰাইজলৈ ৰঙালী বিহুৰ ওলগ আৰু শুভেচ্ছা জনাও যাতে বছৰটো সুখ আৰু শান্তিৰে অতিবাহিত হওক। ইয়াৰ কামনাৰে—

ৰাজীৱ হাজৰিকা
সাধাৰণ সম্পাদক
বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি

ত্ৰিংশতিতম্ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ পৃষ্ঠপোষক আৰু উপদেষ্টাসকল

দেৱজিৎ দাস
মুখ্য পৃষ্ঠপোষক

বিজু কুমাৰ জৈন
পৃষ্ঠপোষক

মেজৰ সিং
পৃষ্ঠপোষক

ভূপেন্দৰ সিং (কি.কি)
পৃষ্ঠপোষক

বিপ্লৱ দত্ত
পৃষ্ঠপোষক

ফুলেশ্বৰ বসুমতাৰী
পৃষ্ঠপোষক

প্ৰদীপ কুমাৰ দত্ত
পৃষ্ঠপোষক

সত্যজিৎ ভূঞা
পৃষ্ঠপোষক

সুনীল বৰা
মুখ্য উপদেষ্টা

পৰেশ নেওগ
মুখ্য উপদেষ্টা

নিৰ্মল চন্দ্ৰ দত্ত
সভাপতি, বিহু উদ্‌যাপন সমিতি

প্ৰদীপ কুমাৰ গগৈ
উপদেষ্টা, 'সাহেন' আৰু 'সাংস্কৃতিক বিভাগ'

ফুলেশ্চ্ গগৈ
উপদেষ্টা, বিত্ত বিভাগ

সত্যজিৎ ডেকা
পৃষ্ঠপোষক

ৰমেন কলিতা
উপদেষ্টা

ANNIHILATION

SIZE 60x45 c.m

SANKAR JYOTI DEKA
GANESHGURI
GUWAHATI-05

With best wishes and Happy Rongali Bihu from.....

DIRECTORATE OF THE ARCHIVES, ASSAM

Archives is a collective memory of the Govt. at large. It opens the objective assessment of our socio-cultural, political and historical no can write true history unless the original materials are preserved in the Archives are consult.

So, make use of Archives for promoting original Historical Research and administrative utilities and also to find out interesting written information of the past housed in our Archives.

Director of Archives, Assam

বিহুৰ পতাকা উত্তোলন, শ্ৰীযুত ৰমেন কলিতা, ২০১২

শ্ৰদ্ধাঞ্জলী তৰ্পন, ২০১২

'সাহোন' উন্মোচক, শ্ৰীযুত দেৱজিত দাস, ২০১২

মঞ্চত স্থানীয় শিশু শিল্পীৰ আধুনিক গীত পৰিৱেশন, ২০১২

বিহুৱতী প্ৰতিযোগিতাৰ প্ৰতিযোগী শিল্পী, ২০১২

স্থানীয় চেমনীয়া শিল্পীৰ সমবেত সংগীত পৰিৱেশন, ২০১২

অকণিহঁতৰ বিহু নৃত্য পৰিৱেশন, ২০১২

ঢোলৰ ওজা সোমনাথ বৰাৰ ঢোল বাদন, ২০১২

লোক নৃত্য পৰিৱেশন, ২০১২

নাম প্ৰসঙ্গ, ২০১২

সমবেত বিহুবলীয়া দৰ্শক, ২০১২

জিকিৰ পৰিৱেশন, ২০১২

বিহুমঞ্চত কৰ্মকৰ্তাসকল, ২০১২

বিহুৰাণী পুৰস্কাৰ বিজেতা ২০১২, শ্ৰীমতী জেনী গগৈ, দাতা শ্ৰীযুত দেৱজীত দাস

বিহুৱতী পুৰস্কাৰ বিজেতা শ্ৰীমতী দেবাৰপৰ্ণা চুতীয়া

সমবেত সংগীত পৰিৱেশনত সজাগতা মহিলা সমিতি, ২০১২

সমবেত সংগীত, ৰূপালীম মহিলা চৰা, ২০১২

স্থানীয় শিল্পীৰ দ্বাৰা বিহু পতাকা উত্তোলনৰ গীত পৰিৱেশন, ২০১২

বিহুমঞ্চত বিহুহুঁচৰি প্ৰতিযোগিতা, ২০১২

আন্তৰাষ্ট্ৰীয় শিল্পী শ্ৰীযুত উমাকান্ত বৈৰাগীৰ দেহ বিচাৰৰ গীত পৰিৱেশণ, ২০১২

স্থানীয় ৰূপালীম মহিলা চৰাৰ একাংশ, ২০১৩

মূল বিহু সমিতি, ২০১৩

With best Compliments from:

Guwahati Carbon Ltd.

Pub-Boragaon, Gurchuk
Guwahati-781035

Manufacturer of Calcined Petroleum Coke

Works & Regd.Office

Vill : Pub-Boragaon
: N.H.-37
P.O. : Gurchuk
: Guwahati-781 035
Phones : (0361) 227-0021, 227-0034
Fax : (0361) 227-0033

Corporate Office

14B, Canal Street, Kolkata-700 014, India,
Phones: (033) 2255 1800/ 1/ 2/ 3.
Fax : (033) 2255 1860/ 1870
Email: cpc@maniyargroup.com.
Website: www.maniyargroup.com

With best Compliments from : ASSENT GROUP

ACL

ASSENT CHEMICALS LIMITED

1-C, Royal Silver Tower.
Lachit Nagar.
Guwahati-781007 (Assam)
Phone No.:-+91361-2467976, Fax: +91361-2466987
Email:-assent1997@gmail.com
www.assentchemicals.com

Manufacture of
Ferric, Non-Ferric, Ammonium Alum and Rosin as per BIS Standard

ASSENT CERAMICS

A UNIT OF ACL

The only Manufacture of Fire Bricks, Fire Clay, Bantonite Powder, Soap Stone powder, Acid Proof Bricks and B.P. Set, in all types as per BIS Standard.

ASSENT METAL
Mfgd. of copper wire,
Govt. & Gen. Suppliers

FACTORY
Topatoli, N.H.-37,
Dist. Kamrup (Metro),
Assam, Pin-782403